### গুৰুবাণী

জ্ঞান কৰ্ম্ম বিনে কেৱলে ভক্তিত
পাৱয় সংসাৰ পাৰ।।
কেৱলে ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞানে কৰ্ম্মে তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।।
—নাম-ঘোষা




জয় গুৰু শংকৰ

# মণিকাঞ্চন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

- Tech/RNP/GH-105/2012-14
- Regd. No. 63480/95

মাহেকীয়া বাৰ্তালোচনী-

উনবিংশ বছৰ ঃ পঞ্চম সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, এপ্ৰিল ২০১৪ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫


### শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ২০১৪-১৫ বৰ্ষৰ
## প্ৰথম কাৰ্যনিৰ্বাহক সভা

**নগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ (মূলৰ) ২০১৪-১৫ বৰ্ষৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা যোৱা ৯ মাৰ্চ, ২০১৪ তাৰিখ দেওবাৰে পুৱা ১০.৩০ বজাত নগাঁও মূল কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাখনিত সঙ্ঘৰ প্ৰয়াত সঙ্গী বাপ-আইসৱৰ আত্মাৰ সদ্‌গতিৰ বাবে এভাগি প্ৰাৰ্থনা জনোৱাৰ অন্তত সঙ্ঘৰ প্ৰধান সম্পাদকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে চলিত বৰ্ষৰ বাবে এখনি ২৯ দফীয়া কৰ্ম-আঁচনি দাঙি ধৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ মূল কাৰ্যালয়ৰ অস্থায়ী গৃহৰ আন্তঃগাঠনি সম্পূৰ্ণ কৰণ, চলিত বৰ্ষত বিশ্ববিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা, সঙ্ঘৰ সত্যসন্ধা প্ৰেছ স্থাপনৰ কাম সম্পূৰ্ণ কৰা, বৈষ্ণৱ পণ্ডিত প্ৰয়াত সোণাৰাম চুতীয়াবাপৰ জন্ম শতবাৰ্ষিকী মহোৎসৱ উদ্‌যাপন কৰা, জিলা শাখাসমূহত বিশ্ববিদ্যালয় সম্পৰ্কীয় জাগৰণ সভা অনুষ্ঠিত কৰা, যোৰহাটস্থিত শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ কল্যাণ (২পৃষ্ঠাত চাওক)

### মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ
## প্ৰথমখন গভৰ্ণিং ব'ডিৰ সভা

**নগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰা আৰু ট্ৰাষ্ট সমিতিৰ সম্পাদক তৰুণ বৰাবাপৰ যুটীয়া আহ্বানত যোৱা ইং ২৫/৩/২০১৪ তাৰিখ মঙ্গলবাৰে মূল কাৰ্যালয় নগাঁৱত দিনৰ ১.৩০ বজাত সঙ্ঘৰ পদাধিকাৰ তথা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী আচাৰ্য শ্ৰদ্ধেয় ৰজনীকান্ত দত্তবাপৰ পৌৰোহিত্যত বিশ্ববিদ্যালয়ৰ গভৰ্ণিং বডিৰ প্ৰথমখন সভা অনুষ্ঠিত হৈ যায়। ট্ৰাষ্ট সমিতিৰ সম্পাদক তৰুণ কুমাৰ বৰাবাপে আঁতধৰা সভাখনিৰ আৰম্ভণিতে ৰজনীকান্ত দত্ত, সদস্য ড° অমৰজ্যোতি চৌধুৰী, ড° ডি. কে. ভট্টাচাৰ্য, নৰেন্দ্ৰনাথ বৰা, ভবেন্দ্ৰনাথ ডেকা, বাবুল বৰা আৰু ড° ৰাতুল চন্দ্ৰ বৰাবাপক চিনাকি কৰি দিয়াৰ লগতে ফুলাম গামোচাৰে আচাৰ্য তথা প্ৰতিগৰাকী সদস্যকে সম্বৰ্দ্ধনা জনোৱা হয়। সভাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনি, আৰম্ভ কৰিবলগীয়া পাঠ্যক্ৰম, কাৰিকৰী সা-সুবিধা, বিশ্ববিদ্যালয়ৰ (২পৃষ্ঠাত চাওক)

## সৰ্বভাৰতীয় প্ৰেক্ষাপটত বিহু উৎসৱ

**ড° উপেন ৰাভা হাকাচাম**

বিহু অসমীয়াৰ জাতীয় উৎসৱ আৰু বাপতি সাহোন। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজতো বিহু বা বিহুসদৃশ ঋতুকালীন কৃষি উৎসৱৰ পয়োভৰ আছে। কিন্তু এইবোৰত উমৈহতীয়া ৰূপ বা উপাদান যি মাত্ৰাত পৰিলক্ষিত হয়, আঞ্চলিক বা স্বকীয় ৰূপো সিমান মাত্ৰাতে প্ৰকটিত হয়। বিশেষকৈ উজনি অসম (শদিয়া-লিডুৰ পৰা কলিয়াবৰ-তেজপুৰলৈ) আৰু নামনি অসম (ওদালগুৰি-ৰাণীৰ পৰা শ্ৰীৰামপুৰ-মানকাচৰলৈ) এই দুটা প্ৰধান ক্ষেত্ৰত বিহু তিনিটাৰ (কাতিৰ কঙালী,



মাঘৰ ভোগালী আৰু ব'হাগৰ ৰঙালী) স্বকীয়তা পৰিলক্ষিত হয়। প্ৰাচীন অসমৰ জনগাঁথনি আৰু উজনিত আহোম স্বৰ্গদেউ আৰু নামনিত কোচ ৰজা কমতেশ্বৰৰ দীৰ্ঘকাল জুৰি একছত্ৰী শাসনে ইয়াৰ অন্যতম কাৰক হিচাপে চিহ্নিত কৰিব পাৰি। মোগল বা ব্ৰিটিছ শাসনৰ অসমতুল্য প্ৰভাৱেও ইয়াৰ আন এটা কাৰক হিচাপে বিবেচিত হ'ব পাৰে। উজনি অসমত (সুৱৰ্ণপীঠ☐ সৌমাৰপীঠ) অন্যান্য বৰ্ণ হিন্দু অসমীয়া ভাষী জনগোষ্ঠীৰ উপৰি টাই মূলীয় (আহোম, তুৰুং, আইতন, (৬ পৃষ্ঠাত চাওক)

### ৮৪ সংখ্যক বাৰ্ষিক
## অধিৱেশনৰ আদৰণী সমিতি গঠন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনখনিৰ আদৰণি সমিতিখন যোৱা ১৭ মাৰ্চ, ২০১৪ তৰিখে ঢকুৱাখনা জিলা শাখাৰ জিলা নামঘৰত প্ৰায় সহস্ৰাধিক ভকত-বৈষ্ণৱৰ উপস্থিতিত অনুষ্ঠিত হৈ যায়। পদাধিকাৰ ৰজনীকান্ত দত্তবাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনি প্ৰধান সম্পাদক বাবুল বৰাবাপে উদ্বোধন কৰি কয় যে আজিৰ তাৰিখত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এটি মূলতঃ ধৰ্মীয় অনুষ্ঠান হৈনাথাকি সকলো দিশতে সমান্তৰালভাৱে আগবাঢ়িছে। অৰ্থনৈতিক স্বাৱলম্বিতাৰ কথা চিন্তা কৰি আৰ্থিক বিকাশ প্ৰতিষ্ঠা কৰা হৈছে, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নানান গ্ৰন্থ সম্ভাৰেৰে উজ্বলাই তুলিবলৈ সমৰ্থ হৈছে। তেনে এটি অনুষ্ঠানৰ লক্ষাধিক ভকতক আদৰি সেৱা কৰিবৰ বাবে জিলাখনৰ প্ৰতিজন বাপ-বান্ধৱ, সেৱক-সেৱিকা আইসকলক ভক্তিৰ টঙালী মেৰিয়াই সাজু হ'বৰ বাবে আহ্বান জনায়। উপ-পদাধিকাৰ (২ পৃষ্ঠাত চাওক)

## তিৱাসকলৰ ব'হাগ বিহুৰ পৰম্পৰা

**ড° ধীৰাজ পাটৰ**

**অৱতৰণিকা ঃ** পৃথিৱীৰ সকলো ঠাইতে সমাজভেদে বিভিন্ন উৎসৱ-অনুষ্ঠান উদযাপন কৰা হয়। এই উৎসৱ-অনুষ্ঠানবোৰ আকৌ সকলোতে একে সময়তে নহয় বা কোনো অঞ্চলত ইয়াৰ বাবে সেই সময় উপযোগী নহ'বও পাৰে। সেয়ে কেতিয়াবা কোনো এটি ঋতুৰ পৰা আন এটি ঋতুলৈ সংক্ৰমণ অথবা জীৱনৰ এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ গতি কৰা, ঐতিহাসিক ঘটনাৰ বছৰেকীয়া তিথি, কোনো বীৰ পুৰুষ বা জনশ্ৰুতিমূলক দেৱতা বা কোনো সমাজৰ বিশিষ্ট ব্যক্তিৰ জন্ম-মৃত্যুৰ তিথি পালনৰ বাবে বছৰৰৰ কোনো এটা সময় স্থিৰ কৰা দেখা যায়। এইবোৰৰ সৈতে সামূহিক কৰ্ম, ভোজন, নৃত্যগীত আৰু খেল-ধেমালিও জড়িত হৈ থকিব পাৰে। এনে বিশেষ ধৰণৰ তাৎপৰ্যপূৰ্ণ সময়ত অনুষ্ঠিত প্ৰতীকী অনুষ্ঠানৰ পৌনঃপুনিকতাই উৎসৱ। উৎসৱ-অনুষ্ঠানবোৰ লোক-সংস্কৃতিৰ অন্যতম অংগ। (২ পৃষ্ঠাত চাওক)

## কাৰ্যনিৰ্বাহক সভা

(১ পৃষ্ঠাৰ পৰা)

প্ৰতিষ্ঠানৰ পৰ্যায়ক্ৰমে কাম আৰম্ভ কৰা আদি কেবাটাও গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে শ্ৰীমন্ত শঙ্কৰদেৱ সঞ্চৰ হিচাপ সম্পৰ্কীয় সকলো নথি-পত্ৰ আৰু গ্ৰন্থাদিৰ সম্পূৰ্ণ তথ্য কম্পিউটাৰ যোগে সংৰক্ষণ কৰাৰ লগতে শঙ্কৰদেৱ বিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন, ছপা, শাখা কাৰ্যালয় গৌৰীপুৰ দুমৰদহ, গুৱাহাটী ৰূপনগৰ, ডিব্ৰুগড়, যোৰহাট, লখিমপুৰ, কচ্যালি শঙ্কৰ মিচন আদিৰ উন্নয়ন বিষয়ক সামৰি গ্ৰহণ কৰা ২৯ দফীয়া আঁচনি ৰূপায়নৰ বাবে ১,২৫,২০,০০০.০০ (এক কোটি পঁচিশ লাখ বিশ হাজাৰ) টকাৰ এখন বাজেটো গ্ৰহণ কৰা হয়।

উক্ত আঁচনিসমূহ বাস্তৱায়িত কৰাৰ বাবে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ২৪ তাৰিখৰ পৰা ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখলৈ প্ৰতিটো মাহকে সামৰি এখন বিস্তৃত দিনপঞ্জীও প্ৰস্তুত কৰা হৈছে। ৫ এপ্ৰিল ২০১৪ তাৰিখৰ পৰা ৬/১০/২০১৪ তাৰিখলৈ সঞ্চৰ ১৯ খন জিলাক সামৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কে জাগৰণ সভা অনুষ্ঠিত কৰাৰ বাবে আন এখন দিনপঞ্জীও প্ৰস্তুত কৰা হৈছে।◆

## গভৰ্ণিং ব'ডি

(১ পৃষ্ঠাৰ পৰা)

উপাচাৰ্য নিয়োগ, অধ্যাপক নিয়োগ আদি বিভিন্ন দিশ সামৰি হোৱা গাম্ভীৰ্যপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰি তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য তথা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ গভৰ্ণিং বডিৰ সন্মানীয় সদস্য ড° অমৰজ্যোতি চৌধুৰীদেৱে কয়— মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত প্ৰতিষ্ঠিত এইখন বিশ্ববিদ্যালয় ইতিমধ্যে প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়সমূহতকৈ এক সুকীয়া আৰু অধিক উন্নতমানৰ এখন বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগিব। সেয়ে বিশেষ কিছুমান দিশত আপোচ নকৰি সুস্থ আৰু দীৰ্ঘম্যাদী চিন্তাৰে আগবাঢ়ি যাব লাগিব। সভাত উপস্থিত থকা ড° ডি. কে. ভট্টাচাৰ্য, এন এন বৰা, ড° ৰাতুল চন্দ্ৰ বৰা, ভৰেন্দ্ৰনাথ ডেকা, বাবুল বৰা প্ৰমুখ্যে সন্মানীয় সদস্যসকলে এই বিষয়ত অভিজ্ঞতাপুষ্ট মন্তব্য আগবঢ়াই বিশ্ববিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰে। বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কীয় বিষয়ত আলোচনা কৰি প্ৰাৰম্ভিকভাৱে চলিব বৰ্ষত কম্পিউটাৰ এডুকেচন, মেনেজমেণ্ট আৰু শঙ্কৰদেৱ অধ্যয়ন, এই তিনিটা বিষয়ৰ পাঠদান আৰম্ভ কৰাৰ লগতে এই সংক্ৰান্তীয় আন বিষয়সমূহো আলোচনা-চক্ৰ অনুষ্ঠিত কৰি নিৰ্ণয় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ এগৰাকী উপযুক্ত উপাচাৰ্য নিয়োগ সম্পৰ্কে আলোচনা কৰি অসমৰ বিদ্যৎ তথা অভিজ্ঞতাসম্পন্ন পাঁচ গৰাকী বিশেষ ব্যক্তিৰ নাম তালিকা প্ৰস্তুত কৰা হয় আৰু অতি কম দিনৰ ভিতৰতে তেখেতসকলৰ সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰি উপযুক্ত ব্যক্তিগৰাকীক উপাচাৰ্য হিচাপে নিয়োগ কৰিবলৈ সভাই সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে।

সভাত গ্ৰহণ কৰা আন এক সিদ্ধান্ত অনুযায়ী বিশ্ববিদ্যালয়ৰ ষ্টেটিউট, অৰ্ডিনেঞ্চ আৰু ৰুল তৈয়াৰ কৰাৰ বাবে ড° ৰাতুল চন্দ্ৰ বৰা (আহ্বায়ক), ড° ডি. কে ভট্টাচাৰ্য আৰু শ্ৰীএন এন বৰাদেৱক লৈ এখন তিনিজনীয়া সমিতি গঠন কৰি দিয়া হয়।◆

## আদৰণি সমিতি গঠন

(১ পৃষ্ঠাৰ পৰা)

ভৰেন্দ্ৰনাথ ডেকাবাপে কয় যে 'সেৱক বুলিয়া পালিয়ো ৰাম...' এই মহান বাণী সাৱোগত কৰি সকলো আগবাঢ়িলে এখন অধিৱেশন সফল কৰি তুলিব পাৰি। প্ৰতিজন সঙ্গীৰে আকুণ্ঠ সহায়-সহযোগ প্ৰয়োজনীয় বুলি ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। সভাত দুয়োজন যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াবাপ আৰু আনন্দ কুমাৰ বৰাবাপে বক্তব্য ৰাখি জিলা শাখাৰ সকলো সঙ্গী বাপৰ সহায়-সহযোগিতা কামনা কৰে। পদাধিকাৰ ৰজনীকান্ত দত্তবাপে সভাপতিৰ আসনৰ পৰা দেৱতো তীৰ্থটো কৰি ভকতেসে বৰ.... বুলি গুৰুজনাই দি থৈ যোৱা আদৰ্শৰে সকলোকে আগবাঢ়িবৰ বাবে আহ্বান জনায়। ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনখনি পৰিচালনা কৰিবৰ বাবে অমিয় সন্দিকৈবাপক আদৰণি সমিতিৰ সভাপতি, ঢকুৱাখনা বিধান সভা সমষ্টিৰ বিধায়ক নব কুমাৰ দলেদেৱক কাৰ্যকৰী সভাপতি আৰু পৰমা কোঁৱৰবাপক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। সভাত কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়কৰ লগতে সেৱাবাহিনীৰ বিষয়ববীয়াসকল, কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা আইৰ লগতে লখিমপুৰ, ধেমাজি, জোনাই, মাজুলী, শিৱসাগৰ, নাজিৰা জিলা শাখাৰ মুলৰ সদস্যসকল, জিলা সভাপতি-সম্পাদকসকল সহ ভালেসংখ্যক ভকত-বৈষ্ণৱ আৰু ঢকুৱাখনা

## তিৱাসকলৰ বিহু

(২ পৃষ্ঠাৰ পৰা)

লোক উৎসৱসমূহ সামাজিক আচৰণৰ বহিঃপ্ৰকাশ মাথোন। এইবোৰ আদিম মানৱৰ দ্বাৰা অনুষ্ঠিত ঐন্দ্ৰজালিক কৃত্যাদিৰ পৰা উদ্ভৱ হোৱা।[১] কিয়নো এই ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ জৰিয়তে এওঁলোকে প্ৰাকৃতিক শক্তিসমূহক শান্ত কৰিব পাৰিছিল বুলি মনত ধাৰণা কৰি লৈছিল। সেয়ে বিভিন্ন দেৱ-দেৱীৰ পূজা যাগ-যজ্ঞ আদি পালন কৰিছিল। প্ৰাকৃতিক ভয়াবহ পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ প্ৰাকৃতিক শক্তিসমূহক পূজা-সেৱা কৰা, পথাৰৰ শস্য আৰু মানুহৰ বংশ বৃদ্ধিৰ বাবে সন্তান কামনা কৰা, মাৰিমৰক ব্যাধি আদিৰ পৰা হাত সাৰি থকা বিদ্যা-বুদ্ধি তথা ধন-সম্পদ বিচৰা আদিয়েই উৎসৱ-অনুষ্ঠানৰ প্ৰধান লক্ষ্য। উৎসৱ-অনুষ্ঠানসমূহত ভক্তসকলে বিচৰা বস্তু বা পৰিস্থিতিক প্ৰায়ে প্ৰতীকাত্মক ৰূপত প্ৰকাশ কৰা হয়। যাদুমূলক কৃত্যত উৎসৱ-অনুষ্ঠানৰ এক বিশেষ দিশ। তদুপৰি পৌৰাণিক কথা আৰু লোক- বিশ্বাস উৎসৱ-অনুষ্ঠানৰ সৈতে সম্পৃক্ত হৈ থকা দেখা যায়। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে উৎসৱ-অনুষ্ঠান আদিম মানৱে কৰা ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ উত্তৰ জীৱিতা (Survival) মাথোন। এই উৎসৱ-অনুষ্ঠানবোৰৰ জৰিয়তে আদিম মানৱে তেওঁলোকৰ বিভিন্ন কাৰ্য সিদ্ধি কৰিছিল। এই ক্ৰিয়া-কাণ্ডবোৰ কৰোতে প্ৰতীকী আচৰণৰ ব্যৱহাৰ কৰিছিল।

মানুহে নিগাজিকৈ জীৱন নিৰ্বাহ কৰাৰ সমান্তৰালভাৱে জীয়াই থাকিবলৈ অৰ্থাৎ আহাৰৰ বাবে খাদ্য-শস্য তথা কৃষি ব্যৱস্থা কৰিবলৈ ল'লে, লগতে সমাজ পাতি বাস কৰিবলৈ লওঁতে বংশ বৃদ্ধিৰ কথাও চিন্তা কৰিবলৈ ধৰিলে। এনেদৰেই সামাজিক জীৱনযাত্ৰাৰ পাতনি মেলে। এই কৃষিক কেন্দ্ৰ কৰিয়েই দলবদ্ধভাৱে সহবাস কৰা আৰু ইয়াক কেন্দ্ৰ কৰিয়েই সৃষ্টি হ'ল গীত-মাত, নৃত্য-বাদ্য আৰু সৃষ্টি হ'ল উৎসৱভেদে বিভিন্ন খাদ্য-দ্ৰব্য, সাজপাৰৰ। এইবোৰ ক্ৰমান্বয়ে আধুনিক সমাজ ব্যৱস্থালৈও বিয়পি পৰিল। ইয়াৰ সমস্যা সমাধানৰ বাবে কৃষি ব্যৱস্থা আৰু পশু পালন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই কৃষি ব্যৱস্থা আৰম্ভ হোৱাৰ পৰাই সমাজ ব্যৱস্থাত উৎসৱ অনুষ্ঠানবোৰৰ জন্ম হোৱা বুলি ক'ব পাৰি।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ধৰ্ম ভাষা, জাতি-জনগোষ্ঠীয় লোকৰ মাজত বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চল ঘাইকৈ কৃষি প্ৰধান অঞ্চল এই অঞ্চলৰ লোকসকলেও আন ঠাইৰ লোকসকল দৰে কৃষিৰ সৈতে জড়িত বিভিন্ন উৎসৱ-অনুষ্ঠান আয়োজন কৰা দেখা যায়। অসমৰ ভৈয়াম অঞ্চলত বাস কৰা তিৱাসকলেও তেওঁলোকৰ সমাজ জীৱনত বিভিন্ন উৎসৱ অনুষ্ঠান আয়োজন কৰা দেখা যায়। তেনে কিছুমান উৎসৱ-অনুষ্ঠান হৈছে— *ছগ্ৰামিছাৱা, ওৱানছাৱা, বৰত উৎসৱ, বিহু উৎসৱ, মেলা বা গোসাঁই উলিওৱা উৎসৱ, জোনবিল মেলা* আদি।

ভৈয়াম তিৱাসকলে অতীতৰে পৰা অজনজাতীয় অসমীয়া সমাজৰ সৈতে একেলগে বিহু উৎসৱ উদ্‌যাপন কৰি আহিছে। মন কৰিবলগীয়া কথা এয়ে যে তিৱাসকলৰ মাজত পুহ বা চ'তৰ সংক্ৰান্তিত বিহু উদযাপন কৰাৰ কোনো ধৰাবন্ধা নিয়ম নাই। সৰু সৰু ৰজাৰ দ্বাৰা পৰিচালিত অঞ্চলত তেওঁলোকে সদায় মঙ্গলে-বুধেহে বিহু পালন কৰে। এইক্ষেত্ৰত অবিভক্ত নগাঁও জিলাৰ পাঁচোৰজীয়া আৰু চহৰী ৰাজ্যৰ লোকসকলৰ কথা উল্লেখ কৰিব পাৰি। গোভা, নেলী, খলা অঞ্চলৰ লোকে আকৌ শনিবাৰে উৰুকা পাতি দেওবাৰে বিহু কৰে। গোভা অঞ্চলত প্ৰধানকৈ *জোনবিল মেলা* পাতি মাঘ বিহু আৰু *সাৱবিল মেলা* পাতি ব'হাগ বিহু পাতে। হাজোৱালি তিৱাই বিনিময়েৰে নিয়া পিঠাৰে পাহাৰত বিহু পাতে।[৩] সি যিয়েই নহওক বৰ্তমানে নগাঁও, ভৈয়াম জিলাৰ প্ৰায়বোৰ অঞ্চলত এই পৰম্পৰাৰ পৰা ফালৰিকাটি সংক্ৰান্তিত বিহু উদযাপন কৰা দেখা যায়। তিৱাসকলৰ বিহুকো প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি। (সেয়া ক) ব'হাগ বিহু, খ) কাতিবিহু, গ) মাঘবিহু। আমাৰ এই অধ্যয়নত তিৱাসকলৰ মাজত কিদৰে পৰম্পৰাগতভাৱে ব'হাগ বিহুৰ পালন কৰি আহিছে সেই বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**ব'হাগ বিহু ঃ** ব'হাগ বিহু প্ৰধানকৈ ভৈয়াম আৰু দাঁতিয়লীয়া তিৱাসকলৰ মাজতহে প্ৰচলন আছে। পাহাৰ অঞ্চলৰ তিৱাসকলে বসন্তকালীন উৎসৱ *ছগ্ৰামিছাৱা* পালন কৰে। ফাগুন বা চ'তমাতৰ কোনোবা এটা শুভদিনত প্ৰধানকৈ মঙ্গল বাৰ বুধবাৰ বা বৃহস্পতিবাৰ পৰা সম্পূৰ্ণ এসপ্তাহধৰি এই উৎসৱৰ আয়োজন কৰা হয়। অৱশ্যে এই উৎসৱ সকলোবোৰ গাঁৱত পালিত হোৱা দেখিবলৈ পোৱা নাযায়। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত এই উৎসৱত নানা ৰীতি-নীতি পালন কৰা দেখা যায়। তিৱাসকলৰ ছাগ্ৰামিছাৱা উৎসৱত শান্তিৰে নাচনী ৰজা অৰ্থাৎ নাচনী দেৱতা পূজা কৰা হয়। পথাৰত হাল-কোৰৰ কাম নকৰা, চুলি নকতা, কাজিয়া নকৰা, কাপোনৰ নোবোৱা ইত্যাদিবোৰ বাধা নিষেধ সেইকেইদিন তেওঁলোকে মানি চলে।

বিহুত তেওঁলোকে বিভিন্ন উপাস্য দেৱ-দেৱী আৰু থানত পূজা দিয়া নিয়ম। ব'হাগ বিহু আৰম্ভ হোৱাৰ দিনাই পূজাৰ বাবে *বৰঘৰৰ* সন্মুখৰ চোতালখন পৰিস্কাৰ কৰি ইকৰাৰ কুমলীয়া আগ কিছুমান আনি শাৰী শাৰীকৈ পুতি দিয়ে আৰু বনমলা পাতেৰে মালা গাঁঠি ইকৰাৰ গাত ওলোমাই দিয়া হয়। এটি বাঁহৰ চুঙাত মদ ভৰাই দুডাল বাঁহৰ ফেৰেঙণিৰ মাজত ৰাখে আৰু গোটেই বংশৰ খেতিৰ সঁজুলি, যেনে— নাঙল, যুঁৱলি ভালদৰে ধুই বৰঘৰলৈ আনে। এটা বাটিত পিঠাগুৰি অলপ পানীৰে গুলি লৈ বনমলা পাতেৰে এই বোৰৰ ওপৰত চটিয়াই দিয়া হয় আৰু ইয়াৰ পিছত পূজা আৰম্ভ কৰে। কোনো কোনো বংশত *বাঘৰাজ পূজা* কৰাও দেখা যায়। ইয়াৰ কাৰণ হৈছে লালুং মানুহৰ বিশ্বাস বাঘৰজাৰ নামত চৰাই নাকাটিলে বাঘে গৰু অনিষ্ট কৰে।[৪] উল্লেখযোগ্য যে তিৱাসকলে সকলোবোৰ পূজাতে কুকুৰা বলি দিয়ে। এই কুকুৰা চৰাইৰ দ্বাৰা অনাগত দিনৰ শুভা-শুভ নিৰ্ণয় কৰে। পূজা চলি থকা সময়তে ঘৰৰ গৃহিনী নাইবা আনলোকে লাও-বেঙেনা, থেকেৰা, হালধি সৰু সৰুকৈ কাটি তিনিডলীয়া বা সাতডলীয়া চাট সাজি সিয়াই লয় আৰু পটাত মাহ, হালধি পিচে। পঘা আৰু লাও-বেঙেনাৰ চাটকেইডাল তামোলৰ ঢকুৱাৰে মেৰিয়াই এডাল পঘাৰে ঢকুৱাৰ দুইমূৰে বান্ধি কান্ধত ওলোমাই ল'ব পৰা কৰি লয়। মিঠাতেল আৰু এলান্ধু এটি দোনাত মিহলি কৰি এটি ব-চুঙা বা কলৰ ঠাৰিৰে গোটেই গৰুবিলাকৰ গাত চাব দিয়ে আৰু মাহ-হালধি সানে। ইয়াৰ পিছত সকলোবোৰ বংশৰ লোকে এক হৈ গৰু গা-ধুৱাবলৈ যায়। কোনোবা ডেকাই ম'হৰ শিঙৰ পেঁপাৰে সকলোকে ডাক দিয়ে। লগে লগে গৰুবোৰ এৰি দিয়ে আৰু প্ৰত্যেক বংশৰ পৰাই এজনকৈ ঢুলীয়া-তালীয়া, পেঁপুৱৈ আহি লগলাগি পাতি ঢোলৰ চেৱে চেৱে নৃত্য-গীত কৰি গৰু গা-ধুৱাবলৈ লৈ যায়। যাওঁতে লগত একোপাত যাঠি আৰু কলৰ সৰু সৰু টুকুৰা কেইটামান লৈ যায়। ওচৰৰ কোনোবা এখন নৈ বা বিলত গৰু গা-ধোৱা হয়। গৰু গাত লাও-বেঙেনা, থেকেৰা মাৰে। ইজন গৰখীয়াই সিজন গৰখীয়াৰ সৈতে একোডালকৈ ন-পঘা আৰু লাও-বেঙেনাৰ চাট সলোৱা নিয়ম। উল্লেখযোগ্য যে এই লাও-বেঙেনাৰ চাট এডাল হ'লেও আনৰ পৰা সলাই আনি গোহালি ঘৰৰ চালত খুচি ৰাখিব লাগে। ঘৰৰ বিভিন্ন বেমাৰ-আজাৰত এই লাও-বেঙেনা ব্যৱহাৰ কৰিলে আৰোগ্য লাভ কৰিব পাৰি বুলি তিৱাসমাজত বিশ্বাস প্ৰচলিত আছে।

গৰু বিহুত গৰু গা-ধুৱাবলৈ নিওঁতে এচাৰি ব্যৱহাৰ নকৰে। তাৰ বিপৰীতে মাখিয়তি, দীঘলতি আৰু ভেটাই গছ ব্যৱহাৰ কৰে। তদুপৰি পদুলিৰ নঙলাত, গোহালি ঘৰত, তাঁতশালত, মাখিয়তি, নৰসিংহৰ পাত, ভেটাই গছ আদি একেলগে বান্ধি দিয়ে। পদুলিৰ মুখত আৰু গোহালিত তুঁহ গুৰি, খলিহৈ, বিহলঙনি আৰু নৰসিংহ আদিৰে জাগ দিয়া হয়। লগতে বাৰগমনা গছৰ সৰু ডাল এটা আৰু এডাল পুৰণা পঘা জাগটোৰ কাষতে পাৰি দিয়া হয়। কোনো অঞ্চলত সন্ধিয়া সময়তহে এই জাগ দিয়া ব্যৱস্থা কৰে।

গৰু গা-ধুৱাই উঠি সকলোৱে যাঠি খেল খেলে। লাও-বেঙেনা বান্ধি নিয়া তামোলৰ ঢকুৱা আৰু কলৰ টুকুৰাবিলাক একগোট কৰি অলপ দূৰৈত থৈ তাঁলৈ যাঠি দলিয়ায়। কোনো অঞ্চলত এডাল কলগছ পুতি তাক হানিবলৈ যত্ন কৰে আৰু কাৰ কিমান নিচান আছে পৰীক্ষা কৰে। ইয়াৰ মাজে মাজে ল'ৰাবোৰে *পাতিঢোল*

(১২ পৃষ্ঠাত চাওক)

# ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শংকৰদেৱ

ডঃ ৰামচন্দ্ৰ ডেকা

বহু হাজাৰ বছৰ ধৰি পৰম্পৰাগতভাৱে চলি অহা ভাৰতীয় সমাজব্যৱস্থাৰ বুৰঞ্জীত পঞ্চদশ শতিকাৰ আগৰ আৰু পিছৰ সময়ছোৱা অতি গুৰুত্বপূৰ্ণ। খ্ৰীষ্টীয় প্ৰায় চতুৰ্থ শতিকাৰ পৰাই ভক্তি ধৰ্মৰ উন্মেষ ঘটিবলৈ আৰম্ভ কৰিছিল আৰু নৱম শতিকা মানৰপৰা এই ভক্তিধৰ্মই এক আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰি সৰ্বগ্ৰাহী ৰূপ ধাৰণ কৰিছিল। এই ভক্তি আন্দোলনৰ সাৰ্বজনীনতাই ভাৰতীয় সমাজ ব্যৱস্থাৰ যুগান্তৰকাৰী আৰু অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰিছিল। যাৰ বাবে নেকি সমগ্ৰ ভাৰতবৰ্ষ জুৰি গঢ়ি উঠা এই ভক্তি আন্দোলনক ইউৰোপৰ ৰেঁনেচা বা নৱজাগৰণৰ লগত তুলনা কৰা হয়। এই ভক্তি আন্দোলনৰ ফলশ্ৰুতি হিচাপে বিকাশ লাভ কৰা বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা বিষ্ণু বৈদিক দেৱতা। বেদত তেওঁক সূৰ্যদেৱতাৰ এক মুখ্য অভিব্যক্তি হিচাপে বৰ্ণনা কৰা হৈছে। কালক্ৰমত এই বিষ্ণুৱেই সাত্বতসকলৰ বাসুদেৱ, পঞ্চৰাত্ৰসকলৰ নাৰায়ণ আৰু আভীৰসকলৰ গোপালকৃষ্ণৰ লগত সংপৃক্ত হৈ শ্ৰেষ্ঠ দেৱতা হিচাপে প্ৰতিষ্ঠিত হয়। এই বিষ্ণুৰ উপাসক ভক্তসকলকেই বৈষ্ণৱ বুলি কোৱা হয় আৰু এই ভক্তিধৰ্ম পন্থক কোৱা হৈছে বৈষ্ণৱ সম্প্ৰদায় বুলি। বৈষ্ণৱ জাগৰণৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় মধ্যযুগত ভাৰতীয় সমাজ ব্যৱস্থাৰ অভাৱনীয় পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হোৱা এই ভক্তি আন্দালনৰ আৰম্ভণি ঘটিছিল খ্ৰীষ্টিয় সপ্তম শতিকাতে। তামিল দেশৰ আলৱাৰ ভক্তসকলেই পোনপ্ৰথমে বৈষ্ণৱ ধৰ্মক অভিনৱভাৱে গণমানসত জনপ্ৰিয় কৰি তোলে। আলৱাৰসকলৰ শেষৰজন ভক্ত নাথমুনিৰ পিছত যমুনাচাৰ্য আৰু ৰামানুজাচাৰ্যৰ অবিৰ্ভাৱ হয়। এই ৰামানুজাচাৰ্যই ভক্তিৰ দাৰ্শনিক ভেটি স্থাপন কৰি শ্ৰীবৈষ্ণৱ সম্প্ৰদায়ৰ সৃষ্টি কৰে, লগে লগে ভক্তি অন্দোলনৰো সূত্ৰপাত ঘটে। ৰামানুজাচাৰ্যৰ সময় দ্বাদশ শতিকা নিৰ্ণয় কৰা হৈছে। ইয়াৰ পিছত ক্ৰমে নিম্বাৰ্কাচাৰ্য বা আনন্দগিৰিয়ে কৰ্ণাটক, গুজৰাটত আৰু জ্ঞানদেৱ, নামদেৱ আদিয়ে মহাৰাষ্ট্ৰত দ্বাদশ-ত্ৰয়োদশ শতিকাৰ ভিতৰত বৈষ্ণৱ ভক্তিধৰ্মক জনসাধাৰণৰ মাজত অতি জনপ্ৰিয় কৰি তোলে। দক্ষিণ-পশ্চিম ভাৰতত প্ৰসাৰ আৰু প্ৰতিপত্তি লাভ কৰাৰ পিছত চতুৰ্দশ-পঞ্চদশ শতিকাত উত্তৰ ভাৰতত এই বৈষ্ণৱ ভক্তিধৰ্মক বিশেষভাৱে জনপ্ৰিয় কৰি তোলে বৈষ্ণৱগুৰু ৰামানন্দই। তাৰ পিছত কবীৰ, বল্লভাচাৰ্য, দাদুদয়াল আদি বৈষ্ণৱ গুৰুৰ সহযোগে এই বৈষ্ণৱ জাগৰণক এক যুগান্তৰকাৰী আন্দোলনত পৰিণত কৰে।[১]

বৈষ্ণৱ গুৰু ৰামানন্দই দাক্ষিণাত্যৰ দ্ৰাৱিড়দেশৰ পৰা বৈষ্ণৱ ভক্তি পন্থ আনি উত্তৰ ভাৰতত প্ৰচাৰ কৰা সম্পৰ্কত হিন্দী প্ৰৱচন এফাঁকি এতিয়াও জনপ্ৰিয়-

*ভক্তি দ্ৰাবিড় উপজী*
*লায়া ৰামানন্দ*
*কবীৰনে প্ৰকট কিয়া*
*সপ্তদ্বীপ নৌখণ্ড।।*

সমগ্ৰ ভাৰতবৰ্ষ প্লাৱিত কৰা এই বৈষ্ণৱ ভক্তি আন্দোলন অসমলৈয়ো প্ৰৱাহিত হৈছিল আৰু ইয়াৰ গুৰি ধৰিছিল অসমৰ দুজনা গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেৰাৰ প্ৰিয়তম শিষ্য গুৰুপ্ৰাণ মহাপুৰুষ মাধৱদেৱে। মহাপুৰুষ শঙ্কৰদেৱে ভক্তি ধৰ্ম প্ৰচাৰ কৰাৰ আগৰে পৰা প্ৰাচীন কামৰূপত বৈষ্ণৱ ধৰ্মৰ ক্ষীণ সুঁতি এটি যে প্ৰৱাহিত হৈ আছিল সেই কথা বিভিন্ন সাক্ষ্যই প্ৰতিপন্ন কৰিছে। বিশেষকৈ শঙ্কৰদেৱৰ অগ্ৰজ অসমীয়া কবি হেম সৰস্বতী, মাধৱ কন্দলি আদিৰ ৰচনাত বৈষ্ণৱ চিন্তাধাৰাৰ প্ৰভাৱ অতি স্পষ্ট। শংকৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰচাৰিত একশৰণ ভক্তি ধৰ্মৰ সৰ্বভাৰতীয় বৈষ্ণৱ ভক্তিধাৰাৰ লগত অনেক সাদৃশ্য আছে। শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ ভক্তিধৰ্মৰ মূল কথাখিনি তলত দিয়া ধৰণে চমুকৈ দাঙি ধৰিব পাৰি।

ক) এই ভক্তিমাৰ্গ কৃষ্ণভক্তি প্ৰধান। ভাগৱত পুৰাণ আৰু গীতা এই ভক্তিমাৰ্গৰ মুখ্য ধৰ্মশাস্ত্ৰ।

*শাস্ত্ৰৰ উত্তম গীতা ভাগৱত*
*ধৰ্মৰ উত্তম নাম।*
*দেৱৰ উত্তম দৈৱকী নন্দন*
*চৰণে কৰো প্ৰণাম।।*

খ) শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন বন্দন, পদসেৱন, দাস্য, সখ্য আৰু দেহ অৰ্পণ- এই নৱবিধ ভক্তি ধৰ্মৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তনৰ জৰিয়তে ভগৱানৰ উপাসনাৰ ওপৰত গুৰুত্ব আৰোপ।

গ) অন্য দেৱ-দেৱীৰ উপাসনা ত্যাগপূৰ্বক অব্যভিচাৰী ভক্তিৰ জৰিয়তে কৃষ্ণত শৰণ বা আশ্ৰয় গ্ৰহণ।

ঘ) যাগ-যজ্ঞ, তপস্যা, ব্ৰত, হোম আদি কষ্টসাধ্য আৰু ক্ৰিয়াবহুল উপাসনাৰ সলনি কৃষ্ণ নাম শ্ৰৱণ-কীৰ্তনৰ সহজসাধ্য উপাসনা পদ্ধতিৰ প্ৰচলন।

ঙ) ভক্তি প্ৰাপ্তিৰ বাবে গুৰু আৰু সৎসংগৰ পৰম মংগলময় প্ৰভাৱৰ প্ৰয়োজন।

চ) অহিংসা, প্ৰেম, দয়া, মানৱতা আদি সৎ প্ৰবৃত্তিৰ নিৰন্তৰ কৰ্ষণৰ ওপৰত গুৰুত্ব আৰোপ।

ছ) ভক্তি মাৰ্গত ব্ৰাহ্মণ-চণ্ডাল আদি জাত-বিচাৰৰ অসাৰ্থকতা আৰু জাতি, বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ভক্তিৰ অধিকাৰ।

**শঙ্কৰদেৱৰ বিশিষ্টতা ঃ** ভাৰতীয় সমাজ সংস্কৃতিক এক নতুন ৰূপত গঢ় দিয়া এই মধ্যযুগীয় বৈষ্ণৱ ভক্তি আন্দোলনৰ সৈতে অনেক ক্ষেত্ৰত শংকৰদেৱৰ আধ্যাত্মিক চিন্তা আৰু জীৱন পৰিক্ৰমাৰ সাদৃশ্য আছে। আনহাতে ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ বৈষ্ণৱ গুৰুসকলে প্ৰচাৰ কৰ বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা, উপাসনা পদ্ধতি আদিৰ সৈতেও শঙ্কৰদেৱে প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰা 'একশৰণ নামধৰ্ম'ৰ অনেক সাদৃশ্য বিহংগম দৃষ্টিত ধৰা পৰে। কিন্তু অলপ সূক্ষ্মদৃষ্টিৰে শংকৰদেৱৰ আধ্যাত্মিক অৱদানৰ আঁত বিচাৰি গ'লে আৰু মধ্যযুগীয় ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা আন আন বৈষ্ণৱ গুৰুসকলৰ দৰ্শন আৰু উপাসনা পদ্ধতিৰ সৈতে তুলনা কৰিলে শঙ্কৰদেৱৰ বিশিষ্টতাৰ অনেক দিশ উন্মোচিত হয়।

শঙ্কৰদেৱৰ অৱদানৰ মূল্যায়ন সন্দৰ্ভত লক্ষ্মীনাথ বেজবৰুৱা, কালিৰাম মেধি, ডঃ বাণীকান্ত কাকতি, হৰি নাৰায়ণ দত্তবৰুৱা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, তীৰ্থনাথ শৰ্মা, ডিম্বেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, ডঃ উপেন্দ্ৰ নাথ গোস্বামী, আচাৰ্য ইলাৰাম দাস, মেদিনী চৌধুৰী প্ৰমুখ্যে অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ অধ্যেতা প্ৰতিভাধৰ পণ্ডিতসকলে তেওঁলোকৰ ৰচনাৱলীৰ মাজেৰে অনেক মূল্যৱান মতামত আগবঢ়াই থৈ গৈছে। তদুপৰি সাম্প্ৰতিক সময়তো শঙ্কৰদেৱৰ বহুমুখী অৱদানৰ বিভিন্ন দিশৰ আলোচনা অব্যাহত আছে। এনে ক্ষেত্ৰত শঙ্কৰদেৱৰ আধ্যাত্মিক অৱদানৰ মূল্যায়ন প্ৰসংগত আউল লগোৱা 'শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্ম' আৰু 'শঙ্কৰদেৱে গ্ৰহণ কৰা দৰ্শন' সম্পৰ্কত এগৰাকী জিজ্ঞাসু গৱেষকৰ একেবাৰে সৰল ৰূপত দাঙি ধৰা মতামত উদ্ধৃত কৰাৰ প্ৰয়োজন অনুভৱ কৰিলোঁ —

"... ... শঙ্কৰদেৱৰ দৰ্শন বৈষ্ণৱ দৰ্শন নহয়; একশৰণ দৰ্শনহে। সেয়ে শঙ্কৰদেৱৰ ধৰ্মৰ নাম বৈষ্ণৱ ধৰ্ম বা নৱ বৈষ্ণৱ ধৰ্ম নহয়; ই হ'ল ভাগৱতকেন্দ্ৰিক একশৰণ ধৰ্মহে। এই অৰ্থত শঙ্কৰদেৱৰ অনুগামীসকলক বৈষ্ণৱ বুলি নকয়, কাৰণ বৈষ্ণৱসকলে বেদ আৰু শ্ৰুতি মানে; কিন্তু শঙ্কৰীসকলে শৰণ ভজনতহে গুৰুত্ব দিয়ে। এওঁলোকৰ ধৰ্ম সাধনাত ভক্তিবাদে গুৰুত্ব পায়। সেই বাবেই শঙ্কৰদেৱৰ অনুগামীসকলক ভকত বুলি কোৱা হয়। বৈষ্ণৱ আৰু ভকত, ভক্তিমাৰ্গ আৰু জ্ঞানমাৰ্গ, নামযোগ আৰু কৰ্মযোগ, আগম আৰু নিগম আদিৰ পাৰ্থক্য নাজানিলে শঙ্কৰদেৱ চৰ্চাত বিজুতি ঘটে।"[২]

সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ আলোচনা প্ৰসংগত এই আন্দোলনক 'নৱবৈষ্ণৱ ভক্তি আন্দোলন' বুলি অভিহিত কৰা হৈছে আৰু এই নামকৰণে সমগ্ৰ বিষয়টো সামৰি লোৱাৰ বাবেই সকলোৱে তাক গ্ৰহণো কৰিছে। সেয়ে অসমৰ ভক্তি আন্দোলনৰ প্ৰসংগতো শঙ্কৰদেৱ-মাধৱদেৱে গুৰি ধৰা আন্দোলনটোক 'নৱবৈষ্ণৱ ভক্তি আন্দোলন' বুলি নামকৰণ কৰি এই আন্দোলনে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ মূল্যায়ন কৰা হয়। কিন্তু এই প্ৰসংগৰ আলোচনাত অৱধাৰিতভাৱেই শঙ্কৰদেৱে প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰা ধৰ্মৰ আলোচনাও আহি পৰাত ধৰ্মটোকো অজ্ঞাত বা অনিচ্ছাকৃতভাৱে আৰু কেতিয়াবা জ্ঞাত বা ইচ্ছাকৃতভাৱে 'নৱবৈষ্ণৱ ধৰ্ম' বুলি ক'বলৈ আৰু লিখিবলৈ লোৱা হ'ল। ফলস্বৰূপে সৰ্বভাৰতীয় নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ সৈতে জড়িত হৈ একেৰাহে বাৰ বছৰ ধৰি এই নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ উৎসভূমি উত্তৰ ভাৰতৰ বিভিন্ন তীৰ্থক্ষেত্ৰ ভ্ৰমণৰ অভিজ্ঞতা আৰু অনেক শাস্ত্ৰ অধ্যয়নৰ প্ৰজ্ঞাৰে পুষ্ট শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ নামধৰ্মক আন্দোলনটোৰ নামেৰেই 'নৱবৈষ্ণৱ ধৰ্ম' বুলি অভিহিত কৰাৰ প্ৰয়াস কৰা হ'ল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ অনেক মহামূল্যৱান বিদ্যায়তনিক কৰ্ম-সাধন কৰোঁতা প্ৰজ্ঞাৱাৰিধি পণ্ডিত ডক্টৰ মহেশ্বৰ নেওগৰ দৰে বিদ্বানপুৰুষেও শঙ্কৰদেৱৰ ধৰ্মক 'নৱবৈষ্ণৱ ধৰ্ম' বুলি প্ৰতিপন্ন কৰিব বিচাৰিছিল।[৩] ফলস্বৰূপে সৰ্বসাধাৰণেও শঙ্কৰদেৱৰ ধৰ্মক নৱবৈষ্ণৱ ধৰ্ম বুলি লিখিবলৈ আৰু ক'বলৈ ধৰাত শঙ্কৰদেৱৰ ধৰ্মক প্ৰকৃত নামকৰণেৰে চিহ্নিত কৰাৰ ক্ষেত্ৰত বিভ্ৰাট সৃষ্টি হ'ল। আনকি সৰ্বভাৰতীয় নৱবৈষ্ণৱ আন্দোলনৰ পটভূমিত শঙ্কৰদেৱৰ একশৰণ ভক্তিধৰ্ম কি দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত তাৰ বিচাৰ কৰিবলৈ গৈ অদ্বৈতবাদ, দ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, শুদ্ধাদ্বৈতবাদ আদিৰ আলোচনাৰে শঙ্কৰদেৱক কেতিয়াবা অদ্বৈতবাদী, কেতিয়াবা বিশিষ্টাদ্বৈতবাদী বুলি প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসৰ ফলস্বৰূপে শঙ্কৰদেৱৰ 'একশৰণবাদ'ৰ আলোচনা তল পৰি ৰ'ল।

**শঙ্কৰদেৱৰ একশৰণ ধৰ্মৰ দৰ্শন ঃ** মহাপুৰুষ শংকৰদেৱে প্ৰচাৰ কৰা একশৰণ নাম ধৰ্মক 'ভাগৱতী ধৰ্ম' বুলিও কোৱা হয়। ভাগৱত পুৰাণৰ ওপৰত আধাৰিত বাবেই 'ভাগৱতী ধৰ্ম' বুলি কোৱা হৈছে। সেয়ে শঙ্কৰদেৱৰ ৰচনাৱলীত ভাগৱত পুৰাণৰ প্ৰভাৱ অতি স্পষ্ট। এই ক্ষেত্ৰত শ্ৰীধৰস্বামীকৃত *ভাগৱত ভাবাৰ্থ দীপিকা* নামৰ ভাগৱত পুৰাণৰ টীকা গ্ৰন্থখনিয়ে দুয়োজনকে বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। ভাগৱতৰ দাৰ্শনিক চিন্তাধাৰা সেয়ে শঙ্কৰদেৱৰ ৰচনাৱলীৰ মাজেৰে প্ৰকাশিত হৈছে।

ভাৰতীয় দৰ্শনসমূহক সাধাৰণতে দুটা ভাগত ভাগ কৰি আলোচনা কৰা হয়। আস্তিক দৰ্শন আৰু নাস্তিক দৰ্শন। এনেয়ে যদিও আস্তিক মানে ঈশ্বৰবিশ্বাসী আৰু নাস্তিক মানে ঈশ্বৰ বিশ্বাস নকৰা অৰ্থ আমাৰ মনলৈ আহে, দৰ্শনৰ আলোচনাত কিন্তু এই অৰ্থ প্ৰযোজ্য নহয়।

"The systems of thought which admit the validity of Vedas are called astika and those which repudiate it nastika. The astika or nastika character of a system does not depend on its positive or negative conclusions regarding the nature of the supereme spirit, but on the acceptance of the authority of vedas."[৩]

আস্তিক দৰ্শনকেই বৈদিক দৰ্শন বুলি কোৱা হয়। ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত দৰ্শনক আস্তিক দৰ্শনৰ ভিতৰত ধৰা হৈছে। একেলগে এই ছয় প্ৰকাৰ দৰ্শনক ষড়-দৰ্শন বোলা হয়। কিন্তু মন কৰিবলগীয়া কথা যে, বেদ বিৰোধী নহয় যদিও ন্যায়, বৈশেষিক, সাংখ্য আৰু যোগ দৰ্শনৰ উৎপত্তি বৈদিক বিচাৰৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

মীমাংসা আৰু বেদান্ত দৰ্শন সম্পূৰ্ণৰূপে বৈদিক বিচাৰৰ ওপৰত প্ৰতিষ্ঠিত। বেদৰ পৰিণতি হিচাপে বেদান্তক 'উত্তৰ মীমাংসা'ও বোলা হয়।

'বেদান্ত বা বেদান্ত দৰ্শন' বুলিলে উপনিষদৰ সাধাৰণতে অসংবদ্ধ আৰু দ্বিতীয়তে বাদৰায়ণ ঋষিৰ সু-সংবদ্ধ ব্ৰহ্মসূত্ৰসমূহক বুজায়। বেদৰ পৰাই ক্ৰমে ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ জন্ম। উপনিষদৰ চৰম প্ৰতিপাদ্য পৰম ব্ৰহ্মৰ উপাস্যতা। উপনিষদৰ এই প্ৰতিপাদ্যকে বাদৰায়ণ ব্যাসে ষড় দৰ্শনৰ শেষ উত্তৰ মীমাংসা, ব্ৰহ্মসূত্ৰ, বেদান্ত সূত্ৰ শাৰীৰিক বা বাদৰায়ণৰ সূত্ৰৰ সত্ৰসমূহ প্ৰতিষ্ঠা কৰিছে।"[৪]

বেদান্ত দৰ্শনৰ আকৌ বহুতো সম্প্ৰদায় আছে। সেইবিলাকৰ ভিতৰত কেইবিধমান মুখ্য সম্প্ৰদায় হ'ল শঙ্কৰাচাৰ্যৰ অদ্বৈত, ৰামানুজাচাৰ্যৰ বিশিষ্টাদ্বৈত বেদান্ত আৰু তাৰ পৰৱৰ্তী কালৰ মাধৱৰ দ্বৈত বেদান্ত, নিম্বাৰ্কৰ দ্বৈতাদ্বৈত বেদান্ত, বল্লভাচাৰ্যৰ শুদ্ধাদ্বৈত, বলদেৱৰ অচিন্ত ভেদাভেদ আদি।

মহাপুৰুষ শঙ্কৰদেৱে আগতে উল্লেখ কৰা আচাৰ্যসকলৰ দৰে বেদান্ত সূত্ৰৰ কোনো ভাষ্য ৰচনা কৰা নাছিল। ভাগৱত পুৰাণখনকেই বেদান্ত-ভাষ্যৰ সমকক্ষ বুলি বিবেচনা কৰিছিল।

*(১১ পৃষ্ঠাত চাওক)*

মণিকাঞ্চন

# সম্পাদকীয়

// উনবিংশ বছৰ ঃ পঞ্চম সংখ্যা ঃ গুৱাহাটী ঃ এপ্ৰিল ২০১৪ চন — ৫৬৫

আকৌ ব'হাগ আহিল। বছৰেকত এবাৰ ব'হাগ আহিবই। ব'হাগ মানেই মহাবিষুৱ সংক্ৰান্তি। এই ব'হাগতে গছ-বিৰিখে মোট সলায়। চৰাই-চিৰিকতিয়ে নতুন ডাল-পাতত পৰি নতুন গীত গায়।সদায়ে গায়, কিন্তু ব'হাগৰ গীত সুকীয়া; মিঠা, শুৱলা, মন-প্ৰাণ জুৰোৱা। বিজুলী ঢেৰেকণীৰে বৰদৈচিলা আহে। পথাৰ জীপাল হয়। ধৰিত্ৰী শস্য সম্ভৱা হ'ব পৰাৰ ইংগিত দিয়ে। কোনোৱে ভঠেলি পাতে। ধৰিত্ৰী আই আৰু আকাশ দেৱতাৰ যৌন মিলন ঘটাবলৈ 'পাৰ বাঁহ' পোতে। পথাৰত পানী পৰিল মানেই খেতিত নামিবৰ হ'ল। গ্ৰাম্য জীৱনৰ জীয়াই থকাৰ প্ৰেৰণাই হ'ল খেতি। খেতি বোলোতে গৰুহাল, গোহালি ভৰা গৰুৰে গৃহস্থী জীৱনৰ ভৰপূৰ গৌৰৱ। গৰুক নতুন পঘা দি আদৰিব। লাউ-বেঙেনা খুৱাই ভৱিষ্যতৰ বংশ বৃদ্ধি কামনা কৰিব। মানুহেও গামোচা ল'ব। মৰম-চেনেহ যাচিব, জ্যেষ্ঠজনক সন্মান জনাব। সাতদিনলৈ বিহু পাতিব। চেৰা বিহুৰ দিনাৰ পৰা মূল বিহু শেষ কৰিব। ডেকা-গাভৰুৱে মিলি মুকলি পথাৰত, আঁহতৰ তলত পোনতে বিহু পাতিছিল; কোনোৱে জেং বিহু— ৰাতি বিহুও পাতিছিল। ঢোল-টকা-গগনাৰ মাতত চেনায়ে 'উজুতিত ভাঙি যাও যঁতৰ'— বুলি বিহু পথাৰলৈ দৌৰিছিল। হিয়া উজাৰি গাইছিল নাচিছিল আৰু অনেকে মনে মিলাজনৰ লগত গৈ ঘৰসংসাৰ পাতিছিল।

সেইদিন আজি আৰু নাই। অসমীয়াৰ বিহু আছিল ভোগ মনৰ ভোগথলী ৰঙাইৰ ৰংচ'ৰা। অসমীয়া জাতীয় জীৱনত সেই ভোগথলী বিচাৰি পাবলৈয়ো নাই অথবা ৰঙত উতলা ৰঙাইৰ ৰঙৰ পথাৰখনো নাই। পথাৰৰ বিহু আজি বহুতো পৰিৱৰ্তন পৰিবৰ্দ্ধনৰ মাজেৰে সৰকি ৰংচঙীয়া মঞ্চৰ মাজত সোমাই পৰিল। আজি বিহু কুঁৱৰী হ'ল— বিহুৰাণী, বিহু সম্ৰাজ্ঞী হ'ল আৰু বহুতো হ'ল; কিন্তু পোনৰ যিটো উৎসাহ-আনন্দ সি বোধহয় প্ৰতিযোগিতাবোৰ মাজতে চেপা খাই ৰ'ল। তথাপি বিহু আছে আৰু বিহু থাকিবও। কিন্তু অনেকে ভবাৰ দৰে বিহু ক'ৰপৰা ক'লৈ যায় তাকহে কোৱা টান যেন লাগিছে। কিয়নো বিহু আজি 'বিগ বাজেট'ৰ বস্তু হৈ পৰা যেন অনুভৱ হৈছে। 'বিগ বাজেটে'ৰে অসমীয়াসকলে ভৱিষ্যতে বিহু পাতিব পাৰিবনে নাই সেয়াহে ডাঙৰ কথা। পিছে এটা কথা সঁচা— সমাজ পৰিৱৰ্তন হ'বই। কোনোবাই বিচাৰক নিবিচাৰক সমাজৰ পৰিৱৰ্তন হ'বই হ'ব। কিন্তু সেই পৰিৱৰ্তন কেনেকৈ হয় সেয়াহে লক্ষণীয় কথা হ'ব।

বৈষ্ণৱ যুগত অৰ্থাৎ শঙ্কৰদেৱৰ সময় আৰু তাৰ পৰৱৰ্তী কালতো বিহুৰে পৰিৱৰ্তনৰ নামত বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ বোকোচাত বৈ আনিছে, হুঁচৰি গাওঁতে ওলাল—

"কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি/ নিয়ৰ পাই মুকলি হ'ল ঐ/ গোবিন্দাই ৰাম।"

সিদিনাখন কথা প্ৰসঙ্গত এজনে বিহুগীত এফাকি গাই ঘপহকৈ সুধিলে এই সুৰটো গুৰুজনাই বিহুগীতৰ পৰা নিলে নে বিহুৱাই গুৰুজনাৰ কীৰ্ত্তনৰ সুৰ আনি বিহুগীত গালে? এফাকি দুফাকিকৈ কেবাফাকিতো শঙ্কৰদেৱৰ কীৰ্ত্তন, বৰগীত, ঘোষা আদিৰ গোৱা সুৰৰ প্ৰাধান্য।

মূল কথা কিন্তু পৰিৱৰ্তন, নতুনৰ সংযোজন। নতুন উদ্ভাৱনী চিন্তাইহে কোনো এটা আদৰ্শ অথবা দৰ্শনৰ গ্ৰহণযোগ্যতা বঢ়াব পাৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাত ক'বলৈ গ'লে ৰূপন্তৰেহে জগৎ ধুনীয়া কৰে। কাৰণ ভাষা-সাহিত্য-সংস্কৃতি জীৱনবোধ— এই সকলোবোৰ গতিশীল। গতিশীলতা ৰুদ্ধ হ'লে তাৰ মৃত্যুও ঘটিব। সময় আৰু সমাজৰ প্ৰয়োজন অনুসৰি আমাৰ জীৱনবোধ বা চিন্তন মননৰো পৰিৱৰ্তন ঘটিব লাগিব। ব'হাগত যিদৰে প্ৰতি বছৰেই নতুনকৈ পাত ধৰে, ফুল ফুলে সেইদৰে সমাজ ঋতুৰ পৰিৱৰ্তনৰ লগতো আমাৰ চিন্তন মননৰ পৰিৱৰ্তন ঘটিব লাগিব; নহ'লে আজিৰ সময়ৰ আৰু সমাজৰ প্ৰজন্মই আমাৰ আদৰ্শ গ্ৰহণ নকৰিবও পাৰে। পৰিৱৰ্তন মানেই মূলক বাদ দি আনৰ পৰা ধাৰ কৰা নীতি আদৰ্শক নুবুজায়, সেয়া হ'বও নোৱাৰে। আনক নকল কৰিবলৈ গ'লে আমি ভুচুং পহুহে হ'ম। কাৰোবাক দেখি আমিও ইয়াতে কোনো দিনেই নোহোৱা-নোপোজা বিলাহী দলিওৱা নাচ নাচিলে সি ম'ৰাক দেখি ঘৰচিৰিকাই পেখম ধৰাহে হ'ব। আমাৰ চিন্তা-চৰ্চাৰ পৰিৱৰ্তন কিন্তু হ'বই লাগিব, সেয়া মূলানুগতভাৱে সমাজৰ মঙ্গলৰ বাবে।

লোককথাৰ পৰাই ইয়াৰ উমান ল'ব পাৰি। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত এটি সাধু আছে 'এজনী মালিনী আৰু এজোপা ফুল' সাধুটোৰ আৰম্ভণি এনেধৰণৰ—

এক মালিনী আছিল, তাই বৰ যতনকৈ এজোপা ফুলগছ ৰুইছিল। তাই সেই ফুলজোপা দিনৌ ইমান পতি কৰে, তথাপি তাত ফুল নুফুলে। সেইদেখি এদিন তাই ফুল গছজোপাক সুধিলে— "অ' গছ, অ' গছ, ফুল নুফুল কিয়? গছে উত্তৰ দিলে— "মই যে ফুলিব লাগে, গৰুৱেনো মোৰ আগ খায় কিয়?" ফুল নুফুলাৰ কাৰণ হ'ল গৰুৱে ফুলগছৰ আগবোৰ খায় পেলায়। তেতিয়া মালিনীজনীয়ে প্ৰথমতে গৰুৱে কিয় ফুলগছৰ আগ খায় সুধিছে, তাৰ পাছত ক্ৰমান্বয়ে গৰখীয়া, ৰান্ধনী, খৰীয়া (খৰিকটীয়া), কমাৰ, এঙাৰীয়া. মেঘ আৰু সদৌ শেষত ভেকুলীক প্ৰশ্ন কৰিছে। মালিনী— অ' ভেকুলী, অ' ভেকুলী, টোৰ্টোৰাৰ কিয়? ভেকুলীয়ে উত্তৰ দিছে— বাপা ককাৰ ৰীতিটো মই এৰিম বা কিয়?

এই সাধুটো নজনা বা নুশুনা মানুহ বা শিশু অসমীয়া সমাজত নাই। উপৰুৱাকৈ চালে এইটো শিশুৰ মন ভুলোৱা সাধু। কিন্তু সমাজ পৰিৱৰ্তনৰ লগত ইয়াৰ এক নিবিড় সম্পৰ্ক থকাতো স্পষ্টভাৱে ওলাই পৰে। মন কৰিবলগীয়া কথা মালিনীয়ে বৰ হেপাহেৰে ফুলগছ এজোপা ৰুইছে; তাইৰ আশা গছজোপাত জকমককৈ ফুল ফুলি উঠিব। ফুলৰ সুগন্ধই সকলোতে সৌৰভ বিলাব। কিন্তু মালিনীৰ সেই আশা পূৰ্ণ নহ'ল— একমাত্ৰ ভেকুলীৰ টোৰ্টোৰণিৰ বাবে আৰু ভেকুলীয়ে সেই টোৰটোৰণি এৰা নাই, বোপা ককাৰ দিনৰ পৰা চলি অহা পৰম্পৰাগত ৰীতি হিচাপে গোটেই সাধুটোৰেই এটি সুন্দৰ ৰূপক।

গছত ফুল ফুলা মানেই সমাজৰ বিকাশ আৰু উন্নতি হোৱাৰ ইংগিত। কিন্তু গছত ফুল ফুলা নাই আৰু তাৰ গুৰি কাৰণ হ'ল 'বোপা ককাৰ সজ', 'বোপা ককাৰ ৰীতি'। বোপা ককাৰ আওপুৰণি ৰীতিতে খামোচ মাৰি ধৰি থাকিলে সমাজৰ বিকাশ, উন্নতি আৰু প্ৰগতি অসম্ভৱ। ৰূপান্তৰ নহ'লে বিকাশ নহয়।

অসমৰ সমাজ জীৱনৰ বিকাশ আৰু প্ৰগতিৰ লগতো এই ৰূপান্তৰৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। অসমীয়া সমাজ জীৱনৰ বৃহৎ পৰিৱৰ্তন সংঘটিত হৈছিল মহাপুৰুষ শঙ্কৰদেৱৰ দিনত। অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ধৰ্মৰ নামত চলা নানান ব্যভিচাৰে অসমৰ সমাজ জীৱন চানি ধৰিছিল। সেইখিনি সময়ৰ ধৰ্ম আছিল ব্যক্তিগত আকাংক্ষা পূৰণসৰ্বস্ব। ব্যক্তিগত সিদ্ধি লাভৰ বাবে মূৰ্তিৰ সাজি তাতেই আৰাধ্য দেৱী বা দেৱতাক শক্তিৰ প্ৰতীক স্বৰূপে আৰোপ কৰি সেই মূৰ্তিকে পূজা সেৱা কৰিছিল। মূৰ্তিৰ সন্মুখত হোম-যাগ-যজ্ঞ পাতি দেৱী-দেৱতাক সন্তুষ্ট কৰাৰ প্ৰয়াস কৰি নিজৰ হিত বা মঙ্গলৰ অৰ্থে নানান জীৱ-জন্তু, পশুপক্ষী বলি দিয়াৰ উপৰি নৰবলি পৰ্যন্ত চলিছিল। এনে পৰিস্থিতিৰ পৰা সাধাৰণ লোকক উদ্ধাৰ কৰিবলৈ, বহুত্বৰ পৰা একৰ সন্ধান দি অসত্যৰ পৰা সত্যৰ পথ দেখুৱাবলৈ মহাপুৰুষজনাই গাৰ্হস্থ্য জীৱন ত্যাগ নকৰাকৈ সূচিতা আৰু সততাৰে ধৰ্মীয় জীৱন-যাপন কৰিব পৰা পথৰ সন্ধান দিলে। বেদান্তৰ অব্যক্ত ঈশ্বৰৰ জ্ঞানমাৰ্গী জটিল তত্বলৈ নগৈ শঙ্কৰদেৱে ভক্তিমাৰ্গৰ মাজেৰে ভগৱন্ত বিষ্ণু কৃষ্ণক উপলব্ধি কৰাৰ পথৰ সন্ধান দিলে। বেদান্তৰ ব্ৰহ্মোপলব্ধিক ভক্তিৰ সৰলতাৰে কোমলাই ভক্তিৰসৰ মাজেদি পৰমব্ৰহ্মৰ স্বৰূপ ব্যাখ্যা কৰিলে।

গতিকে বিহুত প্ৰকৃতিয়ে ন ৰূপ লোৱাৰ দৰে আজিৰ অসমীয়া সমাজেও গুৰুজনাই দেখুৱাই থৈ যোৱা সেই ৰূপান্তৰৰ পথেৰে আগুৱাৰ দ্বিতীয় বিকল্প নাই— অন্ততঃ বৰ্তমান সমাজৰ পৰিপ্ৰেক্ষিতত। বিহুৰ বতৰত আমি তাকেই আশা কৰিলোঁ।❑

## পদাধিকাৰৰ কলম ।। ৰজনীকান্ত দত্ত।।

# ব'হাগৰ বতৰা

প্ৰিয় সঙ্গী আই-বাপসকল!

চ'তৰ বিহুলৈ ছমাহ থাকোতেই হাত মেলি মেলি নচা আমি অসমীয়া।



চ'তৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপে কঢ়িয়াই আনে আমাৰ বাবে আশাৰ বতৰা। ৰঙিলী আহিব, পখিলী আহিব; প্ৰাণচঞ্চল, উদ্দাম উন্মাদনা, সৌন্দৰ্যৰে ভৰা দেহ-মন লৈ। সিহঁতৰ দেহেই কেৱল ব'হাগী নহয়, মনো ব'হাগী, ৰং ৰূপেৰে চপচপীয়া। নেঘেৰি খোপাত গুজি ল'ব কপৌফুল, চকুত বিজুলী চমক, ডালিমগুটীয়া দাঁত, হাতত জেতুকাৰ বোল, ওঁঠত জগত জিনা মিঠা হাঁহি। হাতত গামখাৰু, ডিঙিত গলপতা, কাণত কাণ ফুলি, খামুচীয়া লাহি কঁকাল, নাচোনত চেৰেকীৰ পাক।

গছ বিৰিখত কুঁহিপাত , বতাহৰ জিৰ্‌জিৰ্ ধ্বনি। নদীৰ গতিত সুললিত ছন্দ, পাৰত কঁহুৱাৰ মৃদু মধুৰ কম্পন। গছৰ ডালত কুলি কেতেকীৰ মনমোহা সুস্বৰ, বিহুৱতী চৰাইৰ বিহুবলীয়া সুললিত স্বৰধ্বনি।

আকাশত মেঘৰ গম্ভীৰ ধ্বনিত ধ্বনিত হয় ঢোলৰ চাপৰ, বিজুলীৰ চমকত তিৰ্‌বিৰণি উঠে, নাচনীহঁতৰ মনৰ বিজুলী। প্ৰকৃতিয়ে লহৰে লহৰে যেন পেপাৰ 'তি-হি-তি তল ল' ধ্বনিৰে ধ্বনিত কৰিছে; গগনাৰ সুৰ ধ্বনিৰে জগতখনকে উতলা কৰিছে।

গছে পাতে নতুনৰ আবাহনী মন্ত্ৰ। বৰদৈচিলা উভতি যোৱাৰ পৰ এয়া, মাকৰ ঘৰলৈ যাব। লগত যাব সৰুদৈচিলা। কিমান আশা, কিমান ভাৰষা ঃ সীমাহীন।

'কৈনোকৈ থাকিলে ওৰকে নপৰা' এই ব'হাগ। সঁচা, ব'হাগ কেৱল এটি মাহ নহয়। এই ব'হাগ অসম অসমীয়াৰ হিয়াৰ আমঠু। এই ব'হাগ অসমীয়াৰ জীৱন স্পন্দন। এই ব'হাগে আমাক প্ৰাণ দিছে। জীৱন জীয়াৰ স্বপ্নাতুৰ আৱেশ দিছে। সপোন ভৰা বাস্তৱৰ নিত্য নতুন গতি আনে এই ব'হাগে।

বৰাক-ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ ওপচাই প্ৰেম-মৈত্ৰীৰ এনাজৰীৰে সম্প্ৰীতিৰ সাঁকো বান্ধে এই ব'হাগে। আমি এক হওঁ— আমাৰ তন-মন জীপাল হয়, ব'হাগৰ প্ৰতিটো খোজত।

বকুল বৰা ধানৰ চিৰা, তিলপিঠা, তেলপিঠা, ঘিলাপিঠা, সান্দহ, হুৰুম, আখৈ, দোৱা-ভজা কোমল চাউল, জহা-বৰা, চকোৱা কিমান যে বিধে বিধে খাদ্য সম্ভাৰেৰে পৰিপূৰ্ণ আমাৰ ঘৰবোৰ। আমাৰ আইসকল, বাই-ভনীসকল অতিথি আপ্যায়নৰ বাবে সদায় সাজু। সেৱাৰ বাবে সততে প্ৰস্তুত।

চৌদিশে নতুনৰ ঢল, নতুনৰ প্লাৱন।

ব'হাগ মানে নতুনৰ আদৰণি।।

ব'হাগ মানে এটা নতুন বছৰৰ যাত্ৰাৰম্ভ। ফুলে-ফলে, গীতে-মাতে, নাচে-গানে, চাল-চলনে সকলোতে নতুনৰ মাত্ৰা। পুৰণা সাজ-সজ্জা গছ-বিৰিখেই সলোৱা নাই— আবাল-বৃদ্ধ-বণিতা সকলোৱে নতুন পোছাক পিন্ধি সাজু হৈছে নতুন বছৰৰ নতুন দিনবোৰলৈ। পদুলিৰপৰা বৰঘৰ-মাৰলঘৰলৈকে সকলোতে ৰূপসজ্জাৰে সজাই তোলাৰ প্ৰয়াস কৰা হৈছে এই ব'হাগতে। আনকি অসমৰ পোহনীয়া গৰু-ম'হ-ছাগলী কেইটাকো একোডাল নতুন পঘাৰে আদৰণি জনোৱা হৈছে। এয়া সুন্দৰৰ সেৱা, সত্য -সুন্দৰৰ পূজা।

কিন্তু!

সেই দিনবোৰ যেন আজি নোহোৱা হ'বৰ হ'ল। সেই

(১০ পৃষ্ঠাত চাওক)

# শঙ্কৰদেৱৰ ভক্তিধৰ্মত মানৱতাবাদ

ড° পাৰুল চৌধুৰী

ভাৰতৰ সকলোবোৰ পুৰণি ধৰ্মৰ ভিতৰত ভক্তিধৰ্ম বা বৈষ্ণৱ ধৰ্মও অন্যতম এক বিশিষ্ট ধৰ্ম। মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ সৈতে ধৰ্মৰ উৎপত্তি বা উত্থানৰ যুগৰ মাজেদিয়ে গা কৰি উঠা এই পুৰণি ধৰ্মটোৰ মূল উপাস্য দেৱতা হ'ল বিষ্ণু। বিষ্ণুৰ উপাসনা অৰ্থাৎ পৰমপুৰুষ বা পৰম ঈশ্বৰ বুলি বিষ্ণুক উপাসনা কৰে বাবে ইয়াক বৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়। ষষ্ঠ শতিকাতে দাক্ষিণাত্যত সূত্ৰপাত হোৱা ভক্তি আন্দোলন ক্ৰমশঃ ভাৰতবৰ্ষৰ চুকে-কোণে প্ৰভাৱ বিস্তাৰ কৰি পঞ্চদশ শতিকাত অসমত প্ৰৱেশ কৰিছিল। ভাৰতীয় ভক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত পূৰ্ব প্ৰচলিত বৈষ্ণৱ ধৰ্মক এক নতুন ৰূপত সজাই-পৰাই তোলাৰ ফলত পূৰ্বৰ বৈষ্ণৱ ধৰ্মত থকা তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, যাগ-যজ্ঞ আদিৰ ঠাই অধিকাৰ কৰিলে একশৰণ নামধৰ্মই। সেইবাবে মহাপুৰুষ শঙ্কৰদেৱৰ গুৰি ধৰা ভক্তি আন্দোলনটোক 'নৱবৈষ্ণৱ ভক্তি আন্দোলন' অথবা 'নৱবৈষ্ণৱ ধৰ্ম বুলি কোৱা হয়। শঙ্কৰদেৱে প্ৰচাৰিত ধৰ্মৰ মূল প্ৰতিপাদ্য বিষয় হ'ল 'এক দেৱ'। এই এক দেৱ হ'ল বিষ্ণু। এই বিষ্ণুকে উপাস্য দেৱতা হিচাপে লৈ তেওঁ 'কৃষ্ণ' আদৰ্শ বা ভাগৱতী ধৰ্ম, একশৰণ ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ নিজকে নিয়োগ কৰিছিল। কৃষ্ণই একমাত্ৰ অদ্বিতীয় ভগৱান। শঙ্কৰদেৱৰ দৰ্শনত 'কৃষ্ণ' ই হৈছে 'পুৰুষ' পৰম সত্য (Absolute Reality), পৰমপুৰুষ 'ব্ৰহ্ম' ইত্যাদি একক ভগৱান 'কৃষ্ণ'ক লৈ তেওঁৰ প্ৰৱৰ্তিত ধৰ্মত এইদৰে কৈছে—

"এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণদাস হুৱা প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।"

— শ্ৰীশঙ্কৰ বাক্যামৃত, ২য় খণ্ড, ভাগৱত, ২য়, শ্লোক-১৩৪২

হিন্দু ধৰ্ম মতে মানৱ জীৱনত আধ্যাত্মিকতা লভাৰ বাবে অনুশীলন পদ্ধতি হিচাপে জ্ঞানমাৰ্গ, কৰ্মমাৰ্গ যোগ আৰু ভক্তিমাৰ্গ বুলি চাৰিটা অনুশীলন পদ্ধতিৰ ভিতৰত শঙ্কৰদেৱে মায়াৰ বন্ধন অৰ্থাৎ সংসাৰৰ দুখ-সুখ-কষ্ট ভোগৰ পৰা মুক্তি লভাৰ উপায় হিচাপে কৰ্ম আৰু জ্ঞানমাগতকৈ ভক্তিমাৰ্গকেই শ্ৰেষ্ঠ। তেওঁৰ মতে কৰ্ম আৰু জ্ঞান মাগতকৈ ভক্তি মাৰ্গকেই শ্ৰেষ্ঠ মাৰ্গ বুলি কৈছে। তেওঁৰ মতে কৰ্ম আৰু জ্ঞানমাৰ্গ সাংসাৰিক পক্ষৰ বাবে অধিক অধিকাৰী আনহাতে ঈশ্বৰ উপলব্ধিৰ বাবে সাধন পথ হিচাপে ভক্তিমাৰ্গ শ্ৰেষ্ঠ। শঙ্কৰদেৱে শাস্ত্ৰ বৰ্ণিত নৱিধ ভক্তিৰ স্বীকৃতি দিছে যদিও শ্ৰৱণ আৰু কীৰ্তনক প্ৰাধান্য দিছে। 'ভক্তি' শব্দটোৰ মূল ভজ্ শব্দ ধাতুৰ পৰা আহিছে। এই শব্দই একান্তভাৱে ভগৱানক উপাসনা অৰ্থাৎ সেৱা আগবঢ়োৱা বুজায়। শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ভক্তি আন্দোলনে সাম্য অধিকাৰ, সাম্যতা স্থাপন, আধ্যাত্মিক সাহসৰ সঞ্চাৰ, মানৱীয় মৰ্যাদা প্ৰদান আদি উদ্দেশ্য আগত ৰাখি বিস্তাৰ লাভ কৰিছিল। মানুহৰ মুক্তিৰ সন্ধান কেৱল ভক্তিমাৰ্গৰ মাজেৰেহে পাব পাৰিব বুলি তেওঁ সম্পূৰ্ণ মানৱীয় অনুভূতিৰে উপলব্ধি কৰিব পাৰিছিল।

মানৱতাবাদৰ অৰ্থাৎ সমগ্ৰ মানৱ জাতিৰ মঙ্গল কামনা আৰু মঙ্গলৰ হেতু কাম কৰাৰ চিন্তা কৰা এজন অতি শক্তিশালী প্ৰবক্তা শঙ্কৰদেৱ আছিল এজন মহান মানৱতাবাদী দাৰ্শনিক। তেওঁৰ সমগ্ৰ চিন্তন হৈছে আধ্যাত্মিক মানৱতাবাদী দৰ্শন। তেওঁ সাধাৰণ মানুহখিনিক কিদৰে দুৰূহ জ্ঞানৰ পথ পৰিহাৰ কৰি সহজ-সৰল পথেৰে চৰম সুখৰ সন্ধান দিব পাৰে তাৰ বাবে নিজকে নিয়োগ কৰিছিল। গতিকে তেওঁৰ মানৱতাবাদী দৰ্শনৰ প্ৰধান আহিলাই হৈছে ভক্তিবাদৰ সংযোজন। যিহেতু ধৰ্মৰ সৈতে মানৱতাবাদৰ সম্পৰ্ক ওতপ্ৰোতঃ; এই মানৱতাবাদী উপাদানৰ বাবেই ধৰ্মই যুগান্তকাৰী ইতিহাসৰ পাতনি মেলে। শঙ্কৰদেৱৰ সৃষ্টি আৰু দৃষ্টি আছিল ভূমাস্পৰ্শী। 'এই সকলোৱেই ব্ৰহ্ম' বুলি বেদান্তৰ মতবাদটোকে শঙ্কৰদেৱে দোহাৰিলে এইদৰে—

"যত জীৱ জঙ্গম কীট পতঙ্গম।
অগনগ জগ তেৰি কায়া।।"

— বৰগীত (শঙ্কৰদেৱ বিৰচিত), নং ৩

এই মহান আদৰ্শ আগতলৈ প্ৰৱৰ্তন কৰা শঙ্কৰদেৱৰ ভক্তি ধৰ্ম কেৱল ধৰ্ম দৰ্শনত এক নৱসংযোজনেই নহয়, ই হৈছে ব্যক্তিকেন্দ্ৰিক ঠেক চিন্তাস্ৰোতৰ পাকনৈয়াত পৰি বুৰ যাব খোজা এক মহান আদৰ্শ আৰু শুভচিন্তাৰ পুনৰুত্থান।

শঙ্কৰদেৱৰ ভক্তি ধৰ্মৰ প্ৰধান বৈশিষ্ট্য হৈছে আপোচহীনভাৱে এক উপাস্য দেৱতাত আশ্ৰয়। তেওঁৰ মতে এজনেই ভগৱান সেই ভগৱানেই পৰম ব্ৰহ্ম, পৰম সত্য জ্ঞানময় আৰু আনন্দময়। এই ধৰ্মৰ মূলতে তেওঁৰ অদ্বৈতবাদ আৰু একেশ্বৰবাদ। তেওঁৰ ধৰ্মত অন্য দেৱ-দেৱীৰ স্থান নাই; কিয়নো সকলো এজন ভগৱানৰে অংশ; ভগৱান তুষ্ট হ'লেই সকলো তুষ্ট হয়। ইয়াৰ আন এটা প্ৰধান উদ্দেশ্য হ'ল ভক্ত মনৰ বিক্ষিপ্ততা আঁতৰ কৰি উপাস্যজনৰ প্ৰতি একাগ্ৰতা অনা আৰু ভক্ত সমাজক ঐক্যভাৱত আৱদ্ধ কৰা। নিষ্কাম ভক্তিয়েই তেওঁৰ বৈষ্ণৱ ধৰ্মৰ চৰম আদৰ্শ। শঙ্কৰদেৱৰ ভক্তিধৰ্ম মূলতঃ হ'ল বিশ্বাস আৰু বিশ্বাসেই একশৰণ। এক ঈশ্বৰবাদী তেওঁৰ ধৰ্ম সাৰ্বজনীন। এই ধৰ্মত জাতি-অজাতি, উচ্চ-নীচ, ব্ৰাহ্মণ-চাণ্ডালৰ ভেদাভেদ আদি একোৱেই নাই। মানৱ তথা সমগ্ৰ জীৱজগতৰ সেৱাই এই ধৰ্মৰ মূল চালিকা শক্তি।

শঙ্কৰদেৱৰ মানৱতাবাদী দৰ্শনৰ আন এক বৈশিষ্ট্য হ'ল 'কৃষ্ণ'। তেওঁৰ মতে কৃষ্ণই পৰম ব্ৰহ্ম; 'ব্ৰহ্মৰূপী সনাতন', জ্ঞানময় আৰু আনন্দময়। 'কৃষ্ণ' বা 'হৰি' হ'ল শুভ মঙ্গলময়; ই অশুভ বা অমঙ্গলৰ বিপৰীতে থকা শুভ আৰু মঙ্গলৰ প্ৰতীক। 'কৃষ্ণ' হ'ল পদুমৰ পাতত পানীত থাকিও নিতিতাকৈ থাকিব পৰাৰ দৰে মানুহক একমাত্ৰ ব্যক্তিগত ঠেকগণ্ডীৰ চিন্তাত ডুবাই নাৰাখি, স্বৰ্গসুখৰ পৰা মনক নিয়ন্ত্ৰণৰ উপায় শিকাই দি সকলোকে সমভাৱে সমদৃষ্টিৰে চাব পৰা এক শ্ৰেষ্ঠ আদৰ্শ। কৃষ্ণই হ'ল পূৰ্ণ সংস্কৃতিৰ প্ৰতীক।

পৰমব্ৰহ্মৰ অংশ সমগ্ৰ জীৱ জগত। সমগ্ৰ জীৱজগত সেইবাবে ব্ৰহ্ম অৰ্থাৎ পৰম পিতাৰ দৃষ্টিত সমান। সকলোৱে একে আত্মা, সেয়েহে এই আত্মাৰ প্ৰতি প্ৰেম-ভালপোৱাই মানৱতাবাদ, যি ভগৱানপ্ৰাপ্তিৰ এক সহজ উপায়। শঙ্কৰদেৱৰ দৃষ্টিত মানৱ হৈছে জীৱশ্ৰেষ্ঠ। কিয়নো প্ৰতিজন মানৱ হৈছে চেতন ব্যক্তি আৰু সমাজ হৈছে এই চেতন ব্যক্তিসকলৰ সমষ্টি। সমাজৰ প্ৰতিজন ব্যক্তি পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল; পৰস্পৰে পৰস্পৰৰ ওচৰত আত্মপ্ৰকাশ কৰে, পাৰস্পৰিক দায়বদ্ধতাৰ যোগেদি। অৰ্থাৎ পৰস্পৰে পৰস্পৰৰ প্ৰতি স্বেচ্ছাই সমভাৱ পোষণ কৰি কল্যাণ কামনা কৰাটো এটা নৈতিক কৰ্ম। তেওঁ কৈছে—

"ইন্দ্ৰিয়ক কৰিয়া নিয়ম।
প্ৰাণীক দেখন্ত আত্ম সম।।"

শ্ৰীশঙ্কৰ বাক্যামৃত, খণ্ড-১, কীৰ্ত্তন-ঘোষা, ৩২১

এজন মানৱহিতৈষীবাদী হিচাপে তেওঁৰ সময়ত ৰজাসকলৰ মাজত থকা খামখেয়ালী, বিৰোধী পক্ষৰ ষড়যন্ত্ৰ, বিভিন্ন গোষ্ঠীৰ মাজত থকা অৰিয়াঅৰি, যুঁজ-বাগৰ, হিংসা, অসূয়াই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে সৃষ্টি কৰা বিশৃঙ্খলতা আৰু অৰাজকতা গুচাই কিদৰে মানৱ জাতিটোক নিজৰ প্ৰকৃত ধৰ্ম তথা কৰ্তব্য পালন কৰি চৰম সুখৰ সন্ধান দিব পাৰে তাৰ বাবে নিজকে নিয়োগ কৰিছিল। এজন মানুহে নিজৰ লগতে আন মানুহৰ তথা আন জীৱবিলাকৰ আৰু অজীৱৰ প্ৰতিও থকা সম্বন্ধটো উপলব্ধি কৰিব পাৰিলেহে কিদৰে সামাজিক বান্ধোন তথা শৃঙ্খলা উপলব্ধি কৰিব পাৰিব ইত্যাদি নৈতিক শিক্ষাৰে সকলো মানুহকে শিক্ষিত কৰাত তেওঁ গুৰুত্ব দিছিল; যিটো আজিৰ পৰিপ্ৰেক্ষিতত নিতান্ত হে জৰুৰী। তেওঁৰ মতে সকলোৱে উপলব্ধি কৰা উচিত যে—

"কুকুৰ শৃগাল গৰ্দৰ্ভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

—কীৰ্ত্তন-ঘোষা, ১৮২৩

শঙ্কৰদেৱৰ মতে এই আদৰ্শ আৰু ইয়াৰ অনুশীলনৰ মাজেৰে সকলো মানুহে নিজকে একে আৰু এজন ভগৱানৰ সন্তান বুলি চিনিব পাৰিলে বিশ্ব ভাতৃত্বৰ বীজ অঙ্কুৰিত হ'ব আৰু ইয়াৰ বিকাশ ঘটিয়েই সামাজিক একতাৰ বান্ধোন কটকটীয়া হ'ব। ই বৰ্তমান সন্ত্ৰাস জৰ্জৰিত অসম তথা সমগ্ৰ বিশ্ববাসীৰ বাবেই এক মহান আদৰ্শ, এক মহান মানৱতাবাদ।

জাতিভেদ প্ৰথাৰ বিলুপ্তি সাধন আছিল শঙ্কৰদেৱৰ মানৱতাবাদৰ আন এক নিদৰ্শন। 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ'— এই মূল তত্ত্বটোকে সাৰোগত কৰি অনুষ্ঠান সৰ্বস্ব ব্যয়বহুল কৰ্মবহুল আচাৰ প্ৰধান সাধন পদ্ধতিৰ বিপৰীতে তেওঁ ধৰ্ম আচৰণ কৰিবলৈ মানৱক সন্ধান দিলে একেবাৰে সহজ আৰু সৰল পন্থাৰে। তেওঁ সমাজৰ সকলো শ্ৰেণীৰ মানুহকে আবেদন জনালে যে ভগৱানৰ নাম উচ্চাৰণত হৰিনাম কীৰ্তনত জাতি, বৰ্ণ, ধৰ্ম, জ্ঞানী-অজ্ঞানী বুলি কোনো বিভেদ নাই। সকলোৰে ভগৱানৰ নাম লোৱাত সমান অধিকাৰ আছে। শঙ্কৰদেৱৰ মতে ব্ৰাহ্মণ আৰু চণ্ডাল, চোৰ আৰু দাঁতা, অসাধু আৰু সাধু কাকোকেই সুকীয়া সুকীয়াকৈ বিচাৰ নকৰি সকলোকে সমান দৃষ্টিৰে চাব জনাজনেই প্ৰকৃত পণ্ডিত। একান্ত মনে ঈশ্বৰক ভক্তি কৰা চণ্ডাল এজন ধৰ্মৰ নীতি-নিয়ম পালন কৰি থকা ব্ৰাহ্মণ এজনতকৈ শ্ৰেষ্ঠ। শঙ্কৰদেৱে সমাজত ঐক্য সংহতি আৰু সমন্বয়ৰ বাবে বিভিন্ন জাতি-উপজাতিৰ বিভিন্ন ভাষা-উপভাষা, বিভিন্ন বৰ্ণ, ধৰ্মৰ সংমিশ্ৰিত অসমবাসীক এক মানৱজাতি ৰূপে গঢ়াৰ মানসেৰে আহ্বান জনাইছিল। সেয়েহে নগাৰ নৰোত্তম আতৈ, গাৰো পাহাৰৰ গোবিন্দ, ভোটৰ জয়হৰি, কছাৰীৰ মমা আৰু মুছলমানৰ চান্দসাঁয়ো শঙ্কৰদেৱৰ ভক্তিধৰ্মত যোগদান কৰি সমাজত ঐক্য, সংহতি আৰু সমন্বয়ৰ বান্ধোন কটকটীয়া কৰি তোলাৰ লগতে হিন্দু-মুছলমানৰ মাজতো ঐক্য সম্প্ৰীতি গঢ়ি তুলিছিল।

শঙ্কৰদেৱৰ মানৱতাবাদৰ মূল বস্তু হৈছে মানুহক আত্মিক প্ৰাণীৰূপে গণ্য কৰা। অৰ্থাৎ এই জগতৰ 'প্ৰাণী'ৰূপে মানুহ আত্মাৰ উপৰি দেহ-মন, ইন্দ্ৰিয় আৰু চিত্তক অধিকাৰী। মানুহে নিজৰ জীৱনত ভোগ কৰা দুখ কষ্ট বা সুখ স্বাচ্ছন্দ্য নিজ কৰ্মৰ ফল। কৰ্মৰ ফল ভোগ কৰাৰ পৰা কোনেও সাৰি যাব নোৱাৰে। সেয়েহে এই কৰ্মতত্ত্বৰ দ্বাৰা শঙ্কৰদেৱে মানুহক সৎ কৰ্মৰ পৰা সৎ কৰ্ম কৰি উত্তৰণ ঘটোৱাৰ দিহা দি থৈছে। শঙ্কৰদেৱৰ মতে পাপ, আধ্যাত্মিক দুখ, অপৰাধ, লোভ-মোহ, কামনা-বাসনা আদি সমস্তৰে উৎস হৈছে মানুহৰ মন। মানুহৰ যিহেতু ইচ্ছাৰ স্বাধীনতা আছে; গতিকে উল্লিখিত কুকাৰ্যবোৰৰ পৰা মনক আঁতৰাই সুকাৰ্যত ব্ৰতী কৰি আধ্যাত্মিক উন্নতি সাধনত মনক নিয়ন্ত্ৰণ কৰাটো প্ৰতিজন ব্যক্তিৰে প্ৰধান কাম। মাধৱদেৱে কোৱাৰ দৰে—

"আপুনি আপোন বন্ধু/ আপুনি আপোন শত্ৰু/ আপুনি আপোন ৰাখে মাৰে।।"— নাম-ঘোষা, মাধৱদেৱ, ৬ নং পৃষ্ঠা। এনে আদৰ্শ সাৰোগত কৰি শঙ্কৰদেৱে মানুহক ভালপোৱা, মানুহৰ প্ৰতি মৰম-ভালপোৱা, কৰ্তব্য, দায়িত্ব ৰখা, মানুহৰ মাজেৰে ভগৱানক বিচৰাৰ শিক্ষা শঙ্কৰদেৱৰ সমস্ত ভক্তি দৰ্শনত পোৱা যায়। গতিকে শঙ্কৰদেৱে কোনো মূৰ্তিৰ পূজাৰ যোগেদি নহয় বৰঞ্চ পৰম-বৈষ্ণৱ উদ্ধৱ দেহধাৰী প্ৰাণীৰ মাজতহে তাকো পৃথিৱীৰ পৰা বা সংসাৰৰ পৰা আঁতৰি নহয় জগতৰ মাজত থাকি সংসাৰ ধৰ্ম পালন কৰিও কৃষ্ণ আদৰ্শৰ মাজেৰে সকলো প্ৰাণীৰ মাজত ভগৱানক বিচাৰি পোৱাৰ কথা কৈছে।

শঙ্কৰদেৱৰ মানৱতাবাদৰ আন এক প্ৰধান অমোঘ মন্ত্ৰ আছিল অহিংসা আৰু প্ৰেমৰ বাণী। এই বাণীৰে তেওঁ সাম্যমৈত্ৰীৰ এনাজৰীৰ জৰিয়তে এখন শ্ৰেণীহীন, বৈষম্যহীন সমাজ গঢ়াৰ পৰিকল্পনাৰ লগতে সমাজৰ মানুহৰ পৰা ঈৰ্ষা, বিদ্বেষ, ঘৃণা, হিংসা আদি ভাৱবোৰ আঁতৰাই পেলাবলৈ সকলোকে আহ্বান জনাইছিল। নিজ ধৰ্মৰ লগতে আন সকলো ধৰ্মৰ প্ৰতি উদাৰ হ'বলৈ কোৱাৰ লগতে অহিংসা অনুশীলনৰ পথো দি গৈছে—

"পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত।।"

— কীৰ্ত্তন-ঘোষা-১৪১

(১৪ পৃষ্ঠাত চাওক)

# বিহু উৎসৱ

(১ পৃষ্ঠাৰ পৰা)

ফাকে, খামতি আদি), মটক-মৰাণ, মিছিং, দেউৰী-চুতীয়া, সোণোৱাল-ঠেঙাল কছাৰী আদি অসমীয়া ভাষী আৰু তিব্বত-বৰ্মীয় বা টাই ভাষী মংগোলীয় জনগোষ্ঠীৰ মিশ্ৰিত জন-গাঁথনিৰ বিপৰীতে নামনি অসমত (কামপীঠ আৰু ৰত্নপীঠ) অসমীয়াৰ কামৰূপী, গোৱালপৰীয়া বা দেশী উপভাষা-ভাষী, বৰ্ণ হিন্দু, অনসূচীত জাতি আৰু কোচ ৰাজবংশীসকলৰ উপৰি হাজং, বড়ো-কছাৰী, ৰাভা, গাৰো ভাষা-ভাষী জনগোষ্ঠীৰ প্ৰাধান্য বেছি। আনহাতে মধ্য অসমত কাৰ্বি, ডিমাছা, তিৱা (লালুং) জনগোষ্ঠীৰ আছুতীয়া অৱস্থান মন কৰিবলগীয়া। সেইদৰে অসমৰ পাৰ্বত্য অঞ্চল আৰু অসমৰ দাঁতিকাষৰীয়া ৰাজ্যত বিভিন্ন অষ্ট্ৰিক আৰু তিব্বত-বৰ্মীয় ভাষা-গোষ্ঠীৰ মংগোলীয় মূলৰ পাহাৰীয়া জনজাতিৰ বসবাস আৰু ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ভৈয়াম অঞ্চলত মৈমনসিঙীয়া (অভিবাসী), চিলেটীয়া আৰু গৰীয়া-মৰীয়া হিচাপে পৰিচিত মুছলমানৰ লগতে চাহ সম্প্ৰদায়, মণিপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, চাওতালী, নেপালী, বঙালী, বিহাৰী, মাৰোৱাৰী আদি প্ৰান্তীয় ভাষা-ভাষী লোকৰ মিশ্ৰিত সহাৱস্থান পোৱা যায়।

অসমৰ বিভিন্ন লোকাচাৰ আৰু লোকসাংস্কৃতিক দিশত প্ৰভাৱ পেলাব পৰা আদিম ভূমিপুত্ৰ হিচাপে বিহু অনুষ্ঠানৰ জন্ম আৰু উত্তৰণৰ সৈতেও অসমৰ এইসমূহ থলুৱা জনগোষ্ঠীসকলৰ অৱদানেই আটাইতকৈ বেছি। পৰ্বতীয়া জনগোষ্ঠীৰ মাজত প্ৰকৃতাৰ্থত গৰু-গাইক গা ধুৱাই পালিবলগীয়া ব'হাগ বিহু, ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰি পালিবলগীয়া কাতি বিহু আৰু মেজি জ্বলাই পালিবলগীয়া মাঘ বিহুৰ পৰম্পৰা অনুপস্থিত। ইয়াৰ বিপৰীতে সেইবিলাক জনগোষ্ঠীৰ মাজত আৰু ভৈয়ামৰ জনজাতিৰ মাজতো নিজৰ নিজৰ সাতামপুৰুষীয়া বিভিন্ন নাম আৰু পৰম্পৰাৰে উদ্‌যাপিত বিভিন্ন বসন্ত, শীত আৰু শৰৎকালীন উৎসৱ-পৰ্বৰ প্ৰাধান্য এটা মন কৰিবলগীয়া দিশ।

বিহু কেৱল অসমীয়া ভাষা-সম্প্ৰদায়ৰে নহয়, সমগ্ৰ অসমবাসী তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিপুত্ৰ স্বৰূপ আদিম জনগোষ্ঠী মাত্ৰৰে উমৈহতীয়া জাতীয় উৎসৱ। অষ্ট্ৰ'-মংগোলয়ড সংস্কৃতিৰ উৰ্বৰা বিশ্বাসৰ আধাৰত প্ৰতিষ্ঠাপিত আৰু আৰ্য-দ্ৰাবিড় সংস্কৃতিৰ উপাদানেৰে সম্পৃক্ত কেউটা বিহু (তিনিটা)ৰ সৈতে সম্পৰ্কান্বিত বিভিন্ন বিশ্বাস-পৰম্পৰা আৰু লোকাচাৰে ইয়াৰ সমন্বিত ৰূপৰ কথাকে সূচায়। ভাৰতৰ অন্য প্ৰান্তত প্ৰচলিত বৈশাখী (পঞ্জাব), বিষু (কেৰালা), পৈংগল (দক্ষিণ ভাৰত) আদিৰ দৰে প্ৰাচীন আৰ্যভাষী হিন্দুসকলৰ পৌষ-মকৰ সংক্ৰান্তি, চৈত্ৰ সংক্ৰান্তি-বিষুৱন, গোৰময়ম, ইন্দ্ৰধ্বজ, অতিৰাত্ৰ ইত্যাদি পৰ্বৰ সৈতে সাদৃশ্য থকা চাকমাসকলৰ বিঝু, টাই-আহোমৰ পয়হু-পয়চাংখেন, চাহ জনগোষ্ঠীৰ টুচু পূজা-পুষ পৰব, কাৰ্বিসকলৰ ৰল'কেতৰ-চ'জুন, ৰিয়াংসকলৰ বিসুচনি, কুকিসকলৰ আৰেম', নিচিসকলৰ চলুং, গালংসকলৰ মপিন, ৰেংমাসকলৰ ছিছু, গাৰোসকলৰ ৱানগালা-ৰংচুগালা, ৰাভাসকলৰ বায়খো-খোকছি, তিৱাসকলৰ ছগ্ৰা-মিচাৱা-লাংখুন ইত্যাদি উৎসৱ-পৰ্বসমূহে ভাৰতীয় মহাসংস্কৃতি (আৰ্য-দ্ৰাবিড়-অষ্ট্ৰিক-মংগোলীয়)য়ে সমন্বিত ৰূপ লাভ কৰাত বিশিষ্ট অৱদান যোগাই আহিছে। বিশেষকৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতিৰ উমৈহতীয়া সমল হিচাপে একমাত্ৰ বিহু উৎসৱে (বিশেষকৈ ব'হাগ বিহু আৰু মাঘ বিহু) এতিয়াও ইয়াৰ প্ৰাচীন বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি যুগৰ সৈতে খাপ খাই জনজীৱনৰ মাজত সমাদৃত হৈ আহিছে।

বিহু আৰু ইয়াৰ লগত জড়িত নানাধৰণৰ ধৰ্মীয় আচাৰ-ৰীতি, লোকবিশ্বাস (লোকাচাৰ); লোকব্যঞ্জন, লোক আভৰণ, লোকবাদ্য (ভৌতিক সংস্কৃতি); লোকনৃত্য-গীত (লোক পৰিবেশ্য কলা) বিশেষকৈ বিহুগীত-বনঘোষা-হুঁচৰি ক'তো কেনিও গাইগুটীয়া একক চৰিত্ৰ অক্ষুণ্ণ হৈ থকা নাই। সকলোতে এক সমন্বিত আৰু সমাহৰিত (Cultural synthesis) ৰূপহে প্ৰকট হৈ আছে।

এই ধাৰা অকল বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰেই নহয়, ভাৰতীয় মহাজাতি গঠন প্ৰক্ৰিয়াৰো এক ইতিবাচক দিশ হিচাপে চিহ্নিত হৈ আহিছে। এইসমূহ ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ স্বকীয় সংস্কৃতিয়ে সমন্বিত ৰূপ লাভ কৰি বিহু বা বসন্ত উৎসৱে তাহানিতে যি বৰ্ণাঢ্য ৰূপ লাভ কৰিছিল; সম্প্ৰতি ইয়াৰ ওলোটা প্ৰক্ৰিয়া আৰম্ভ হৈছে, অৰ্থাৎ বিহুৰ আঞ্চলিকতা ক্ৰমাৎ পৰিদৃষ্ট হৈছে। অৱশ্যে ইহে মূল সংস্কৃতিৰ পৃথক পৃথক সত্তা হ'ব পাৰে; যি আপাতঃ দৃষ্টিত বিকিৰিত বা অপসাৰিত (Cultural fusion) ৰূপ যেন বোধ হয়। অৰ্থাৎ ক্ষুদ্ৰ পৰম্পৰা (Little tradition) আৰু বৃহৎ পৰম্পৰাৰ (Great tradition) পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া অহৰহ চলি আছে, ঠিক যেনিবা জাতি-জনজাতিৰ মাজত পৰিদৃষ্টি হোৱা চলন্ত প্ৰবাহৰ (Tribe-caste continuum) লেখীয়া।

**বৃহৎ পৰম্পৰাৰ পটভূমিত বিহু (সৰ্বভাৰতীয় প্ৰেক্ষাপটত) ঃ** বিহু যিহেতুকে এটা যাদুধৰ্মী লোকবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত উৎসৱ, সেয়ে অন্যান্য ধৰ্মীয় ধাৰণাৰ দৰে বৃহৎ পৰম্পৰা আৰু ক্ষুদ্ৰ পৰম্পৰাৰ উমৈহতীয়া প্ৰভাৱ ইয়াৰ সংযুতিত স্পষ্টভাৱে বিদ্যমান। সৰ্বভাৰতীয় পটভূমিত কৃষিকেন্দ্ৰিক আৰু ঋতুকালীন উৎসৱ হিচাপে বিহুৰ তাৎপৰ্য বিচাৰ কৰিলে স্বাভাৱিকতে ই আমাৰ মনলৈ এটা বৃহৎ পৰম্পৰাৰ ধাৰণা আনি দিয়ে। সৰ্বভাৰতীয় পটভূমিত উদ্‌যাপিত বিভিন্ন কৃষিমূলক উৎসৱ-অনুষ্ঠানৰ মাজত আন্তঃসম্পৰ্ক গঢ়ি উঠাটো তেনেই স্বাভাৱিক। ইবিলাক সংস্কৃতি ধাৰণ (Acculturation) আৰু সংস্কৃতি ব্যাপন (Cultural diffusion)ৰ নামান্তৰ মাথোন।

(1) পণ্ডিতসকলে 'বিহু' শব্দটোৰ ব্যুৎপত্তি ব্যাখ্যা কৰোঁতে প্ৰায়ে বৈদিক 'বিষুৱন' বা 'বিষুবৎ' (দিন-ৰাতিৰ সমান হোৱা তিথি বা এবছৰ ব্যাপি অনুষ্ঠিত হোৱা 'সত্ৰ' বা 'যজ্ঞ'ৰ মাজৰ দিন) পদলৈ আঙুলি টোঁৱায়। আৰ্যসকলে এই দিনটোতে গো-প্ৰভৃতি পোহনীয়া জীৱ-জন্তুৰ মংগলাৰ্থে আৰু কৃষি-ভূমিৰ উৰ্বৰতা তথা শস্য-বৃদ্ধিৰ অৰ্থে সূৰ্য দেৱতাক স্তুতি কৰিছিল। এই উৎসৱটো তেতিয়া **'গোৰময়ম'** নামেৰে প্ৰখ্যাত আছিল।[1] অসমীয়া বিহু উৎসৱৰ লগত আটাইতকৈ চুটি দিনটোৰ দিনা, অৰ্থাৎ মকৰ সংক্ৰান্তিত উদ্‌যাপিত মাঘ বিহু আৰু দিন-ৰাতি সমান হোৱা দিনা অৰ্থাৎ মহাবিষুৱ সংক্ৰান্তিত উদ্‌যাপিত ব'হাগ বিহু আৰু কাতি বিহুত স্থান বিশেষে গো-সেৱাসহ অগ্নি প্ৰজ্জ্বলন কৰি প্ৰকাৰান্তৰে অগ্নিৰ লগতে সূৰ্য বা বিষ্ণুক উপাসনাই কৰা হয়।

(2) কোনো কোনো পণ্ডিতে বিহুগীত আৰু হুঁচৰিৰ পৰম্পৰাটো বৈদিক যুগৰ সাম গানৰ (সামবেদত বৰ্ণিত 'বেয়গীত') সৈতে আৰু বিহু নৃত্য আৰু হুঁচৰি নৃত্যৰ পৰম্পৰাটো মহাব্ৰত যজ্ঞত নাৰীসকলে অগ্নিৰ চাৰিওফালে ঘূৰি-ঘূৰি কৰা যৌথ নৃত্যৰ সৈতে অভিন্ন বুলি ক'ব বিচাৰে।

(3) সেইদৰে পঞ্জাবত অনুষ্ঠিত 'বৈশাখী', হিমাচল প্ৰদেশৰ খাচবিলাকৰ মাজত প্ৰচলিত 'বিষু', দক্ষিণ ভাৰতৰ নায়াৰসকলৰ মাজত প্ৰচলিত 'বিষু' ইত্যাদি নৱবৰ্ষৰ উৎসৱ আৰু 'পৈংগল' আদি গো-কেন্দ্ৰিক উৎসৱৰ লগত 'বিহু' নামটোৰ নিচিনাকৈ অন্যান্য অনুষংগ বা প্ৰকাৰ্যতো যথেষ্ট সাদৃশ্য তথা সম্পৰ্ক পৰিলক্ষিত হয়।

(4) প্ৰেম-প্ৰীতি আৰু যৌনগন্ধী নৃত্য-গীত হিচাপে বিহু বা বনঘোষাৰ লগত সৰ্বভাৰতীয় পটভূমিত ৰচিত মধ্যপ্ৰদেশৰ চত্তীশগড় অঞ্চলৰ 'বন ভজন' আৰু গোঁড়বিলাকৰ মাজত প্ৰচলিত দদৰিয়া শ্ৰেণীৰ দুশৰীয়া গীতৰ সাদৃশ্য বিশেষভাৱে উল্লেখযোগ্য।[3]

(5) সেইদৰে নামনি অসমৰ বিভিন্ন অঞ্চলত বাশপূজা-বাঁহ বিয়া, পাৰবাহ-দেও, পাউৰাতোলা, সঁৰি-সুঁৱেৰি, গোহাঁইবাঁহ-দহৰ ফুৰোৱা, ভঠেলি-দেউল আদি নামেৰে প্ৰচলিত অন্যতম বসন্তকালীন উৎসৱ-পৰ্বৰ সৈতে ভাৰতৰ প্ৰাচীন বৈদিক যুগৰ জনপ্ৰিয় ইন্দ্ৰোৎসৱ বা ইন্দ্ৰধ্বজ পূজা (তু-মুণ্ডাসকলৰ ইন্দ্ৰপৰব) আৰু পুৰাণ বৰ্ণিত চক্ৰোত্থান আৰু প্ৰাক্‌বৈদিক লিংগ পূজাৰ বিশেষ প্ৰসংগ আমাৰ মনলৈ আহে। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে বাঁহ পূজাৰ অন্যতম দুটা ৰূপ 'ভঠেলি' আৰু 'সঁৰি'ক বসন্তোৎসৱ বিহুৰে সমধৰ্মী উৎসৱ বুলি চিহ্নিত কৰিছে। সৰ্বভাৰতীয় পটভূমিত মহাবিষুৱ সংক্ৰান্তি বা চৈত্ৰ সংক্ৰান্তি আৰু ব'হাগৰ দোমাহি বা ৰঙালী বিহুৰ মাজত ড০ নবীন চন্দ্ৰ শৰ্মাই কিছুমান উমৈহতীয়া বৈশিষ্ট্য বিচাৰি পাইছে—

ক) প্ৰধানতঃ ই কৃষি উৎসৱ। খ) প্ৰজনন কৃত্যৰ লগত সম্পৃক্ত। গ) বাসন্তিক বা বসন্তকালীন উৎসৱ। ঘ) নৱবৰ্ষৰ উৎসৱ। ঙ) ধৰ্মীয় অনুষংগৰ সৈতে সংস্পৃক্ত। চ) নৃত্য-গীত-বাদ্যৰ প্ৰাধান্য। ছ) খোৱা-লোৱাতকৈ নৃত্য-গীত বা পূজা-উপাসনাৰ ওপৰত অধিক গুৰুত্ব। জ) বিভিন্ন বিশ্বাস, জনশ্ৰুতি আৰু মিথৰ লগত জড়িত।

ঠিক সেইদৰে সৰ্বভাৰতীয় প্ৰেক্ষাপটত মকৰ সংক্ৰান্তি বা পৌষ সংক্ৰান্তি আৰু মাঘ বিহুৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়।

ক) প্ৰধানতঃ ই কৃষি উৎসৱ। খ) ঋতুকালীন উৎসৱ। গ) শীতকালীন উৎসৱ। ঘ) ধৰ্মীয় অনুষংগৰ সৈতে সম্পৃক্ত। ঙ) গীত-বাদ্য-নৃত্যৰ স্থিতি। চ) নৃত্য-গীততকৈ খোৱা-লোৱাত অধিক গুৰুত্ব। ছ) বিভিন্ন বিশ্বাস-জনশ্ৰুতি-মিথৰ আধাৰত প্ৰতিষ্ঠিত। জ) বৃষ্টি আনয়ন যাদুৰ সৈতে সম্পৃক্ত। ঝ) অকল্যাণকাৰী শক্তি বহিস্কৰণ আৰু কল্যাণকাৰী শক্তি আৱাহন। ঞ) উৰ্বৰতা যাদু সম্পাদন আকাংক্ষা।

কাতি বিহুৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ঐতৰেয় ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থৰ মতে ধন-সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে আহিন-কাতিৰ দোমাহিত অশ্বিন দেৱতাৰ পূজাৰ লগত অতিৰাত্ৰ যজ্ঞ সম্পন্ন কৰি নিশা জুইৰ চাৰিওফালে ঘূৰি ঘূৰি সোমৰস পান কৰাৰ পৰম্পৰা আছিল। ইয়াৰ আধাৰতে শইচৰ পথাৰত চাকি-শলিতা দিয়াৰ লোকাচাৰো ঠন ধৰি উঠিছে বুলিব পাৰি। সেইদৰে তুলসী তলত চাকি-শলিতা দি মাহ-প্ৰসাদেৰে নৈবেদ্য আগবঢ়োৱা আৰু গোটেই কাতি মাহ আকাশবন্তি লগোৱা পৰম্পৰাটোও ব্ৰাহ্মণ্য হিন্দুধৰ্মীয় ৰীতিৰে এক জ্বলন্ত স্বাক্ষৰ।

নামনি অসমৰ সমূহ জনগোষ্ঠীৰ মাজত ব'হাগ বিহুৰ যি এক স্বকীয় ৰূপ পোৱা গৈছে, সি উজনি অসমৰ সৈতে বহু ক্ষেত্ৰতে ভিন্ন যদিও তাৰ মাজতো অভিন্নতা বিদ্যমান। গো-গোসাঁই আৰু মানৱ সেৱাৰ সুচলতা নামনি অসমৰ ব'হাগ বিহুৰ উমৈহতীয়া চৰিত্ৰ। সেইদৰে উজনিৰ ব'হাগ বিহুত যেনেকৈ ডেকা-গাভৰুৰ জীৱনসংগী নিৰ্বাচনৰ এক মুক্ত প্ৰাংগণ পোৱা যায়, নামনিৰ ব'হাগ বিহুত তেনেকৈ আধ্যাত্মিক তথা পাৰলৌকিক দিশত মনোনিবেশৰ এক গুপ্ত নিবাস পোৱা যায়। উজনিৰ ব'হাগ বিহুত প্ৰেম আৰু যৌৱনে প্ৰাধান্য পাইছে। কিন্তু নামনিৰ ব'হাগ বিহুত জীৱন আৰু দৰ্শনে প্ৰাধান্য পাইছে। সেইদৰে উজনিৰ ব'হাগ বিহুত নাৰীৰ অবাধ বিচৰণ লক্ষণীয়। কিন্তু নামনিৰ ব'হাগ বিহুত সেই বৈশিষ্ট্য অনুপস্থিত।

**ক্ষুদ্ৰ পৰম্পৰাৰ পটভূমিত বিহু (জনগোষ্ঠীয় প্ৰেক্ষাপটত) ঃ** অসমৰ জাতীয় উৎসৱ বিহুৰ উদ্ভৱ আৰু বিকাশৰ সৈতে অসমৰ থলুৱা জনগোষ্ঠীসকলৰ ওতঃপ্ৰোত সম্পৰ্ক। পাহাৰীয়া জনগোষ্ঠীসমূহৰ মাজত যেনেকৈ গৰু-গাইক গা ধুৱাই পালিবলগীয়া ব'হাগ বিহু, ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰি পালিবলগীয়া কাতি বিহু আৰু মেজি জ্বলাই পালিবলগীয়া মাঘ বিহুৰ পৰম্পৰা দেখা নাযায় তেনেকৈ সেইসমূহ জনগোষ্ঠীৰ বাহিৰেও ভৈয়ামৰ জনজাতিৰ মাজতো নিজৰ নিজৰ সাতামপুৰুষীয়া বিভিন্ন নাম আৰু পৰম্পৰাৰে বিভিন্ন বসন্ত, শীত আৰু শৰতকালীন উৎসৱ-পৰ্বৰহে প্ৰাধান্য আছে।

উদ্‌যাপনৰ দিন-কাল, লোকাচাৰ-লোকবিশ্বাস, লোকনৃত্য-লোকগীতৰ কিছু হীন-ডেঢ়ি থাকিলেও ফাগুনৰ প্ৰথম বুধবাৰে উদ্‌যাপিত মিছিংসকলৰ 'আলি আই লিগাং' আৰু তাত পৰিবেশন কৰা গুমৰাগ নৃত্য, উনচুৰি ৰাগতুব (হুঁচৰি), চংমান নিতঃম (বিহুনাম); জেঠ মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপিত ৰাভাসকলৰ 'বায়খো' আৰু তাত পৰিবেশন কৰা ছাথাৰ নৃত্য-গীত; ডিমাছাসকলৰ মাঘ সাঞ্জোৱা অৰ্থাৎ মাঘ সংক্ৰান্তিত পৰিবেশন কৰা ডেকা-গাভৰুৰ প্ৰণয়ধৰ্মী নৃত্য-গীত প্ৰভৃতিৰ লগত চ'ত-ব'হাগৰ সংক্ৰান্তিত উদ্‌যাপিত ৰাতি বিহু, জেং বিহু, গছতলৰ বিহু, গোসাঁই বিহু, গৰু বিহু, সাত বিহু, বিহু উৰুৱা আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন লোকাচাৰ— যেনে কণীযুঁজ বা ঘিলা খেল পতা, আমৰলিৰ টোপ বা সাত শাক খোৱা আৰু বিহুৱানৰ আদান-প্ৰদান কৰা, হুঁচৰি নাম গোৱা, ডেকা-গাভৰুৱে মুকলিমূৰীয়াভাৱে বিহুনাম গাই জীৱনসংগী নিৰ্বাচন কৰা প্ৰভৃতিৰ দূৰণিবটীয়া সম্পৰ্ক আছে। আনকি হাজংসকলৰ লেৱাটানা নৃত্য-গীত, তিৱাসকলৰ লালিলাং আৰু লালি-হিলালি গীত, দেউৰীৰ আবৰব'-হুৱাই ৰাঙলী, বড়ো-কছাৰীৰ বৈছাগু মেথায়, সোণোৱাল কছাৰীৰ হায়দাং-হুঁচৰি প্ৰভৃতি গীত-নৃত্যৰ লগতো বিহু-হুঁচৰিৰ সাদৃশ্য অতি চমকপ্ৰদ। মৰাণসকলে গছৰ তলত বিহু ঘৰ সাজি উদ্‌যাপন কৰা গছ তলৰ বিহু, বিহু নমোৱা বা উৰুৱা লোকাচাৰ, দেউৰীসকলে গোঁসানীশালৰ পৰা বিহু উলিওৱা আৰু নমোৱা লোকাচাৰ, টাই-আহোমসকলে সাত বিহুৰ দিনাখন ছেংনাং

(১০ পৃষ্ঠাত চাওক)

# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

১৬। **সঙ্ঘৰ আয়-ব্যয়ৰ হিচাপ ঃ** সঙঘৰ বাৰ্ষিক আয়-ব্যয়ৰ পুঁজি নিৰ্বাচিত হিচাপ পৰীক্ষকসকলৰ দ্বাৰা পৰীক্ষা কৰোৱা হৈছে। পৰীক্ষিত প্ৰতিবেদনমৰ্মে ২০১৩ বৰ্ষৰ মুঠ আয় ৮২,৫২,৮৩৫.৭২ টকা, মুঠ ব্যয় ৮২,৪৪,৭৮০.৮৪ টকা। হিচাপ পৰীক্ষকত্ৰয় যথাক্ৰমে শ্ৰীজগদীশ তালুকদাৰ, শ্ৰীবাবুল কলিতা আৰু শ্ৰীলেনিন কাকতি।

১৭। **জিলা, আঞ্চলিক আৰু প্ৰাথমিক শাখাৰ স্থিতি ঃ** বৰ্তমানলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ জিলা শাখাৰ সংখ্যা ৪৭ খন আৰু প্ৰাথমিক শাখাৰ সংখ্যা ৫৬৮৭ খন। ইয়াৰ ভিতৰত চলিত বৰ্ষত অৰ্থাৎ ২০১৩ খ্ৰী.ত নতুনকৈ অন্তৰ্ভুক্তি লাভ কৰা প্ৰাথমিক শাখাৰ সংখ্যা ৭০ খন।

১৮। **মূল কাৰ্যালয় পৰিচালনা সমিতি ঃ** ২০১৩ খ্ৰী.ত মূল কাৰ্যালয় পৰিচালনা সমিতিখনে যথেষ্ট তৎপৰতাৰে মূল কাৰ্যালয়ৰ কামবোৰ সমাধা কৰা পৰিলক্ষিত হৈছে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাচতে মূল কাৰ্যালয়টো মেৰামতি কৰি ধুনীয়াকৈ ৰং দিয়া হৈছে। পৰিশোধিত পানী সেৱনৰ ব্যৱস্থাৰ বাবে এটি Aquaguard স্থাপন কৰা হৈছে। শৌচাগাৰসমূহ মেৰামতি কৰি চাফ-চিকুণ কৰোৱা হৈছে। নতুন চিন্তাৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ, প্ৰধান সম্পাদকসকলৰ নামফলক তৈয়াৰ কৰি কাৰ্যালয়ত আৰি থোৱাৰ ব্যৱস্থা কৰা হৈছে। পদাধিকাৰ আৰু প্ৰধানসম্পাদকসকলৰ তৈলচিত্ৰখিনিও তৈয়াৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত মূল কমিটিলৈ প্ৰেৰণ কৰে। বিগত বৰ্ষত উপসমিতিসমূহৰ ৬৫ খন সভা, সংস্কৃতি আৰু শিক্ষা শাখা দুটাৰ প্ৰত্যেকৰে এখনকৈ ৭ দিনীয়া কৰ্মশালা, মূল কাৰ্যনিৰ্বাহকৰ ৬ খন সভা পতাৰ উপৰিও প্ৰতিদিনে অসমৰ ইমূৰ-সিমূৰৰ পৰা অহা ভকত-বান্ধৱসকলক আপ্যায়ন কৰি আহিছে। সমিতিৰ সম্পাদক বাপজনাই সময়মতে কাৰ্যালয়ত উপস্থিত হৈ সকলো কাম পৰিচালনা কৰা দৃষ্টিগোচৰ হৈছে।

১৯। **সম্বৰ্ধনা বঁটা ন্যাস ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘৰ লগতে সমাজলৈ সেৱা আগবঢ়োৱা বিশেষকৈ শঙ্কৰী সাহিত্য-সংস্কৃতি, সাংগঠনিক কামত পাৰদৰ্শী ব্যক্তি, জিলা শাখা, জিলা সেৱাবাহিনী গোট আদি বিভিন্ন সম্বৰ্ধনা বঁটা আগবঢ়োৱাৰ মানসেৰে এই বঁটা ন্যাস গঠন কৰা হৈছে।

**বঁটাসমূহ হ'ল ঃ**

১। ত্ৰিবেণী মাধৱ ৰাজখোৱা যুৱ উৎকৰ্ষ বঁটা

২। ডম্বৰুধৰ বৰা শঙ্কৰী সংস্কৃতি বঁটা

৩। হৰেণ হাজৰিকা সংস্কৃতি বঁটা

৪। দিবাকৰ ডেকা সাহিত্য বঁটা

৫। জয়ৰাম নাথ প্ৰচাৰ-সংগঠন বঁটা

৬। নবীন কোঁৱৰ সাংগঠনিক বঁটা

৭। ফণীধৰ কাকতি আইদেউ কাকতি সাংগঠনিক বঁটা

৮। চন্দন চুতীয়া সেৱাবাহিনী বঁটা

৯। ফুল সাধনিদাৰ আইমাতৃ বঁটা।

ইয়াৰ উপৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘই (ক) ৰমাকান্ত মুক্তিয়াৰ বঁটা (খ) লোকসেৱক হলধৰ ভূঞা বঁটা (গ) আই কনকলতা বঁটা আৰু (ঘ) শ্ৰীমন্ত শঙ্কৰদেৱৰ মাধৱদেৱ বঁটা ইতিমধ্যেই ঘোষণা কৰি নিয়াৰিকৈ প্ৰদান কৰি আহিছে।

২০। **প্ৰাক্তন পদাধিকাৰ শশীচন্দ্ৰ বৰবৰুৱা বঁটা ঃ** ইতিমধ্যে ২০১২ বৰ্ষৰ পৰা শশীচন্দ্ৰ বৰবৰুৱা বঁটা ন্যাসৰ ন্যাসৰক্ষী সমিতিৰ জৰিয়তে আৰু এটি বঁটা প্ৰয়াত বৰবৰুৱাদেৱৰ পৰিয়াল আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সৈতে যৌথ আমানতৰ জৰিয়তে উক্ত ধন স্থায়ী জমা কৰি প্ৰতি দুবছৰৰ মূৰে মূৰে ১,০০,০০০.০০ (এক লাখ) টকাৰ বঁটা শঙ্কৰদেৱৰ চৰ্চাত ব্যুৎপত্তি থকা লোকক প্ৰদানৰ সিদ্ধান্তলৈ ইতিমধ্যে পোনপ্ৰথমবাৰৰ বাবে এই বঁটা অধ্যাপক ভৱপ্ৰসাদ চলিহাদেৱলৈ আগবঢ়োৱা হৈছে।

২১। **প্ৰাক্তন পদাধিকাৰ সোণাৰাম চুতীয়া বঁটা ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ অন্যতম পদাধিকাৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া আতাৰ নামত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই আন্তৰ্জাতিক পৰ্যায়ৰ এটি বঁটা প্ৰচলন কৰাৰ সিদ্ধান্তৰে ২০ লাখ টকাৰ এটি ন্যাস গঠন কৰাৰ ব্যাপক প্ৰস্তুতি চলাই জিলা শাখাসমূহত অৰ্থ সংগ্ৰহ অভিযান আৰম্ভ কৰা হৈছে। ইতিমধ্যে এই ন্যাসৰ বাবে প্ৰায় ১ লাখ টকা সংগৃহীত হৈছে।

২২। **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ বঁটা ন্যাস পৰিচালনা সমিতি ঃ** এইবেলি ২০১৩ বৰ্ষত বঁটা প্ৰদান আৰু বঁটা প্ৰাপক নিৰ্বাচন সম্পৰ্কত নীতি-নিৰ্দেশনা প্ৰস্তুত আদি নিয়াৰিকৈ আৰু নীতিগতভাৱে প্ৰদান কৰাৰ উদ্দেশ্যে "শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, বঁটা ন্যাস পৰিচালনা সমিতি নামেৰে এখনি পৰিচালনা সমিতি গঠন কৰা হয়। পদাধিকাৰ গৰাকীক সঞ্চালক আৰু প্ৰধান সম্পাদক গৰাকীক সম্পাদক হিচাপে এখনি ৮ জনীয়া সমিতি গঠন কৰা হয়। সমিতিয়ে বঁটাসমূহ প্ৰদানৰ সময়সীমা নিৰ্দ্ধাৰণ কৰি বঁটাৰ মাননিও নিৰ্ণয় কৰি দিয়ে। সেই অনুসৰি মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱ বঁটা, ৰমাকান্ত মুক্তিয়াৰ বঁটা, লোকসেৱক হলধৰ ভূঞা বঁটা, আইকনকলতা বঁটা প্ৰতি ৫ বছৰৰ মূৰে মূৰে, বৈষ্ণৱপণ্ডিত সোণাৰাম চুতীয়া বঁটা আৰু শশীচন্দ্ৰ বৰবৰুৱা বঁটা লগতে অন্যান্য বঁটাসমূহ প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰদান কৰা হ'ব।

২৩। **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি ঃ** সঙঘৰ দ্বাৰা পৰিচালিত বিত্তীয় প্ৰতিষ্ঠান আৰ্থিক বিকাশ সমিতি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ এটি গুৰুত্বপূৰ্ণ শাখা সমিতি। ইতিমধ্যে ১৪ টা শাখাৰে কামকাজ চলাই থখা সমিতিখনে এইবছৰ ডিচেম্বৰ মাহত ১৫ সংখ্যক শাখাটি সঙঘৰ ঢকুৱাখনা জিলা শাখাত মুকলি কৰা হয়। মুঠ ৩৪ জন কৰ্মচাৰী, ২৭১ জন এজেণ্ট আৰু ১৫ খন শাখা পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত শাখাসমূহত বৰ্তমান সৰ্বমুঠ অংশমূলধন ৯০,৬৩,১০০.০০, কাৰ্যকৰী মূলধন ৫,৬১,৫৮,২৪৫.০০ আৰু ঋণৰ পৰিমাণ সাধাৰণ ৪,২৮,৮৪,৮৬০.০০, স্বাৱলম্বন ৪৫,৯৮,৬৭৫.০০, মুঠ ঋণীৰ সংখ্যা ২৫৭ জন। ২০১৩ বৰ্ষত মুকলি কৰা স্বাৱলম্বন আঁচনিৰ লগত সংগতি ৰাখি এই বৰ্ষতো অন্য এখন আঁচনি ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশন স্থলীত মুকলি কৰা হৈছে।

২৪। **কৰ্মচাৰী সেৱাবিধি** (SERVICE RULES OF EMPLOYEES) ঃ

এইবেলি ২০১৩ বৰ্ষত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰশাসনিক, সাংগঠনিক, মূল কাৰ্যালয়, শাখা কাৰ্যালয় অতিথিশালা, আৰ্থিক বিকাশ সমিতি, গ্ৰন্থ বিপণন আদি বিভিন্ন সেৱাসমূহত নিয়োজিত কৰ্মাৰীসকলৰ নিয়োগ, বেতন, পালনীয় দায়িত্ব আৰু কৰ্তব্য, কৰ্মচাৰীৰ কল্যাণ আদি বিভিন্ন দিশ সামৰি এখনি "কৰ্মচাৰী সেৱাবিধি" প্ৰস্তুত কৰা হয়। ইতিমধ্যে এই বিধিৰ জৰিয়তে দৰমহা গাথনি প্ৰস্তুত কৰি ২০১৪ বৰ্ষৰ প্ৰথম জানুৱাৰীৰ পৰা কাৰ্যকৰী কৰাৰ দিহা কৰা হয়।

২৫। **শ্ৰীমন্ত শঙ্কৰদেৱৰ শৈক্ষিক আৰু আৰ্থসামাজিক উন্নয়ন ন্যাস ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ শৈক্ষিক আৰু আৰ্থসামাজিক উন্নয়ন ন্যাস ২০০৭ চনতে প্ৰতিষ্ঠা কৰি কামকাজসমূহ পৰিচালনা কৰি অহা হৈছে। এই ন্যাস পৰিচালনাৰ বাবে ইতিমধ্যে এখনি উপবিধি তৈয়াৰ কৰা হৈছিল যদিও উক্ত বিধিখন বিধিসন্মত নোহোৱা আৰু আসোৱাহ পূৰ্ণ হোৱা বুলি আয়কৰ বিভাগে প্ৰত্যাখ্যান কৰাত এইবেলি ২০১৩ বৰ্ষত এই ন্যাসৰ উপবিধি প্ৰস্তুত কৰি ২০১৩ বৰ্ষত আয়োগৰ চৰকাৰী পৰ্যবেক্ষকৰ উপস্থিতিত ইয়াক পঞ্জীয়ন কৰা হয়। লগতে ২০১৩ চনৰ ১৮ জুলাই তাৰিখে অসম বিধান সভাত মহপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় বিলৰ অনুমোদন জনাই সঙঘক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় খোলাৰ চৰকাৰী অনুমতি প্ৰদান কৰে। উল্লেখযোগ্য যে বিভাগীয় নীতি-নিয়ম মতে প্ৰয়োজনীয় কামকাজখিনি সম্পন্ন কৰি তুলিব নোৱাৰাৰ বাবে পূৰ্বতে জমা দিয়া ১০ লাখ টকা বিভাগীয় নীতিমতে বাজেয়াপ্ত হ'ব। পুনৰ ২০১৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখে ১০ লাখ টকাৰ আবেদন মাচুলসহ অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগত জমা দিয়াৰ উপৰিও শিক্ষামন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত আলোচনাৰ অন্তত অতি ক্ষিপ্ৰতাৰে বিভাগীয় কামকাজ সমূহ আগুৱাই নিয়াত জুলাই মাহৰ ১৮ তাৰিখে অসম বিধান সভাই 'অসম ব্যক্তিগত বিশ্ববিদ্যালয় আইন, ২০০৭"ৰ অধীনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ চৰকাৰী অনুমতি প্ৰদান কৰি বিশ্ববিদ্যালয় স্থাপনৰ পথ প্ৰশস্ত হয়। ইতিমধ্যে ২০১৪ বৰ্ষৰ শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ আৰম্ভ কৰিব পৰাকৈ নগাঁও মূল কাৰ্যালয় প্ৰাঙ্গনত এই বৰ্ষত প্ৰায় ১৩ লাখ টকা ব্যয়ৰে আধৰুৱা হৈ থকা ভৱনটি নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হৈছে। গুৱাহাটী ৰূপনগৰস্থিত শঙ্কৰী সংস্কৃতি কেন্দ্ৰত এটি শঙ্কৰদেৱ ভৱন আৰু গৱেষণা কেন্দ্ৰ স্থাপন কৰিবৰ বাবে কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ে ৯ কোটি ৫০ লাখ টকা অনুদান আগবঢ়োৱাৰ চৰকাৰী পত্ৰ প্ৰেৰণ কৰে। ইতিমধ্যে ২০১৩ বৰ্ষৰ গৃহনিৰ্মাণৰ চৰকাৰী নীতি-নিৰ্দেশনা মানি চলি কামকাজবোৰ আগবঢ়াই থকা হৈছে। এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰে কেন্দ্ৰীয় ডনাৰ মন্ত্ৰী শ্ৰীযুত পৱনসিং ঘাটোৱাৰ ডাঙৰীয়াই কৰি অহা সহায়ৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২৬। **শ্ৰীমন্ত শঙ্কৰদেৱৰ সমাজ কল্যাণ প্ৰতিষ্ঠান, যোৰহাট ঃ** এই প্ৰতিষ্ঠান যোৰহাট নগৰৰ মাজ মজিয়া তৰাজান গায়ন গাঁৱত অৱস্থিত তৰাজান গায়নগাঁও নিবাসী বিশিষ্ট সমাজসেৱক তথা দাতা শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱাৰ এটি দুমহলীয়া গৃহসহ ৩ কঠা ৩ লোচা মাটি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘলৈ চৰ্তসাপেক্ষে আগবঢ়াই "শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ কল্যাণ প্ৰতিষ্ঠান" নামে চৰকাৰী পঞ্জীয়ন কৰা হয়। ইতিমধ্যে ২০১৩ বৰ্ষত এই প্ৰতিষ্ঠানৰ এখন উপবিধি প্ৰস্তুত কৰি চৰকাৰী নথিভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে এই স্থানতেই ইতিমধ্যে যোৰহাট জিলা নামঘৰ প্ৰাঙ্গনৰ পৰা মূলৰ শাখা কাৰ্যালয়টি আৰু গ্ৰন্থবিক্ৰী কেন্দ্ৰটি স্থানান্তৰিত কৰি স্থায়ীভাৱে কাৰ্য পৰিচালনা কৰি থকা হৈছে আৰু ন্যাস সমিতিৰ জৰিয়তে এটি ক্ষুদ্ৰ চিকিৎসাসেৱা কেন্দ্ৰ খোলাৰ পৰিকল্পনা যুগুত কৰা হৈছে। ইতিমধ্যে মাৰ্চ মাহত বিশিষ্ট দাতা শ্ৰীশিৱপ্ৰসাদ বৰুৱাক যোৰহাট জিলা শাখাৰ সহযোগত মূল সঙঘৰ তৰফৰ পৰা কেন্দ্ৰীয়ভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত পদাধিকাৰ, প্ৰধান সম্পাদক, উপপদাধিকাৰকে প্ৰমুখ্য কৰি ভালেমান মূলৰ বিষয়ববীয়া সদস্য-সদস্যা উপস্থিত থকাৰ লগতে উজনি অসমৰ আয়ুক্ত মঃ ইফটিখাৰ হুছেইন ডাঙৰীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

২৭। **লখিমপুৰ শাখা কাৰ্যালয় আৰু নামঘৰ, গ্ৰন্থ বিপণন কেন্দ্ৰ ঃ** লক্ষীমপুৰ নগৰৰ প্ৰাণকেন্দ্ৰত এই কাৰ্যালয় অৱস্থিত। এটি আটকধুনীয়া অতিথিশালা আৰু এটি নামঘৰেৰে পৰিবেষ্টিত মূলৰ শাখা কাৰ্যালয় আৰু গ্ৰন্থ বিপণন কেন্দ্ৰ এখন পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত হয়। চলিত বৰ্ষত কাৰ্যালয় আচবাব ক্ৰয় কৰিবৰ বাবে মূলে অৰ্থ সাহাৰ্য আগবঢ়ায়। উজনিৰ কেইবাখনো জিলা শাখাৰ যোগাযোগৰ স্থলী এই শাখা কাৰ্যালয়টিৰ পৰিচালনা সমিতিৰ সুপৰিচালনাৰ বাবে ইতিমধ্যে অত্যাধুনিক ৰূপত সজাই তুলি দূৰণিবটীয়া ভকত বৈষ্ণৱসৰৰ সেৱাত ব্ৰতী হৈ আছে। পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলোটিলৈ কৃতজ্ঞতাৰে সেৱা যাচিলো।

২৮। **ডিব্ৰুগড় শাখা কাৰ্যালয়, অতিথিশালা, নামঘৰ পৰিচালনা সমিতি ঃ** ডিব্ৰুগড় চহৰৰ নিজ কদমণিত এই শাখা কাৰ্যালয়, অতিথিশালা আৰু নামঘৰ অৱস্থিত। ইতিমধ্যে এই স্থানত ডিব্ৰুগড় জিলা শাখাৰ ভকতবৈষ্ণৱ সদাশয় ব্যক্তি আৰু মূলৰ অৰ্থ সাহায্যৰে এটি দুমহলীয়া অতিথিশালা নিৰ্মাণৰ কাম অৰ্ধনিৰ্মিত অৱস্থাত আছে। নামঘৰটিৰ কামো প্ৰাৰম্ভিক অৱস্থাত আছিল যদিও এইবেলি ২০১৩ বৰ্ষত শাখা কাৰ্যালয়টিৰ উন্নতিৰ হকে মূলৰ পুঁজিৰ পৰা এক লাখ টকাৰ অৰ্থ সাহায্য ঘোষণা কৰি উক্ত কামকাজ সুচাৰুৰূপে পৰিচালনাৰ হেতু এখনি শক্তিশালী পৰিচালনা সমিতি মূলৰ দ্বাৰা গঠন কৰি দিয়া হয়। সুখৰ বিষয়, সভাপতি-সম্পাদকৰ নিজা আৰু ঐকান্তিকতাৰ বলত লগতে পৰিচালনা সমিতি আৰু জিলাবাসীৰ আকুণ্ঠ সহযোগত বৰ্তমানলৈ প্ৰায় ৫ লাখ ৫০ হাজাৰোধিক অৰ্থ ব্যয় কৰি প্ৰায় ৬ লাখ ৫০ হাজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হবলগা সুদৃশ্য এটি নামঘৰৰ কাম পূৰ্ণগতিত চলি আছে। ইতিমধ্যে চৰকাৰী অনুদানেৰে শাখা কাৰ্যালয়টিৰ বিশুদ্ধ খোৱা পানীৰ চলন্ত ব্যৱস্থাৰ বাবে প্ৰায় ৪০ হাজাৰ টকাৰ বাজেটেৰে কামত অগ্ৰসৰ হৈছে। এই প্ৰতিবেদনৰ জৰিয়তে পৰিচালনা সমিতিখনলৈ কৃতজ্ঞতাৰ সেৱা আগবঢ়োৱা হ'ল।

২৯। **শঙ্কৰী সংস্কৃতি প্ৰকল্প গৌৰীপুৰ, দুমৰদহ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ অন্যতম এটি প্ৰকল্পৰ নাম "শঙ্কৰী সংস্কৃতি প্ৰকল্প গৌৰীপুৰ, দুমৰদহ"। ২০০২ চনতে এই স্থানতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ বিভিন্ন জিলা শাখাৰ সদাশয় ভকতবৈষ্ণৱসৰৰ আৰ্থিক দানেৰে ৪৬ বিঘা মাটি ক্ৰয় কৰি চৌহদ নিৰ্মাণ কৰি এই প্ৰকল্প নিৰ্মাণ কৰা হৈছিল। চৰকাৰী সাহায্য আৰু ভকতৰ ধনেৰে নিৰ্মাণ কৰা এই প্ৰতিষ্ঠানত নামঘৰ, অতিথিশালা, দুটি ভৱন লগতে দেৱাল নিৰ্মাণ কৰা হৈছে। বৰ্তমান দুটি গৃহত দুখন বিদ্যালয় চলি আছে। অৱশ্যে কিছু বছৰৰ আগতে এই স্থানৰ চাৰিসীমাৰ চৌহদৰ কিছু অংশ দেৱাল খহি পৰি উন্মুক্ত হৈ পৰাত প্ৰকল্পটিৰ নিৰাপত্তাৰ ক্ষেত্ৰত ভাবুকি কঢ়িয়াই আনে। ফলত চৌহদৰ সৌন্দৰ্য বিঘ্নিত হৈ পৰে। আমাৰ কাৰ্যকালৰ আৰম্ভণিতে চৌহদৰ ভাঙি পৰা পকা দেৱাল পুনৰ নিৰ্মাণৰ লগতে সন্মুখভাগৰ বাকী থকা অংশৰ প্ৰায় ১২০ ফুট দেৱাল নতুনকৈ নিৰ্মাণ কৰি নতুন-পুৰণি (নবনিৰ্মিত) আটাইখিনি দেৱাল প্লাষ্টাৰ কৰা হয়। ইতিমধ্যে নামঘৰ ভাগো গুৱাহাটী মহানগৰ জিলাৰ কাহিলীপাৰাৰ সদাশয় ভকত শ্ৰীযুত বীৰেন বৰুৱাৰ অৰ্থেৰে ৰং কৰাৰ প্ৰাৰম্ভিক কাম সম্পন্ন কৰা হয়। এই নিৰ্মাণ সামগ্ৰিকভাৱে কাৰ্যত ৪ লাখ ২৯ হাজাৰ ৪০৭ টকা ব্যয় কৰা হয়।

৩০। **শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, পাঞ্জাবাৰী ঃ** গুৱাহাটীৰ প্ৰয়াত মাধৱ দাস দেৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘলৈ দানসূত্ৰে আগবঢ়োৱা এটি স্থায়ী আন্তঃগাথনিৰ নামঘৰসহ আগবঢ়োৱা মাটিত এই কেন্দ্ৰ অৱস্থিত। ইতিমধ্যে চলিত বৰ্ষত নামঘৰৰ উন্নয়নৰ লগতে চৌহদত মাটি ভৰোৱা, স্নানাগাৰ, শৌচাগাৰ আদি নিৰ্মাণৰে কেন্দ্ৰটি আটকধুনীয়া কৰি তোলা হৈছে। প্ৰায় এক লাখ সত্তৰ হাজাৰ টকা ব্যয়ৰে নিৰ্মাণৰ কামত কিছু অগ্ৰগতি লাভ কৰিছে যদিও বৰ্তমানে চৌহদৰ

*(১৩ পৃষ্ঠাত চাওক)*

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথমখন গভৰ্ণিং ব'ডিৰ দুটি দৃশ্যপট





# ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতি গঠনৰ কেইটিমান মুহূৰ্ত















# কবিতা

## তিনিচুকীয়াৰ অনিৰুদ্ধদেৱ ক্ষেত্ৰ

শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ
যি নামৰ সোঁৱৰণে আজিও কৰে
কৃষ্ণ-ভকত উদ্বুদ্ধ।
যাৰ হেতু প্ৰাণৰ কৃষ্ণ
আহিছিল শোণিতপুৰ
মোহনবাঁহীৰ সুৰত বাজিছিল
উষা-অনিৰুদ্ধৰ
প্ৰেম-মিলনৰ মধুৰ সুৰ।
আই চিত্ৰলেখা,
পুনু দিছেহি দেখা
হাতত তুলিকাৰে
উষাৰ সপোনৰ কোঁৱৰ
আনিব বিমানেৰে।
তিনিচুকীয়াৰ অনিৰুদ্ধদেৱ ক্ষেত্ৰ
কৰি পবিত্ৰ
আহিছে অনিৰুদ্ধ
ৰজা বাণে নোৱাৰে কৰিব কাৰাৰুদ্ধ
নাতি উদ্ধাৰৰ হেতু
কৃষ্ণই কৰিব যুদ্ধ
ভক্তক ৰাখিবৰ হেতু
হৰকো দেখিছো ক্ষুব্ধ
পুনু হ'ব নেকি যুদ্ধ
হ'লেও হওক
চাম নয়ণ ভৰি
শুনিম সুমধুৰ ধ্বনি
ৰাম-কৃষ্ণ-হৰি।।◆

মোহন বড়া

## ইবাৰ নেৰিবা মোক

সপোন...
হৃদয়ৰ প্ৰাৰ্থনা
কাকুতি মিনতি প্ৰভু
নিৰৱ সাধনা...
মনৰ।
স্বাৰ্থৰ মাজত পোৱাৰ বাসনা
ভাকুট-কুট?
প্ৰভু মোক 'ইবাৰ নেৰিবা'
চৰণে ধৰো প্ৰণিপাত কৰো
নিস্বাৰ্থৰ মাজতো স্বাৰ্থ সিদ্ধিৰ
আকুল কামনা।
অন্ধ মুগুধ মানৱ
পাপৰ কাৰক....! নিমিত্ত
সংসাৰ।
'ইবাৰ নেৰিবা মোক'◆

কৌশিক কলিতা

## কমলৰ অন্বয়

ব্ৰহ্মা, মহেশে যাক
নিৰন্তৰে ভজে
সেহিজনৰ নিবাস মন্দিৰ
কমলৰ দৰে।
আছে তেওঁৰ পদ্মনাভ, পদ্মগৰ্ভ
পদ্মত কৰে শয়ন,
পদ্মমালা কৰে পৰিধান
পদ্মাকৃতিৰ চৰণ যুগল।
চৰণ তলত জ্বলে
চিহ্ন পদুমৰ,
চতুৰ্থ হস্তত আছে
পদ্ম অস্ত্ৰখন।
একান্ত চিত দিলে বিষ্ণুত
গজই সুৰ্বণ কমলৰে
কমলৰ মধু গন্ধ পান
কৰে মধু কৰে।
পদুমৰ গন্ধ নাপায়
জলৰ জীৱে,
বুৰমাৰি মৃণাল খায়
ৰাজহাঁহবোৰে।
পদুমৰ মাজতে হয়
সৃষ্টিৰ ৰহস্য
পূৰ্ণ পদ্মৰ আৰ্হিত সজা
সপ্ত বৈকুণ্ঠ।
শুনা বাপ-আই,
কমলৰ অৰ্থ
কবিতাই কি বাৰু কয়?
কমলৰ অৰ্থ শুদ্ধ সত্ত্ব নাম
ভকতক শুদ্ধ চিত্তে
কৰিব কৈছে পান
তেহে ভকতৰ প্ৰতি
নটবৰৰ থাকিব প্ৰাণ।◆

নলিনী ঠাকুৰীয়া

## প্ৰিয়তমৰ চিঠি

স্বৰ্গীয় প্ৰেমৰ বোলেৰে বোলোৱা
মাধৱে উজাগৰী নিশা লিখা চিঠিখন
এবাৰ-দুবাৰ নহয় বহুবাৰ পঢ়িছোঁ
যিমানে পঢ়োঁ নিত্য নতুন
অনুভূতিৰে অভিভূত হওঁ
সেয়েহে বাৰে বাৰে পঢ়োঁ
সুখৰ বেলাতো আৰু
দুখৰ লগ দিলেও
মন বেয়া লাগিলেও নতুবা
ভাল লাগিলেও
নতুন অনুভূতিৰ হেঁপাহতে
গুৰু সেৱা ভকত সেৱাও কৰোঁ
তাৰে দুই-এটি স্তৱকেৰে।।◆

ভবেন দুৱৰী

## তুমি জয়ী হোৱা

অসমী আইৰ বুকুত
এটি নতুন সূৰ্য
যাৰ সোণোৱালী কিৰণে
সিঁচি পঠিয়ালে
সমস্ত ভাৰত জুৰি
ভকতিৰ অমিয়া মাধুৰী।
হৃদয়ৰ গভীৰৰো গভীৰতম
ভকতি হ্ৰদৰপৰা নিগৰি অহা
ভকতৰ অমৃতময় সুধাময়
প্ৰাণময় বৃষ্টিৰ ধাৰাত
আজি সমস্ত ভক্তবৃন্দ
তিতি জুৰলি জুপুৰি।
হেপাহেৰে আনন্দেৰে
গুৰুজনাই দি যোৱা
বাঙ্ময় মূৰ্তিৰ সন্মুখত
ভকতি প্ৰদীপ গছি জ্বলাই
ভক্তিৰে আনন্দেৰে সেৱা কৰি গায়
'কিমতে ভকতি কৰিবো তোহ্মাত...."
হে মহান আত্মা
গুৰুসেৱাত তুমি আজি
এক জলন্ত আদৰ্শ।
কৰ্মত তুমি ল'লা 'বড়াৰ পো' নাম।
তুমি জয়ী হোৱা
তুমি জয়ী হোৱা।◆

কেশৱ নাথ

## জীৱনৰ দৃশ্য

আই, সত্যসন্ধাৰ গৰ্ভত
বাপ, কুসুম্বৰৰ ঔৰষত
জন্মিলে শ্ৰীমন্ত শঙ্কৰে
পুণ্যভূমি অসমত।
লিখনিৰে বুজালে
আমাক
ছয় ৰিপুৰ নিয়ন্ত্ৰণত
লাভ নাই, বিভেদত
ক্ষতি আছে অভিমানত
গুৰুবাক্যৰে মনক
কৰিব লাগিব নিয়ন্ত্ৰণ,
তেহে ৰচিব দৃষ্টান্ত
অন্তিম কালৰ দৃশ্যত।◆

তুলসী ভূঞা

## ফাগুণ

ৰিঙা ৰিঙা পথাৰত
উৰুঙা মনৰ নিজান সুৰ
পচোৱাই সাৰিছে বাট
লঠঙা ডালত শিমলু ফুল।
ফাগুন আহিছে আকাশে বতাহে
সময় পদুলিত ৰং বিলাবলৈ
সবকি অহা জোনৰ পোহৰত
ঋতুৰ কথাকে ক'বলই।
আঁচলত আঁকিছে হিয়াৰ দাপোন
মদাৰ ডালত ৰঙীন সপোন
মন ফাগুনত উদুলি-মুদুলি
তন্দ্ৰাবিভোৰ আশাৰ ৰজনী।
সময় সেওঁতাৰে আহিব ফাগুন
কানন ভৰি ফুলিব ৰঙীন ফুল
আশাৰ পদুলিত বিলাব সৌৰভ
বাজিব হিয়াত আপোন সুৰ।◆

নীলমণি বৰুৱা

# বিহু উৎসৱ

*(৬ পৃষ্ঠাৰ পৰা)*

বিহু (গাভৰু বিহু) উদ্‌যাপন কৰি তাত গাভৰুসকলে মনে বছা দৰাজনক জাপি নৃত্যৰে বৰণ কৰা লোকাচাৰ আদি স্বকীয় পৰম্পৰাৰে উদ্‌যাপিত ব'হাগ বিহুৰ কেতবোৰ সুকীয়া বৈশিষ্ট্য।

ব'হাগ বিহুৰ নিচিনাকৈ মাঘ আৰু কাতি বিহুতো অঞ্চল আৰু জনগোষ্ঠী সাপেক্ষে কেতবোৰ স্বকীয়তা লক্ষ্য কৰা যায়। অসমৰ সকলো সমাজত কি জনজাতীয় কি অজনজাতীয় সমাজ মাঘ বিহুত ভোগ-বিলাস পয়োভৰ আৰু কাতি বিহুত ইষ্ট সেৱাৰ ব্যাপক সংযোগ ঘটা দেখা যায়। এনে সময়তে আত্মীয়-কুটুম্বৰ উপস্থিতিত পূৰ্বপুৰুষ, ইষ্টদেৱতা বা গুৰুজনাকো শ্ৰদ্ধাৰে স্মৰণ বা আলপৈচান ধৰাৰ অৱকাশ ওলায়। টাই-আহোমসকলৰ বানফি, ডামফি আদি অনুষ্ঠানৰ দৰে বড়ো-কছাৰীসকলৰ গুখৈনি বাওনায়, সোণোৱাল কছাৰীসকলৰ মৰাক দিয়া বা পিৰ দিয়া সবাহ আদি এই উদ্দেশ্যে অনুষ্ঠিত হৈ আহিছে। সেইদৰে মাঘ বিহুৰ সৈতে অংগাংগীভাৱে গুৰু-গোসাঁইক সেৱা-ভক্তি কৰাৰ প্ৰক্ৰিয়াও কোনো কোনো মহাপুৰুষীয়া বা শৰণীয়া জনগোষ্ঠীয় সমাজত পোৱা যায়। মিছিংসকলৰ মাজত প্ৰচলিত 'মাগ চাকি লগোৱা' পৰ্ব এই শ্ৰেণীৰ।

উজনি অসমৰ মাঘ বিহুত গো-পূজাৰ সৈতে কোনো ধৰ্মীয় কৃত্য প্ৰত্যক্ষ নহয় যদিও নামনি অসমৰ সকলো জনগোষ্ঠীৰ মাজত (জনজাতি-জাতি নিৰ্বিশেষে) মাঘ বিহুতো ব'হাগ বিহুৰ দৰে গো-গাইৰ সৈতে নানা ধৰণৰ ধৰ্মীয় কৃত্য জড়িত হৈ আছে। উৰুকাৰ দিনাখন সন্ধিয়া এৰী সূতাৰে গৃহস্থৰ ঘৰ-দুৱাৰ, গোহালি আদি ঘেৰ দিয়ে— যাক ঘৰ ঘেৰাণি বা ঘৰ বেৰা দিয়া বোলে। তাৰ পিছদিনাখন গৰু বিহুৰ নামত মিঠাতেলত গলাই লোৱা ধেঁতোৰ ক'লা (ঘিমছু) নতুবা পানীত গলাই লোৱা পিঠাগুড়িৰে গৰু আদি পোহনীয়া জন্তুক ফোঁট দিয়া হয়।[8] অকল এয়ে মাথোন নহয়, নামনি অসমৰ দৰে অন্যান্য অঞ্চলতো সিদিনাখন গৰখীয়াসকলক মান ধৰা, মাহকড়াই খুওৱা নতুবা হাঁহ-পাৰৰ ভোগ দিয়া ব্যৱস্থাও আছে। এইক্ষেত্ৰত বড়োসকলৰ মাজত উৰুকাৰ নিশা গৰখীয়াসকলে পালন কৰা লাওখাৰ এনায় উ'খাম (গৰখীয়া বৃত্তিৰ পৰা অব্যাহতি পোৱা ভোজ) পৰ্বৰ আয়োজন মন কৰিবলগীয়া। ডিমাছাসকলৰ নিচিনাকৈ ভৈয়ামৰ কাৰ্বি আৰু তিৱাসকলৰ মাজতো কেবাটাকৈ সজোৱা হাৰলি বা ভেলাঘৰ পোৱা যায়, তাৰে অন্ততঃ এটা গৰখীয়াৰ নামত উছৰ্গা কৰা হয়। আগদিনাখন, অৰ্থাৎ উৰুকাৰ দিনাখনেই জ্বলাবলগীয়া পৱিত্ৰ হাৰলি ঘৰক ডিমাছা, সোণোৱাল কছাৰী, দেউৰী আদি জনগোষ্ঠীয়ে পিতামহ ভীষ্মৰ চিতা জ্ঞান কৰি এই মকৰ সংক্ৰান্তিৰ (সিদিনা দক্ষিণায়নৰ শেষ দিন আৰু সিদিনাই শৰশয্যাত থকা ভীষ্মৰ ইচ্ছামৃত্যু হৈছিল বুলি বিশ্বাস কৰি) দিনা ভক্তিসহকাৰে দাহন কৰে অৰ্থাৎ মেজি জ্বলায়।

সেইদৰে উৰুকাত ডিমৰীয়া অঞ্চলৰ তিৱাসকলে লালিলাং গীত গাই মাছ মৰা,[9] মৰাণ, দেউৰী, সোণোৱাল কছাৰী আদি জনগোষ্ঠীয়ে বৰাগাহৰি হিচাপে পুনৰ জন্ম নাপাবলৈ মেজি পোৱা জুইত আলু পুৰি খোৱা, গৰুৰ দুমাল নামৰ ডিঙি ফুলা ৰোগ হোৱাৰ ভয়ত বড়োসকলে অতি প্ৰিয় টেকেলি পিঠা বিহুৰ বতৰত নোখোৱা আদি লোকাচাৰ তেনেই আছুতীয়া আছিল যদিও কালক্ৰমে এইবিলাক অইন অইন জনগোষ্ঠী আৰু প্ৰান্তলৈকো বিস্তাৰ লাভ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত মাঘ বিহুৰ সমধৰ্মী শীতকালীন খেতি চপোৱা অন্যান্য পৰ্বৰ ভিতৰত চাহ জনগোষ্ঠীৰ টুচু পৰব, টাই-তুৰুংসকলৰ 'মাইক' চুমফাই, খামতিসকলৰ মাইমেফুং, মিছিংসকলৰ পঃৰাগ (নৱাছিগা বিহু), পাহাৰী মিৰিসকলৰ বুৰিবুত, নিচিসকলৰ ন্যোকুম, মনপাসকলৰ তোৰগ্যা, আদিসকলৰ আৰাণ বা পোম্বি, গালংসকলৰ মপিন, আংগামী নাগাসকলৰ, গাৰোসকলৰ ৱানগালা প্ৰভৃতি উৎসৱ অতি লেখত ল'বলগীয়া।[10]

কাতি বিহুৰ উৎস বিচাৰি গ'লে অষ্ট্ৰ'-মংগোলয়ডসকলৰ চন্দ্ৰমাহ অনুযায়ী আহি পৰা বছৰৰ প্ৰথম দিনটোতে ঝুমখেতিৰ শইচ চপোৱা বতৰত পালন কৰা এটা ৰং-আনন্দ আৰু ভোগ-বিলাসৰ উৎসৱলৈ আঙুলিয়াব পাৰি। অসমৰ বহুতো পাহাৰীয়া জনগোষ্ঠীয়ে এতিয়াও এই ঋতুতে খেতি চপাই ভোজ-ভাত খাই নাচ-বাগ কৰে। গাৰোসকলৰ শৰৎকালীন খেতি চপোৱা উৎসৱ 'জামে গাপা-আহা উপা' আৰু হেমন্তকালৰ ন-খোৱা পৰ্ব 'ৱানগালা', কাৰ্বিসকলৰ ন-খোৱা উৎসৱ 'চকেৰয়' আৰু ইয়াৰ লগত সম্পৰ্কিত 'লক্ষ্মী কেপ্লাং' গীত আৰু 'হাচাকেকান' নৃত্যসমূহ মংগোলীয় মূলজ জনগোষ্ঠীৰ একালৰ বাসভূমি ব্ৰহ্মদেশত প্ৰচলিত 'তেজওমৌ' উৎসৱৰ সৈতে সাদৃশ্য মন কৰিবলগীয়া। সেইদৰে টাই-আহোমসকলৰ কাতি-আঘোণ (ডিং-চিং)ৰ পৰা নতুন বছৰ গণনা কৰাৰ অনুৰূপ প্ৰথা ৰাভাসকলৰ মাজতো আছিল। এনে সময়ত ৰাভাসকলেও 'গ্ৰি'মবুদা' বা 'বি'ছাৰ থেফেনকায় দেৰা' (বছৰে মোট সলোৱা উৎসৱ) পালন কৰে।

নামনি অসমৰ সকলো জনগোষ্ঠীৰ লোকে কাতি বিহুক 'কাতিগাছা' বা 'কাতিদল' বোলে। কাতি বিহুত ঔ-খোলেৰে ধাননি পথাৰত চাকি-শলিতা দি শইচ নদন-বদন হোৱাৰ মানসেৰে প্ৰাৰ্থনা গীত গায়। বড়ো-কছাৰীসকলে সিদিনা মিঠাতেল সনা চিৰিপাটেৰে ধাননিডৰাৰ ওপৰেদি আলফুলে হেঁচুকি দিয়াই থোক ভৰি ধান লাগিবলৈ এটা বিশেষ লোকাচাৰ পালন কৰে। কোচ ৰাজবংশীসকলে সিদিনা গধূলি তুলসীজোপাৰ তলত আগলতি কলপাত পাৰি তাতে সেন্দুৰৰ ফোঁট দি এযোৰ তামোল-পাণসহ নকৈ কাটি অনা বাঁহি সোটা (বাঢ়নীটাৰ) থিয়কৈ বহুৱাই বন্তি প্ৰজ্বলনেৰে দেৱী জ্ঞান কৰি পূজে। হাজংসকলে কাতি বিহুৰ পৰা দেৱালীলৈকে ঘৰে ঘৰে গৈ চড়খেলা উৎসৱ উদ্‌যাপন কৰে আৰু প্ৰণয়মূলক লেৰাটানা নৃত্য-গীতত ভাগ লয়। তিৱাসকলে কাতি বিহুৰ দিনাখন নোবাৰত ন তামোল-পাণ আগ কৰি 'দেওসেৱা' কৰি নিবত (নৈবেদ্য) আগবঢ়ায়। কাৰ্বিসকলে কাতি মাহৰ প্ৰথমদিনা মুনপেই আৰমুত অৰ্থাৎ বৰখুঁটাত 'চাকৰিদুং' অনুষ্ঠান পাতে। ডিমাছাসকলেও সিদিনাখন গাড্ডী সাঙোঁৱা পালন কৰে। তাহানিতে এই বিশেষ দিনটোতে হেৰেমডী বা হেড়েম্বেশ্বৰী আৰু ৰণচণ্ডীৰ নামত নৰবলি দিছিল। এই সকলোবোৰ প্ৰকাৰান্তৰে শাৰদীয় দুৰ্গা পূজাৰ স্থানীয় ৰূপ।

**বিশ্বৰ প্ৰেক্ষাপটত বিহুসদৃশ বসন্তোৎসৱ** ঃ বিহুসদৃশ বতৰৰ উৎসৱ মাত্ৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ ধাৰ্মিক প্ৰভাৱ নপৰা মানৱগোষ্ঠীৰ মাজত ঘাইকৈ যৌনজীৱন আৰু পথাৰ-সমাৰৰ উন্নতিৰ বাবে উদ্‌যাপিত হৈ আহিছে। নতুন বছৰৰ আগমনত পুৰণি বছৰক বিদায় দিয়াৰ বাবে সাধাৰণতে ধৰ্মীয় আচাৰ-ৰীতিৰে নানাধৰণৰ পূজা-পাতলৰ লগতে নৃত্য-গীত অনুষ্ঠিত কৰা হয়। তদ্ৰূপ ন মাটি চহাবৰ সময়ত বা শস্য চপোৱাৰ কালত নৃত্য-গীতৰ আয়োজন কৰি ভোজ-ভাত খোৱা দস্তুৰো বিশ্বৰ কোনো কোনো ঠাইত প্ৰচলিত আছে।

বিহুৰ সৈতে মিল থকা অন্যতম বিদেশৰ বসন্তোৎসৱ হ'ল চীনদেশীয় নৱবৰ্ষ। চীনদেশত বসন্তকালৰ আৰম্ভণিৰ প্ৰথম চান্দ্ৰমাহৰ প্ৰথমৰ কেইদিনমানলৈ ঘৰ আৰু পথাৰৰ কাম-কাজ বন্ধ ৰখাই, গৃহস্থই পূৰ্বপুৰুষক স্মৰণ কৰে আৰু আত্মীয়-কুটুম্বৰ বিচাৰ লয়। ল'ৰা-বুঢ়া, মতা-মাইকী আটায়ে আমোদ-প্ৰমোদেৰে ভাগ লয়, ভোজ-ভাত খাই ফটকা ফুটায়। ধাৰ-ঋণ পৰিশোধ কৰি বছৰটোৰ বাবে নতুন নতুন আঁচনি (প্ৰতিজ্ঞা) লয়। ঘৰ-বাৰী চাফ-চিকুণ কৰি অপায়-অমংগল দূৰীকৰণৰ অৰ্থে পূজা-পাতলৰ আয়োজন কৰে। এই উৎসৱৰ প্ৰথম দিনটো কুকুৰাৰ, দ্বিতীয় দিনটো কুকুৰৰ, তৃতীয় দিনটো গাহৰিৰ, চতুৰ্থ দিনটো হাঁহৰ, ষষ্ঠ দিনটো ঘোঁৰাৰ আৰু সপ্তম দিনটো মানুহৰ জন্মদিন হিচাপে মানে। তৃতীয় দিনা ধনৰ দেৱতাক পূজে, চতুৰ্থ দিনা ৰাজহুৱা স্নানাগাৰ মুকলি কৰায়, ষষ্ঠ দিনা মিতিৰ খাবলৈ যায় আৰু সপ্তম দিনা ৰঙা উৰহী খোৱা নিয়ম আৰু ঘৰৰ পৰা ওলোৱা সম্পূৰ্ণৰূপে নিষেধ। সপ্তম দিনাৰ পৰা দশম বা ততোধিক দিনালৈ ভোজ-ভাত খাই কটায়। তৃতীয় চান্দ্ৰমাহৰ আৰম্ভণিতহে পূৰ্বপুৰুষৰ পূজা-পাতল দি চীনাসকলে প্ৰকৃত বসন্তোৎসৱ পালন কৰে। খ্ৰীঃপূঃ পঞ্চম-ষষ্ঠ শতিকামানলৈকে এই উৎসৱৰ সৈতে কেতবোৰ লৌকিক নৃত্য প্ৰচলিত আছিল। তেতিয়া দক্ষিণ-পশ্চিম অঞ্চলৰ চীনা ডেকা-গাভৰুৱে নৈৰ পাৰলৈ গৈ মুকলিমূৰীয়াকৈ নৃত্য-গীত কৰি কপৌফুলৰ আদান-প্ৰদানেৰে মনৰ ভাব বিনিময় কৰিছিল। ডেকা-গাভৰু উভয়ে প্ৰেমমূলক গীতেৰে উত্তৰ-প্ৰত্যুত্তৰ দিছিল— ঠিক বিহুগীতৰ দৰেই। বিহুৰ লগত জড়িত আচাৰ-ৰীতিৰো ভালেখিনি চীনা উৎসৱৰ লগত সাদৃশ্য আছে। যেনে—

1। বিহুৰ লগত সম্পৰ্কান্বিত গৰু বিহু, মানুহ বিহু আৰু গোসাঁই বিহু চীনা বিহুৰ অনুৰূপ।

2। ঘৰ-বাৰী চাফ-চিকুণ কৰি অপায়-অমংগল দূৰীকৰণাৰ্থে ব্ৰাহ্মণ-সজ্জনক ভোজন কৰোৱা, গুৰুজনাৰ সেৱা-সৎকাৰ কৰা, আশীৰ্বাদ বিচৰা আদি ৰীতিৰো দুয়োটাতে সাদৃশ্য আছে।

3। বিহুৰ সময়তো চীনা বিহুৰ দৰে ঋণমুক্ত কৰা আৰু মিতিৰ খাবলৈ যোৱা দস্তুৰৰ প্ৰচলন আছে।

4। চীনাসকলে এদিন ৰঙা উৰহী খোৱাৰ দৰে বিহুতো এদিন নিমপাত, শোকোতা আদি খোৱাৰ দস্তুৰ থকাটো মন কৰিবলগীয়া।

ইয়াৰ উপৰি চীনা সাহিত্যৰ সংক্ষিপ্তধৰ্মী কবিতাৰ লেখীয়াকৈ বিহুগীতো মালয় অঞ্চলৰ পানটুনৰ[11] "সমপৰ্যায়ৰে অৰ্থাৎ প্ৰথম দুফাকি নিৰৰ্থক, পিছৰ ফাকিৰ ছন্দৰ মিলৰ বাবেহে প্ৰকৃতিগত চিত্ৰ দাঙি ধৰা গুণেৰে বিভূষিত। এই পৰম্পৰাটি বিহু বিশেষজ্ঞ ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে প্ৰায় দুহেজাৰ বছৰ পূৰ্বে দক্ষিণ-পশ্চিম অঞ্চলত বসতি কৰা শ্যানসকলে অসমলৈ প্ৰব্ৰজনৰ মাজেদি আমদানি কৰা বুলি ঠাৱৰ কৰিছে।

পৰিশেষত এইদৰে মুখিয়াব পাৰি যে আঞ্চলিক বৈশিষ্ট্য অটুট থাকিও বিহুৰ সাৰ্বজনীনতা সদা লক্ষণীয়। একমাত্ৰ বিহুৱেহে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অন্যতম ধাৰক আৰু বাহকৰ মৰ্যাদা বহন কৰি আহিছে। ড০ প্ৰফুল্লদত্ত গোস্বামীৰ ভাষাৰে ক'বলৈ গ'লে— "বৰ্তমান সমাজত বিহুৱে হৈ পৰিছে বহুভাষী বহুশ্ৰেণীৰ লোকৰ সাংস্কৃতিক ঐক্যৰ এক পন্থা।"❖❖

# পদাধিকাৰৰ কলম

*(৪ পৃষ্ঠাৰ পৰা)*

আশা প্ৰত্যাশাৰে ভৰা মধুৰ দিনবোৰ আজি বাৰু সঁচাই হেৰাই গ'ল নেকি? নে হেৰুৱাৰ উপক্ৰম ঘটিছে।

আজি যেন আমাৰ ব্যক্তি-জীৱনত হেৰুৱাৰ বেদনাই আঘাত হানিছে। সমাজ জীৱনতো চৌদিশে কেৱল ৰিঙা ৰিঙা ভাবৰ জোকাৰণি। আশাৰ সুৰুযৰ সুখ-ভোগৰ ৰঙীন স্বপ্নবোৰ যেন আজি নিৰাশাৰ ক'লীয়া ডাৱৰে আৱৰি ধৰিছে। আমাৰ মনবোৰ আজি বেদনা বিধুৰ, বিষাদভৰা ক্লান্তিৰে ভাৰাক্ৰান্ত আমাৰ মন।

আমাক আজি মনবোৰ হিংসা, জিঘাংসা, ঘৃণা, হত্যা, বলাৎকাৰ, ধৰ্ষণ, বিদ্বেষ, সন্দেহ, শংকাই চৌদিশৰপৰা আৱৰি ধৰিছে। চৌদিশে কেৱল অগ্নিশিখা। এই অগ্নিশিখাৰ মাজত আজি আমি অসমীয়া জাতিয়ে অস্তিত্বহীনতাৰ আশংকাত ভুগিছোঁ। আমি যেন হেৰাই যাম, নোহোৱা হৈ যাম।

বিদেশীয়ে আমাক যেন গ্ৰাস কৰি আনিছে— জনগোষ্ঠীয় সংঘাতে জাতীয় জীৱন বিপন্ন কৰি তুলিছে, সীমা বিবাদৰ তাড়নাত আমি ব্যতিব্যস্ত হৈ পৰিছোঁ। ধৰ্ম সংকটত ভুগি আমি নিজকে পাহৰি পেলাইছোঁ।

অস্ত্ৰৰ ঝন্‌ঝননিত কাৰো মাত যেন কোনেও নুশুনা হৈছে। বোমা-বাৰুদৰ ধোঁৱাই যেন আজি আমাৰ শান্তিৰ আকাশখন ধুঁৱলী-কুঁৱলী কৰি পেলাইছে।

সৰ্বোপৰি 'বিশ্বায়ন'ৰূপী সৰ্বগ্ৰাসী হাতোৰাই আমাক চাৰিওফালৰপৰা চেপি-খুন্দি মযিমূৰ কৰি পেলাব ধৰিছে। আমাৰ ভাওত বিশ্বায়ন, আমাৰ মাতত বিশ্বায়ন, আমাৰ জাততো বিশ্বায়ন— আমাৰ উপায় হেৰাই গৈছে। আন্তঃজাতীয়ত্বৰ নামত জাতিয়ত্ব হৰণৰ ই যেন এক পাশুপাত অস্ত্ৰ। নিজ অধিকাৰৰপৰা বঞ্চিতকৰণৰ হৈ যেন এক চতুৰালি।

অনাকাংখিত সহস্ৰ দুঃশাসনৰ লেলিহান সতীত্ব হৰণৰ হাতেৰে সহস্ৰ গৰাকী মাতৃ-বধূ, ভগ্নীৰ সতীত্ব হৰণ নিতে নিতে হ'বই লাগিছে। সঁচা, আমাৰ বাবে ই অত্যন্ত দুঃসময়। এই দুঃসময় অতিক্ৰম কৰিবৰ বাবে এই ব'হাগতে আমি প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব। এই ব'হাগে আমাৰ বাবে কঢ়িয়াই আনক সঁচা প্ৰত্যয় আৰু প্ৰতিশ্ৰুতি।

গুৰু শ্ৰীমন্ত শঙ্কৰৰ জগতজোৰা অবিনাশী আদৰ্শৰে আমি আগবাঢ়িব লাগিব। নৰ্তনত শঙ্কৰ, বায়নত শঙ্কৰ, গায়নতো শঙ্কৰ। এই শঙ্কৰী সংস্কৃতিৰ অনুপম প্ৰেৰণাৰে 'আমি অসমীয়া নহওঁ দুখীয়া' ধ্বনিৰে আমি বৰাক-ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ ধ্বনিত কৰি আগবাঢ়ি যাওঁ আহক।

'হৰি ভজনা'— বেদৰ ধ্বনি, ঋকৰ মন্ত্ৰ। এই মন্ত্ৰ ধ্বনিৰে এই ব'হাগতে আমি নিজক পৱিত্ৰ কৰি জগতকো পৱিত্ৰ ৰূপত গঢ়াৰ প্ৰত্যয়ৰে আগবাঢ়ি যাবৰ হ'ল।

তেতিয়াহে বিহু বিহু নলগা গাবোৰো সাতখন আঠখন হ'ব। নিজক চিনি পোৱাৰ লগতে জগতকো চিনিব পাৰিম।

ব'হাগ আমাৰেই

ব'হাগ বৰ আমেজভৰা, বৰ প্ৰতিশ্ৰুতি ভৰা।■

# ভক্তি আন্দোলন

(৩ পৃষ্ঠাৰ পৰা )

কিয়নো 'সৰ্ববেদান্ত সাৰংহি ভাগৱতমিষ্যতে' - অৰ্থাৎ সকলো বেদান্তৰ সাৰভাগ ভাগৱততে নিহিত হৈ আছে। শঙ্কৰদেৱে বেদান্ত দৰ্শনৰ বিভিন্ন ব্যাখ্যা একত্ৰে থুপখাই থকা শ্ৰীমদ্ভাগৱত পুৰাণৰ দাৰ্শনিক তত্ত্বসমূহ তেৰাৰ অপূৰ্ব সৃষ্টি 'কীৰ্ত্তন-ঘোষা'ত প্ৰাঞ্জলভাৱে ব্যক্ত কৰিছে। 'কীৰ্ত্তন-ঘোষা' মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ নাম ধৰ্মৰ চাৰিপুথিৰ অন্যতম। চাৰি পুথিৰ বাকী তিনিখনতো এই একশৰণ ধৰ্মৰ দাৰ্শনিক তত্ত্বসমূহ ব্যাখ্যা কৰা হৈছে যদিও 'কীৰ্ত্তন-ঘোষা'ত একোটা উপাখ্যানৰ মাজেৰে কাব্যিক মাধুৰ্য আৰু সাংগীতিক লয়ৰ জৰিয়তে একশৰণ ধৰ্মৰ তত্ত্বসমূহ সহজবোধ্য ৰূপত দঙি ধৰিছে। সেইবাবেই 'কীৰ্ত্তন-ঘোষা' গ্ৰন্থখনিক বেদান্তসূত্ৰৰ ভাষ্যৰ মৰ্যাদা প্ৰদান কৰা হয়।

ভাগৱত পুৰাণত সন্নিবিষ্ট বেদান্ত তত্ত্বসমূহ শ্ৰীধৰ স্বামীৰ ভাষ্য 'ভাগৱত ভাৱাৰ্থ দীপিকা'ত অদ্বৈত ৰূপত প্ৰকাশ পাইছে। শঙ্কৰদেৱে যিহেতু ভাগৱতৰ অনুবাদত *ভাগৱত ভাৱাৰ্থ দীপিকা*-ৰ বিশেষ সহায় লৈছিল, সেই হেতুকে শংকৰদেৱৰ ৰচনাত অদ্বৈত বেদান্তৰ প্ৰভাৱ পৰিলক্ষিত হয়। অদ্বৈত বেদান্ত তত্ত্বসমূহ এটা বাক্যত এনেদৰে প্ৰকাশ কৰা হয় - 'ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰঃ'"[৫] - অৰ্থাৎ ব্ৰহ্মই একমাত্ৰ যথাৰ্থ সৎ বা সত্য, জগত মূলতঃ অসৎ বা প্ৰপঞ্চ, জীৱাত্মা ব্ৰহ্মৰ সৈতে অভেদ। ব্ৰহ্মৰ এই অদ্বৈত ৰূপকেই মহাপুৰুষ শঙ্কৰদেৱে ভক্তি ৰসেৰে সিক্ত কৰি অতি সহজবোধ্য ৰূপত কীৰ্ত্তন-ঘোষাত প্ৰকাশ কৰিছে।

তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰো দাসজানি আৰে নৰহৰি
আমাক নেৰিবা কদাচিত।।
— *বেদস্তুতি*

ব্ৰহ্মৰ অবিহনে জগতৰ কোনো অস্তিত্ব নাই, যি দৰে মাটি নহলে ঘট সৃষ্টি হ'ব নোৱাৰে। কিন্তু ঘটটো ভাঙি গ'লেও মাটি মাটি হৈয়ে থাকে, তেনেদৰে জগত ধ্বংস হৈ গ'লেও ব্ৰহ্মৰ অস্তিত্ব থাকে। কাপোৰত বিভিন্ন লতা-ফুল আদিৰ চানেকি থাকিলেও সেইবিলাক যিদৰে প্ৰকৃততে সূতাহে ঠিক তেনেদৰে জগতৰ অন্য সকলো ৰূপেই ব্ৰহ্মৰ প্ৰকাশ, ব্ৰহ্মহে পৰম সত্য। বাকী প্ৰপঞ্চ জগত মিথ্যা, অসত্য। কীৰ্ত্তন-ঘোষাৰ হৰমোহন অধ্যায়ত শিৱৰ বিষ্ণু স্তুতিৰ মাজেৰে মহাপুৰুষ শঙ্কৰদেৱে ব্ৰহ্মৰ অদ্বৈত ৰূপৰ বৰ্ণনা এনেদৰে দাঙি ধৰিছে।

তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেকে।।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।।
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন।।
—*হৰমোহন*

ব্ৰহ্ম এক আৰু অদ্বিতীয়। এফালে তেওঁ কাৰ্যকাৰণ ৰহিত নিৰ্গুণতত্ত্ব, যাক একোৰে ব্যক্ত কৰিব পৰা নাযায়। আনহাতে আকৌ ঈশ্বৰ হিচাপে তেৰেঁই সমস্ত জগত স্ৰষ্টা, সগুণ ব্ৰহ্ম। দেৱতাৰ পৰা অসুৰলৈকে, তৃণ তৰুৰ পৰা পশু পক্ষীলৈকে তেৰেঁই জীৱৰূপে মায়াৰ দ্বাৰা প্ৰতিভাত হৈ আছে।

মায়াতেসে দেখিয় বিবিধ পৰিচ্ছেদ।
স্বৰূপত তোম্মাৰ নাহিকে কিচ্ছু ভেদ।।
চৈতন্য স্বৰূপে ব্যাপি এক নিৰঞ্জন।
তোম্মাক বুলিব দ্বৈত কোন অজ্ঞজন।।
—*উৰেষা বৰ্ণন*

মহাপুৰুষ শঙ্কৰদেৱে ব্ৰহ্মক এক আৰু অদ্বিতীয় হিচাপেই ব্যক্ত কৰিছে। তাৰাৰ সমগ্ৰ ৰচনাৱলীৰ মূল উৎস শ্ৰীকৃষ্ণ পূৰ্ণ ব্ৰহ্ম বিষ্ণুৰেই অৱতাৰী ৰূপ। পৰম ব্ৰহ্ম নিৰ্মল, নিৰ্গুণ আৰু সূক্ষ্মাতিসূক্ষ্ম; অন্যৰূপত তেৰেঁই শঙ্খ, চক্ৰ গদা পদ্মধাৰী লক্ষ্মীপতি ভগৱন্ত। সৃষ্টি প্ৰলয়ৰ তেৰেঁই কাৰণ। তেওঁ কাল মায়াৰ অধিকাৰী। তেৰেঁই সৰ্বশ্ৰেষ্ঠ।

লক্ষ্মীকান্ত তোম্মাক প্ৰণাম।
তনু যাৰ জ্বলে মেঘ শ্যাম।।
কৰে শঙ্খ চক্ৰ পদ্ম গদা।
তুমি শ্ৰীৰ নিৱাস সৰ্বদা।।
শুতি থকা ভুজাঙ্গ শৰ্য্যাত।
তুমি ব্ৰহ্ম ব্যাপক সাক্ষাত।।
তুমি সূক্ষ্ম নিৰ্ম্মল নিৰ্গুণ।
সৃষ্টি স্থিতি লয়ত নিপুণ।।
মোক্ষ পদ জগত ঈশ্বৰ।
— *উৰেষা বৰ্ণন*

ব্ৰহ্ম স্বৰূপাৰ্থত নিৰ্গুণ, নিৰাকাৰ, অনাদি অনন্ত। কিন্তু মায়া নামৰ এক শক্তিক আশ্ৰয় কৰি *'নিৰ্গুণ ব্ৰহ্ম'* সগুণৰূপে প্ৰতীত হয়। ক্ষণস্থায়ী হ'লেও ব্যৱহাৰিক দৃষ্টিত জগতৰ এক *সত্বা* আছে। এই জগতৰ সৃষ্টিৰ মূলতে পৰম ব্ৰহ্ম। তেৰেঁই জগত সৃষ্টি কৰে, পালন কৰে আৰু সংহাৰো কৰে। এই দৃষ্টিত ব্ৰহ্মৰ ওপৰত সৃষ্টি স্থিতি প্ৰলয় আদি গুণ আৰোপিত হৈছে। অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মৰ ওপৰত গুণ আৰোপ কৰা হৈছে। এই সগুণ ব্ৰহ্মই হৈছে ঈশ্বৰ। সগুণ ব্ৰহ্ম বা ঈশ্বৰক উপাসনা বা ভজনা কৰিব পাৰি আৰু শঙ্কৰদেৱৰ মতে বিষ্ণু-কৃষ্ণ প্ৰকৃততে নিৰুপাধি, নিৰ্বিশেষ পৰমাত্মা। তেওঁ কাৰ্যকৰণ ৰহিত, বিশ্ব ব্ৰহ্মাণ্ডৰ শেষ আশ্ৰয়, নিৰ্গুণ সত্যত্ত্ব। তেওঁ কাল মায়াৰ অতীত পৰম ব্ৰহ্ম। কিন্তু তেৰেঁই আকৌ মায়াৰ গৰাকী সগুণ ব্ৰহ্ম, পৰমেশ্বৰ ভগৱান। মহাপুৰুষ মাধৱদেৱে পৰম ব্ৰহ্মৰ এই সগুণ আৰু নিৰ্গুণ দুয়োটা বিভাৱ অতি প্ৰাঞ্জলভাৱে এটি বৰগীতত বৰ্ণনা কৰিছে —

নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা।।
সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্য্যন্ত।
সোহি কৰ্ম্মে জীৱৰ কৰ্ম কৰা অন্ত।।
তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সেহি গুণ গাই।।
— *বৰগীত*

ব্ৰহ্ম, জীৱ আৰু জগত এই তিনি বিষয়ক লৈ বেদান্তৰ বিভিন্ন সম্প্ৰদায়বোৰৰ সৃষ্টি হৈছে। জীৱ আৰু ব্ৰহ্মৰ সম্বন্ধ কি, জগতৰ স্বৰূপ কি, জীৱ আৰু ব্ৰহ্ম ভিন্ন নে এক আদি প্ৰশ্নৰ ব্যাখ্যা বেদান্তৰ বিভিন্ন সম্প্ৰদায়বোৰে দাঙি ধৰিছে। অদ্বৈত বেদান্তৰ প্ৰণেতা আচাৰ্য শংকৰৰ মতে ব্ৰহ্মই একমাত্ৰ সত্য, জগতখন অসত্য, জীৱ আৰু ব্ৰহ্ম সম্পূৰ্ণৰূপে অভিন্ন। মহাপুৰুষ শঙ্কৰদেৱেও এই মতকেই সমৰ্থন কৰিছে। যদিও জগত সৃষ্টিৰ অন্তৰালত পৰমব্ৰহ্মই আছে, জগত অসাৰ হেতুকে জগতৰ কোনো দোষ গুণে ব্ৰহ্মক স্পৰ্শ কৰিব নোৱাৰে।

সমস্ততে সমভাৱে আছা নিৰন্তৰ।
নোছোৱে তোমাক দোষ গুণে জগতৰ।।[৬]

জগত অসত্য যদিও এই জগতৰ মাজেদিয়েই সত্য ব্ৰহ্ম প্ৰতিফলিত হোৱা হেতুকে জীৱৰ জগত সত্য যেন বোধ হয়। আনহাতে জগত অসত্য হ'লেও ই শহাপহুৰ শিঙৰ দৰে অলীক নহয়। জগতৰ এক ব্যৱহাৰিক সত্যতা আছে। সপোন দেখি থকা অৱস্থাত সপোন সঁচা হৈ থাকে। কিন্তু সাৰ পোৱাৰ পিছত সপোনৰ অসত্যতা ধৰা পৰে। তদ্ৰূপ জীৱ যিমান দিনলৈ সংসাৰত থাকে সিমান দিনলৈ জীৱৰ বাবে সংসাৰৰ ব্যৱহাৰিক সত্যতা থাকে। যিহেতু জগত আগতে নাছিল আগলৈকো নাথাকিব কেৱল বৰ্তমানতহে আছে, গতিকে জগতৰ পাৰমাৰ্থিক সত্যতা নাই। শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাত এই কথাকেই ব্যক্ত কৰিছে—

তুমি সত্য ব্ৰহ্ম তোমাক প্ৰকাশে
জগত ইটো অসন্ত।
জগততো সদা তুমি প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত।।
এতেকেসে জ্ঞানী গণে অৱশেষ
জগতক বোলে হৰি।
আৰে জগজীৱ তোমাৰ চৰণে
ভজো হৃদয়ত ধৰি।।
—*বেদস্তুতি*

বেদান্তই জগতক মায়াময় বুলি অভিহিত কৰিছে। যি শক্তিৰ সহায়ত ব্ৰহ্মই জগত সৃষ্টি আৰু নিয়ন্ত্ৰণ কৰে তাকে মায়া বুলি কোৱা হৈছে। মায়াৰ দ্বাৰা আবৃত জীৱই অনিত্য বস্তুকে নিত্য বস্তু যেন দেখে। মহাপুৰুষ শঙ্কৰদেৱে ব্ৰহ্মক সত্য বা স্থায়ী বুলি কোৱাৰ লগতে জগতখন অনিত্য বা অস্থায়ী বুলি নিজৰ মত ব্যক্ত কৰিছে। শঙ্কৰদেৱে ভগৱান শ্ৰীকৃষ্ণৰ মুখৰ বাণী এযাৰৰ মাজেৰে প্ৰাঞ্জল ভাষাত মায়া সম্পৰ্কে এটি সংজ্ঞা দাঙি ধৰিছে—

অৱস্তুক দেখাৱয় বস্তুক আবৰি।
সেহিসে মোহোৰ মায়া জানা নিষ্ঠে কৰি।।

শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ কেইবা ঠাইতো মায়াৰ কাৰ্য বিভিন্ন উপমাৰ সহায়ত সহজবোধ্য ৰূপত ব্যক্ত কৰিছে।

যত সুত ধন সৱে বিষ্ণু মায়া।
আকাশত প্ৰকাশে মেঘৰ যেন ছায়া।।
বিজুলী চমক যেন জীৱন অথিৰ।
পদ্ম জল পত্ৰৰ যেন নুহি থিৰ।।

মায়াৰ প্ৰভাৱৰ বাবেই এই জগতখন সত্য যেন লাগে। মায়াই অহৰহ ক্ৰিয়া কৰি থকাৰ বাবেই জীৱৰ কৰ্ম বাসনা জাগ্ৰত হয়। এই বাসনাৰ বাবেই জীৱ সংসাৰ চক্ৰত ভ্ৰমি ফুৰে।

জল-যন্ত চক্ৰে জৰী বদ্ধ হুয়া
খণ্ড ঘট যেন মতে।
কতো উৰ্দ্ধগতি কতো অধোগতি
কতোহো থকা মধ্যত।
কৰ্ম্মে বদ্ধ হুয়া সংসাৰ চক্ৰত
সেহিমতে ভগৱন্ত।
ভ্ৰমো চিৰকালে কদাচিত মাঞি
দুখৰো নেদেখা অন্ত।।

এই মধুমতী মায়াৰ প্ৰভাৱতেই জীৱসমূহ অজ্ঞান আন্ধাৰত নিমজ্জিত হৈ থাকে। এই মায়াই জীৱক অহৰ্নিশে ভুল বাটলৈ টানি নিবলৈ যত্ন কৰে।

তোমাৰ কটাক্ষ দৃষ্টিপায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দে মোৰ মাথ।
—*বেদস্তুতি*

এই মায়াৰ দ্বাৰা সৃষ্ট অজ্ঞান অবিদ্যা কাল মেঘৰ দৰে। পৰম ব্ৰহ্ম ঈশ্বৰ চিৰ চৈতন্য সূৰ্যৰ দৰে। এই অবিদ্যা ৰূপ আন্ধাৰ চৈতন্য ঈশ্বৰৰ উপাসনাৰ দ্বাৰা আঁতৰ কৰি জীৱই পৰম ব্ৰহ্মৰ সান্নিধ্য লাভ কৰিব পাৰে। দুৰ্বাৰ-দুৰ্বাসনা দুষ্ট দুঃসংগত পৰি জীৱই অন্তহীন অবিদ্যাত ডুব গৈ অনাত্মা দেহকে আত্মবুদ্ধি কৰি পৰমাত্মা ঈশ্বৰৰ সান্নিধ্য লাভৰ পৰা বঞ্চিত হয়।[৭]

এই মায়াক চৈতন্য স্বৰূপ ঈশ্বৰ আৰাধনাৰ জৰিয়তে অতিক্ৰম কৰি জীৱই পৰম ব্ৰহ্মৰ সান্নিধ্য লাভ কৰা অৱস্থাকে মুক্তি বা নিৰ্বাণ বুলি কোৱা হৈছে।

এই মুক্তি বা মোক্ষৰ স্বৰূপ সম্বন্ধে অদ্বৈত বেদান্তৰ লগত অন্য বৈষ্ণৱাচাৰ্যসকলৰ মতবিৰোধ দেখা যায়। বেছিভাগ বৈষ্ণৱাচাৰ্যৰ মতে মুক্তিৰ পিছত জীৱই বৈকুণ্ঠত পুৰুষোত্তম নাৰায়ণ সেৱক হৈ থাকে। 'মোক্ষস্তু নাৰায়ণ দাসত্বম'।

আনহাতে আনকেইগৰাকীমান বৈষ্ণৱাচাৰ্যৰ মতে মুক্তিৰ পিছত জীৱই পৃথক অস্তিত্বৰে পৰমাত্মাৰ আশ্ৰয়তে অৱস্থান কৰে। কিন্তু অদ্বৈত বেদান্তৰ মতে মোক্ষ বা মুক্তি মানে ব্ৰহ্মৰ স্বৰূপ লাভ আৰু পৰমানন্দ প্ৰাপ্তি। "উপনিষদত বিবিধ দৃষ্টান্তৰ যোগেৰে কোৱা হৈছে যে বিভিন্ন নদ-নদী যিদৰে সমুদ্ৰত মিলি একাকাৰ হৈ যায়, সেইবিলাকৰ পৃথক নাম, পৃথক ৰূপ বা অস্তিত্ব নাথাকে, সেইদৰে মোক্ষ লাভ কৰিলে জীৱ পৰমাত্মা পৰম ব্ৰহ্মৰ সৈতে মিলি অভিন্ন হৈ পৰে - পৃথক পৃথক ৰূপত নাথাকে। একত্বত থাকে। 'ব্ৰহ্মবিদ ব্ৰহ্মৈৱ ভৱতি' ব্ৰহ্মবিদ পুৰুষ নিজেই ব্ৰহ্ম হৈ যায়- যিদৰে নিমখৰ পিণ্ড লাৱণাক্ত সমুদ্ৰত মিলি একাকাৰ হৈ যায়।"[৮]

অসমৰ বৈষ্ণৱ গুৰু শঙ্কৰদেৱ মাধৱদেৱৰ ৰচনাত আন বৈষ্ণৱাচাৰ্যসকলৰ দৰে মুক্তি সম্বন্ধীয় কোনো মতবাদ স্পষ্ট ৰূপত পোৱা নাযায়। পাঁচ প্ৰকাৰৰ মুক্তিৰ ভিতৰত মহাপুৰুষ দুজনাই - সাযুজ্য মুক্তি অৰ্থাৎ ব্ৰহ্মত সম্পূৰ্ণৰূপে লীন যোৱা অৱস্থাক সৰ্বশ্ৰেষ্ঠ বুলি একে আষাৰে স্বীকাৰ কৰা নাই।[৯] আনহাতে আকৌ অনেক ঠাইত ঈশ্বৰত সম্পূৰ্ণ বিলীন হোৱাৰ কথাও নোকোৱাকৈ থকা নাই। শঙ্কৰদেৱে অদ্বৈত বেদান্ত অনুসৰি জীৱন-ব্ৰহ্মত্ব প্ৰাপ্তিৰ কথাও কোনো ঠাইত কৈছে — 'তিনিগুণ অতিক্ৰমি পাই ব্ৰহ্মাৰ স্বৰূপ।' তেনেদৰে মহাপুৰুষ মাধৱদেৱেও নাম-ঘোষাৰ আৰম্ভণিতে মুক্তিতো নিস্পৃহ ভকতকহে নমস্কাৰ জনাইছে যদিও অনেক ঘোষাত লীন মুক্তিৰ কথাও নোকোৱাকৈ থকা নাই।

অদ্বৈতবাদী দৰ্শনৰ প্ৰবক্তা শঙ্কৰাচাৰ্যই অতি দৃঢ়তাৰে জীৱন মুক্তিৰ কথা কৈছে। সাধনালব্ধ জ্ঞানৰ আধাৰত জীৱিত অৱস্থাতো মুক্তি লাভ কৰাটো সম্ভৱ বুলি শঙ্কৰাচাৰ্যই বিশ্বাস কৰিছিল। কিন্তু ব্ৰহ্ম জ্ঞান লাভ এক অতি দুষ্কৰ বিষয়। এনে দুৰ্লভ জ্ঞান লাভ কৰোঁতাজন ব্ৰহ্মৰ সৈতে অভেদ অৱস্থাত উপনীত হৈ জীৱন্মুক্ত অৱস্থা লাভ কৰিব পাৰে। কীৰ্ত্তন-ঘোষাত মহাপুৰুষ শঙ্কৰদেৱে এই জীৱন্মুক্ত অৱস্থাৰ প্ৰসংগ নিম্নোক্ত ধৰণে উত্থাপন কৰিছে।

কুকুৰ চাণ্ডাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সাৱাকো পড়ি কৰিবা প্ৰণাম।।
সমস্ত ভূতত বিষ্ণুবুদ্ধি নোহে যাৱে।
কায় বাক্য মনে অভ্যাসিবা এহি ভাৱে।।
বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰে কালতে।।
—*শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ*

এই 'জীৱন্তে মুক্ত' - অৱস্থা প্ৰাপ্তিৰ বৰ্ণনা 'কীৰ্ত্তন-ঘোষা'ৰ দৰে 'দামোদৰ বিপ্ৰ আখ্যানত

(১২ পৃষ্ঠাত চাওক)

# তিৰাসকলৰ বিহু

( ২ পৃষ্ঠাৰ পৰা )

আৰু পেঁপাৰ চেৰে-চেৰে নানা *ঝুনা গীত* গাই নাচে। এনেদৰে গৰু গা-ধুৱাই আহি কোনো অঞ্চলত বৰঘৰত *হাৰীকুঁৱৰীয়ে* কুকুৰা আৰু কচু শাকেৰে ৰন্ধা আঞ্জাৰে মদ, পিঠা আদি খাই ঘৰলৈ ওভতে। ঘৰত ভিজা গাৰে গৰখীয়াই বাঁহৰ গুৰিত, গোহালি ঘৰত কোৰেৰে এচপৰা মাটি দিয়ে। তদুপৰি অঞ্চলভেদে তামোলপুলি, কলপুলি আদি আগতে খান্দি ৰখা গাতত ৰোৱে। ইয়াৰ পিছত মাহ-হালধিৰে গা-ধুই গাত নতুন কাপোৰ লয়।

ব'হাগ বিহু আৰু মাঘ বিহুৰ সময়ত তিৰাসকলে সমূহীয়াভাৱে কোনো নৈ, বিল আদিত মাছ মৰা পৰম্পৰা আছে। এই পৰম্পৰা এতিয়াও গোভা, নেলী, খলা, ডিমৰীয়া আদি অঞ্চলত বৰ্তি আছে। এই মাছ মাৰিবলৈ যাওতে *লালিলাং* বা *গদালীপৰীয়া* গীত গাই নাচি নাচি যায়। বিলত ৰজা বা ৰজা বিষয়াই আদেশ নিদিয়ালৈ কোনোও পানীত নানামে। তিৰাসকলে ব'হাগ বিহু নোযোৱালৈকে বিচনীৰে গাত নিবিচে। গৰুক গোহালি ঘৰত তুহঁ জুইৰে বা-দিয়াৰ পিছতহে মানুহে গাত বিচনীৰ বা-লয়। গোহালি ঘৰত নতুন পঘাবোৰত তুলসী পাত আদি মেৰিয়াই দিয়া হয় আৰু প্ৰতিটো খুঁটাত তিনিডালকৈ ন-পঘা বান্ধে। এই তিনিডাল পঘাৰে এসপ্তাহজুৰি গৰু বন্ধা নিয়ম।

সন্ধিয়া পদূলি, তাঁতশাল, ভঁড়াল ঘৰ আৰু ৰান্ধনিশালত বন্তি জ্বলাই কৃষি সঁজুলি নাঙল, যুঁৱলি আৰু তাঁতশালৰ যঁতৰ, উঘা, চেৰেকি, লেতাই আদি চোতালত একত্ৰিত কৰি চাকি বন্তি দিয়ে। আগন্তুক বছৰত খেতি-বাতি, গৰু-গাই তথা মানুহৰ যাতে কোনো ধৰণৰ অপায় অমঙ্গল নহয় তাৰ বাবে এটা বগা কুকুৰা বলি দিয়া হয়। এই কুকুৰাৰ মঙহেৰে তাত থকা মানুহবোৰে মদ্যপান কৰে আৰু পিঠাগুৰি পানীত মিহলাই বনমলা পাতেৰে নাঙল, যুঁৱলি সম্বন্ধিতে সকলোবোৰ বস্তু আৰু গোহালিত পানী চটিয়ায়। ইয়াৰ পাছতহে বৰজনক সেৱা সৎকাৰ কৰা পৰ্ব আৰম্ভ হয়। অঞ্চলভেদে আকৌ দিনৰ ভাগতে এই কাৰ্য সম্পাদন কৰে। সেইদিনা ঘৰত অনাহাৰে থাকে। বিহুৰ দিনা ৰাতি কুকুৰাৰ মঙহ কচু শাকৰ সৈতে আঞ্জা খোৱা প্ৰথা পৰম্পৰাগতভাৱে চলি আহিছে। তদুপৰি ৰাতি বিভিন্ন বিধ বনৰীয়া শাক মাছ-মঙহৰে সৈতে জাল আঞ্জা কৰি খায়।

বিহুৰ দিনাৰ পৰা ঘৰে-ঘৰে গৈ সপ্তাহজোৰা বিহু গায়। গোভা অঞ্চলৰ লোকে সংক্ৰান্তিৰ পিছৰ সপ্তাহৰ শনিবাৰে উৰুকা পাতি দেওবাৰে বিহু কৰে। তেওঁলোকে সপ্তাহজোৰা বিহু কৰি পিছৰটো শনিবাৰে মেলা উলিয়ায়। সেইদিনা ঘৰে ঘৰে পদূলিমুখত তুঁহ গুৰি, খলিহৈ, বিহলঙনি আদিৰে জাগ দিয়ে আৰু ঘৰত চাকি-বন্তি দি বিহু সামৰণি মাৰে। ডেকা-গাভৰুৱে বিহু গীতৰ মাজেৰে প্ৰেম নিবেদন কৰে আৰু গীতৰ মাজেৰেই কথা কটাকটি হয়। কেতিয়াবা এনে প্ৰতিযোগিতাত পৰাজিতজনে জিকাজনৰ ঘৰলৈ চিৰদিনৰ বাবে বিয়াহৈ আহিব লাগে। পাহাৰৰ নামনি অঞ্চলৰ তিৰাসকলে *বোকানাচ নাচে* আৰু বিহুৰ পিছৰ সপ্তাহৰ পৰা জেঠৰ দিন যোৱালৈ ভৈয়ামৰ তিৰাই মেলা বা *গোঁসাই উলিওৱা মেলা* কৰে। প্ৰধানকৈ ভৈয়াম অঞ্চলৰ তিৰাসকলে তেওঁলোকৰ নিজৰ ভাষা পাহৰি অসমীয়াতে এই গীত মাতবোৰ গায় আৰু নাচে। তেনে কিছুমান গীত হৈছে,—

"আই সৰস্বতী মাগো পাৰ্ব্বতী অ'
তোমালৈ বান্ধিলো অ' বেল।
পাহৰা পদ্যকে সোঁৱৰাই এ দিবা
যেনে মাথাত লোৱা তেল।"
"আজি ৰাতি সপোনত দোভাগ ঐ ৰাতি অ'
কাঁহিত খাই আছিলো অ' ভাত
তোমাৰ নিচিনা মিঠা বৰণীয়া
গাতে দি আছিলো হাত"
"হাতে পকা বগৰী অ' হ'বা জানো লগৰী অ'
দিবা জানো মৰমৰ মাত হেৰা জেলপি ৰুটি
আগে মৰম লগাইছিলি এতিয়া যে নমতা হলি।"
"ৰেল আলিৰ দুবৰি বনে ঐ লাহৰী
ৰেলৰ আলি দুবৰি অ' বন
হাড়ক চালে কৰি তেজক পানী কৰি
তোমালৈ ঘটিছো ধন
ধনে ৰৈয়া পাতি দৈয়া তামোল কাটো কটাৰি দিয়া
ৰেপত ছোলা জেপত মাছ মাৰো হাৰিয়া টুপত।"

এই গীতমাতবোৰ অসমীয়া বিহুগীতৰ সৈতে সাদৃশ্য থাকিলেও কিন্তু ইয়াৰ গায়ন শৈলী সুকীয়া। তিৰাসকলৰ মাজত তথা মধ্য অসমত প্ৰচলিত পাতিঢোল অৰ্থাৎ যাক নগএগ্ৰা পাতিঢোল বুলিও কোৱা হয় সেই পাতিঢোল আৰু দীঘল ম'হৰ শিঙৰ ছয়টা বিন্ধাযুক্ত পেঁপাত একধৰণৰ সুৰ তুলি এচাপৰীয়া অথবা সৰচাপৰীয়া তালৰ চেৰে চেৰে যি বাদ্য বাদন কৰে সেই বাদ্যৰ যোগেদিহে ইয়াৰ পাৰ্থক্য বিশ্লেষণ কৰি দেখুওৱাব পাৰি। তিৰাসকলৰ মাজত প্ৰচলিত *গদালবৰীয়া গীত* বা *লালিলাং গীত* অথবা যিবোৰ *ঝুনাগীত, বিহুগীত* আছে সেইবোৰৰ প্ৰায়বোৰেই অসমীয়া বিহুগীত, বনগীতৰ আৰ্হিত ৰচিত হোৱা যেন লাগিলেও ই তিৰাসকলৰ পৰম্পৰাগতভাৱে প্ৰচলিত লোকগীতৰ গায়ন শৈলীৰ স্বকীয় বৈশিষ্ট্য বজায় ৰাখিছে।

**সামৰণিঃ** ভৈয়াম তিৰাসকলে বিহু পালন কৰি অহা পৰম্পৰা বহু পুৰণি যদিও আদিতে তিৰাসকলৰ মাজৰ বিহু পৰম্পৰা প্ৰচলিত নাছিল। অজনজাতীয় লোকৰ সংস্পৰ্শতহে তেওঁলোকে বিহু পালন কৰিবলৈ লয়। কাৰণ বিহু হৈছে কৃষিভিত্তিক উৎসৱ আৰু এই কৃষিৰ সৈতে সম্পৰ্ক থকা উৎসৱ তিৰাসকলৰ মাজত বিদ্যমান। তেওঁলোকে এই উৎসৱবোৰত বিভিন্ন দেৱদেৱতাৰ পূজা অৰ্চনা কৰে। *ছংখং (জংকং) পূজা, খাপ্ৰাংৱাৰা, ছুগ্ৰামিছাৱা, লাংখুন, ওৱানছুৱা* প্ৰধানতঃ তিৰাসকলৰ কৃষিৰ সৈতে জড়িত উৎসৱ। অজনজাতীয়লোকৰ সংস্পৰ্শলৈ আহি তেওঁলোকে অসমীয়া সংস্কৃতিৰ বাপতিসাহোন বিহুক আদৰি ল'লে যদিও তেওঁলোকে নিজৰ ধ্যান-ধাৰণা আৰু ৰীতি-নীতিৰেহে এই উৎসৱ পালন কৰি আহিছে। এই কাৰণেই অসমীয়া জাতীয় উৎসৱ বিহুৰ লগত তিৰাসকলৰ বিহু উৎসৱৰ পাৰ্থক্য পৰিলক্ষিত হয়।

সামগ্ৰিকভাৱে পৰ্যালোচনা কৰিলে দেখা যায় যে আগৰ দিনত তিৰাসকলে উদ্‌যাপন কৰা বিহু পৰম্পৰা বৰ্তমানে পাবলৈ নোহোৱা হৈছে। আৰ্থিকভাৱে জুৰুলা হোৱা কৃষিজীৱী তিৰাসকলে উৎসৱ-অনুষ্ঠানৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰাৰ ক্ষেত্ৰত অপাৰগতা তথা সমাহৰণৰ বাবেও আজি ভৈয়াম অঞ্চলৰ তিৰাসকলৰ সেই পুৰণিকলীয়া ৰীতি-নীতিত কিছু শিথিলতা আহি পৰা দেখা গৈছে।

ভৈয়াম অঞ্চলৰ তিৰাসকলৰ বিহু পৰম্পৰাই বৃহত্তৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশতয়ে বিশেষ অৰিহণা যোগাব পাৰিছে সেয়া নিঃসন্দেহে স্বীকাৰ কৰিব পাৰি।◆

# ভক্তি আন্দোলন

(১১ পৃষ্ঠাৰ পৰা)

বৰ্ণিত হৈছে। মহাকৃষ্ণভক্ত বিপ্ৰ দামোদৰে শ্ৰীকৃষ্ণৰ প্ৰতি থকা অচলা ভক্তিৰ বলত জীৱন কালতে মুক্তি লাভ কৰিছিল।

অজিত বিষ্ণুক ভকতেসে জিনে
জানি বিপ্ৰ দামোদৰ।
একচিত্ত মনে কৃষ্ণৰ চৰণে
ভৈলন্ত ধ্যান তৎপৰ।।
দৃঢ় ভক্তি কৰি চিণ্ডি মোহ জৰী
কৰ্মবন্ধে ভৈলাহীন।
পায়া মহোদয় দেখি ব্ৰহ্মময়
কৃষ্ণতে গৈলন্ত লীন।।

— *বিপ্ৰ দামোদৰ আখ্যান*

জ্ঞানবাদী শঙ্কৰাচাৰ্যৰ মতে পুৰুষ জীৱন্মুক্ত অৱস্থা প্ৰাপ্তিৰ বাবে জ্ঞানৰ সহায়ত ব্ৰহ্মৰ স্বৰূপ উপলব্ধি কৰিব লাগিব। কিন্তু মহাপুৰুষ শঙ্কৰদেৱে দেখুৱাইছে- অচলা ভক্তিৰ বলতহে জীৱন্মুক্তি সম্ভৱ। সৰ্ববেদান্তসাৰ ভাগৱত পুৰাণাৰো এয়ে সিদ্ধান্ত। শঙ্কৰাচাৰ্যৰ জ্ঞানমাৰ্গী অদ্বৈত বেদান্তৰ সকলো দুৰ্বোধ্য তত্ত্বকে শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাত অতি প্ৰাঞ্জল আৰু সহজবোধ্য ৰূপত প্ৰতিষ্ঠা কৰি জ্ঞানতকৈ ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে।

**একশৰণ তত্ত্ব ঃ** 'শৰণ' শব্দৰ আভিধানিক অৰ্থ হ'ল- আশ্ৰয়। 'শৰণম আশ্ৰয়'। সংসাৰ চক্ৰত জীৱসমূহ প্ৰতিনিয়ত মায়াৰ দ্বাৰা আক্ৰান্ত হৈ আছে। এই মায়াৰ হিংসাৰ পৰা ৰক্ষা পৰিবৰ বাবেহে একমাত্ৰ ভগৱানৰ চৰণত আশ্ৰয় লোৱাই হ'ল- একশৰণ। গীতা শাস্ত্ৰৰ অষ্টাদশ অধ্যায়ত ভগৱান কৃষ্ণই অৰ্জুনৰ আগত এই একশৰণ তত্ত্ব ব্যাখ্যা কৰি কৈছে— "গোপনতকৈয়ো গোপন জ্ঞান মই তোমাক ক'লো। ইয়াকে জানি তুমি যি ইচ্ছা তাকে কৰিব পাৰা। আৰু মোৰ আটাইতকৈ গোপনীয় শেষ বাক্য তুমি শুনা, কাৰণ তুমি মোৰ পৰম প্ৰিয়; সেই কাৰণেই তোমাক মই এই হিত কথা কওঁ।"[১০]

সেই হিত কথা আছিল- "তুমি সমস্ত ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোত শৰণ (আশ্ৰয়) লোৱা; তোমাক মই সমুদায় পাপৰ পৰা (কৰ্মবন্ধনৰ পৰা) মুক্ত কৰিম; শোক নকৰিবা।

"সৰ্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।"

এই শ্লোকটি পণ্ডিতসকলে বিভিন্ন ধৰণে ব্যাখ্যা কৰি শঙ্কৰদেৱৰ বিশিষ্টতাক আওকাণ কৰি আহিছে। কিন্তু এই শ্লোকৰ সমৰ্থনত শঙ্কৰদেৱে 'কীৰ্তন-ঘোষা' আৰু 'ভক্তি ৰত্নাকৰ'ত, মাধৱদেৱে 'নামঘোষা' আৰু 'ভক্তি ৰত্নাৱলী'ত যি ব্যাখ্যা দাঙি ধৰিছে, তাৰ মাজেৰে একশৰণ তত্ত্ব প্ৰাঞ্জল ৰূপত পৰিস্ফুট হৈ আছে। এই চাৰিপুথিয়ে প্ৰকৃতাৰ্থত ভাৰতবৰ্ষৰ আন আন বৈষ্ণৱ আচাৰ্যসকলে কৰা বেদান্তসূত্ৰৰ ভাষ্যৰ সমকক্ষ আৰু এই চাৰিপুথিৰ মাজেৰেই শঙ্কৰদেৱৰ 'একশৰণ ধৰ্ম'ৰ তত্ত্ব আৰু মৌলিকত্ব নিৰূপিত হৈ আছে।

এই ভক্তি আন্দোলনৰ অন্যান্য প্ৰান্তৰ বৈষ্ণৱ গুৰুসকলৰ তুলনাত শঙ্কৰদেৱৰ প্ৰতিভা আছিল বহুমুখী। শঙ্কৰদেৱ আছিল বিশ্বৰ অসাধাৰণ প্ৰতিভাধৰ কলাকাৰসকলৰ ভিতৰত এগৰাকী। চৌষষ্ঠি কলাৰ প্ৰায় সকলো কলাকে এই গৰাকী মহান কলাকাৰে জীৱন কালত আয়ত্ত কৰি তাক জনসমাজৰ কল্যাণাৰ্থে প্ৰয়োগ কৰিছিল। আলেখ্য কলা (চিত্ৰ অংকন), উদকাঘাতকলা (সাঁতোৰ আদি জলক্ৰিয়া) আদি কাৰুকলাৰ উপৰিও কাব্য, গীত, নৃত্য, চিত্ৰ আদি সুকুমাৰ কলাত কুশল শংকৰদেৱে বৈষ্ণৱ - ধৰ্ম প্ৰচাৰৰ জৰিয়তে প্ৰতিজন মানুহৰ সুকুমাৰ প্ৰবৃত্তিক জগাই তুলিবলৈ জীৱন জোৰা এক কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হৈছে। এইগৰাকী কলাকাৰৰ স্বৰ্ণস্পৰ্শত জাতি-জনজাতি, বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে প্ৰতিজন ভক্তৰ কণ্ঠত ধ্বনিত হৈছিল কীৰ্ত্তনৰ সুললিত সুৰ, বৰগীতৰ ৰাগ, ভাওনাৰ ভাওৰীয়াৰ লীলায়িত গতি আৰু নৃত্যৰ তাল।

শঙ্কৰদেৱৰ জীৱন আৰু কৰ্মৰ বিষয়ে এতিয়ালৈকে হোৱা বিদ্যায়তনিক চিন্তা চৰ্চাৰ পৰা এই কথা প্ৰতিপন্ন হয় যে, শঙ্কৰদেৱ আছিল সংস্কৃত ভাষাৰ প্ৰচুৰ প্ৰজ্ঞাৰ অধিকাৰী। সংস্কৃত ভাষাত ৰচনা কৰা শঙ্কৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থ ইয়াৰ প্ৰকৃষ্ট নিদৰ্শন কিন্তু পাণ্ডিত্যৰ গৌৰৱক তুচ্ছ জ্ঞান কৰি সংস্কৃত ভাষা জ্ঞানহীন অথচ পৰম্পৰাগত বৈদিক আচাৰ-অনুষ্ঠানৰ প্ৰতি অন্ধ আনুগত্য পোষণ কৰোঁতা সমাজৰ গৰিষ্ঠসংখ্যক চহালোকৰ কল্যাণ কামনা কৰি শঙ্কৰদেৱে সাহিত্য সৃষ্টি কৰিছিল সৰ্বসাধাৰণৰ ভাষা অসমীয়াত। জনসাধাৰণে যাতে শাস্ত্ৰৰ নিৰ্দেশনাসমূহ নিজে অধ্যয়ন কৰি তাৰ গূঢ়াৰ্থ উপলব্ধিয়ে আত্মজ্ঞান লাভ কৰিব পাৰে। ধৰ্মৰ নামত, পৰম্পৰাগতভাৱে চলি অহা অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰপৰা মুক্ত হৈ আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰে। এনে চিন্তাদৰ্শৰ মাজতে ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা গুৰুসকলৰ ভিতৰত শংকৰদেৱৰ বিশিষ্টতা পৰিস্ফুট হয়।

**পাদটীকা**

১. ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, দ্বিতীয় প্ৰকাশ, ১৯৮৪. পৃ. ৯০-৯৮
২. ইছমাইল হোছেইন, বিভ্ৰাট, সাদিন, ৩০ অক্টোবৰ, ২০০৯
৩. ডম্বৰু কাকতি সম্পাদিত 'সাহিত্য-সংস্কৃতি সৌৰভ'ৰ ডঃ মহেশ্বৰ নেওগৰ প্ৰবন্ধ 'নৱবৈষ্ণৱ ধৰ্ম', পৃ. ২৭৫, শিৱসাগৰ, ১৯93
৪. S. Radhakrishnan : Indian Philosophy, Vol. II P. 20
৪. মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, পৃ. ২৩৪
৫. বহুতৰ মতে এই শ্লোকফাঁকি শংকৰাচাৰ্যৰ। অৱশ্যে তাৰ বিশেষ প্ৰমাণ নাই। ই এটা 'প্ৰচলিত বাক্য' (Floating sentence) বুলিহে সৰহভাগ পণ্ডিতে কয়।
৬. মাধৱদেৱ ঃ ৰাজসূয় কাব্য, পদ ৪৬৭
৭. মাধৱদেৱ ঃ নামঘোষা, ঘোষা সংখ্যা - ৭৫৫,৭৫৬
৮. যোগীৰাজ বসু ঃ বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম, পৃ.-৮৪
৯. মুক্তি পাঁচ প্ৰকাৰৰ। সাযুজ্য, সাৰূপ্য, সামীপ্য, সালোক্য আৰু সাষ্টি। ইয়াৰে সাযুজ্য মুক্তিকে লীন মুক্তি বোলা হয়। অদ্বৈতবাদে কেৱল এই সাযুজ্য বা লীন মুক্তিকহে স্বীকাৰ কৰে। বাকী চাৰি প্ৰকাৰৰ মুক্তিত ভক্তই স্বতন্ত্ৰ সত্তা ৰক্ষা কৰি ঈশ্বৰক নিষ্কামভাৱে ভক্তি কৰিবলৈ সুবিধা পায়। সেইবাবে বৈষ্ণৱাচাৰ্যসকলে এই চাৰিবিধ মুক্তিতে আস্থা ৰাখে। শংকৰদেৱৰ ৰচনাৰাজিত এই পাঁচ প্ৰকাৰ মুক্তিকেই স্বীকাৰ কৰা দেখা যায়।
১০.ইতি তে জ্ঞানমাখ্যাতং গুহ্যাদ্ গুহ্যতৰং ময়া। বিমৃশ্যৈতদশেষেণ যথেচ্ছাসি তথা কুৰু।।১৮।।৬৪
সৰ্ব্বগুহ্যতমং ভুয়া শৃণু যে পৰমং ৰচঃ। ইষ্টোহসি মে দৃঢ়মিতি ততো বক্ষ্যাসি তে হিতম্।।১৮।।৬৫

—শ্ৰীমদ্ভাগৱত গীতা

# শঙ্কৰদেৱৰ চৰ্চা আৰু বিশ্বজনীনতা

মালবিকা বাগলাৰী

**অৱতৰণিকা ঃ** অসমত শঙ্কৰদেৱৰ সাহিত্য, আদৰ্শ, কৃতিৰ চৰ্চাৰ এক বৰ্ণাঢ্য ইতিহাস আছে। শঙ্কৰদেৱ আৰু শঙ্কৰী সাহিত্যক মূলতঃ ৰাইজৰ মাজলৈ লৈ আহিছিল শিষ্য মাধৱদেৱে। শিষ্যসকলৰ অক্লান্ত প্ৰচেষ্টাতেই শঙ্কৰদেৱ আৰু শঙ্কৰী সাহিত্যই বিশ্বদৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

আধুনিক শিষ্য-প্ৰশিষ্যই ৰূপকথা-অলৌকিকতাক নেওচি আধুনিক মানসিকতাৰে শঙ্কৰী সাহিত্যক বিশ্বদৰবাৰলৈ লৈ যাবলৈ প্ৰয়াস কৰিছিল। তাৰ বাটকটীয়া আছিল লক্ষ্মীনাথ বেজবৰুৱা। ইয়াৰ উপৰিও মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ, বিৰিঞ্চি কুমাৰ বৰুৱা, সত্যেন্দ্ৰ নাথ শৰ্মা আদি পণ্ডিত গৱেষকে শঙ্কৰদেৱ, শঙ্কৰদেৱ সাহিত্য প্ৰতিভাক বিশ্বদৰবাৰলৈ লৈ যোৱাত অগ্ৰণী ভূমিকা লৈছিল। ১৯৩৪ চনত বৰোদা আৰু ১৯৩৭ চনত সম্বলপুৰত শঙ্কৰদেৱ বিষয়ক বক্তৃতাৰে ভাৰতবৰ্ষত শঙ্কৰদেৱৰ প্ৰতিভা চিনাকি কৰাই দিবলৈ, শঙ্কৰদেৱক সৰ্বভাৰতীয় পণ্ডিত হিচাপে প্ৰতিষ্ঠা কৰাবলৈ বেজবৰুৱাই চেষ্টা কৰিছিল। তেনেদৰে হৰমোহন দাসে 'contribution of Srimanta Sankaradeva', 'Janmastamai Bhakti Cult' বিষয়ক গৱেষণা পত্ৰৰে ভাৰতবৰ্ষত শঙ্কৰদেৱক প্ৰতিষ্টা কৰাৰ যত্ন কৰিছে। একেই উদ্দেশ্য আৰু প্ৰচেষ্ঠাৰে মহেশ্বৰ নেওগে 'Sankaradeva' নামৰ গ্ৰন্থৰ ৰচনা কৰিছিল।

ইংৰাজী ভাষাৰ বহুকেইখন শঙ্কৰদেৱ বিষয়ক গ্ৰন্থই শঙ্কৰদেৱক বিশ্বজনীন কৰি তুলিছিল তাত সন্দেহ নাই। তেনে কেইখনমান গ্ৰন্থ হ'ল হৰমোহন দাসৰ 'Sankaradeva : A Study' (১৯৪৫) ডিম্বেশ্বৰ নেওগৰ 'Mahapurusism: A Universal Religion' (১৯৫০), 'Jagat Guru Sankaradeva: The Founder of Mahapurusism' (১৯৬৩), মহেশ্বৰ নেওগৰ 'Sankaradeva and Predecessors' (১৯৫৩), 'Sankaradeva and His Times: Early History of the Vaisnava Faith and Movement of Assam' (১৯৬৫), বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'Sankaradeva: Vaisnava Saint of Assam' (১৯৬০), আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ 'The Neo-Vaisnavite Movement and the Satra Institution' (১৯৬৬) আদি প্ৰধান।

**শঙ্কৰদেৱৰ সম্পৰ্কে ভাৰতীয় পণ্ডিতৰ ধাৰণা ঃ** ভাৰতৰ কেইবাগৰাকী চিন্তানায়ক, বুদ্ধিজীৱীয়ে শঙ্কৰদেৱৰ সাহিত্য, প্ৰতিভাক উচিত মূল্যায়ণ দিবলৈ প্ৰয়াস কৰিছিল। সেইসকলৰ ভিতৰত মহাত্মা গান্ধী, আচাৰ্য বিনোৱাভাৱে, সৰ্বপল্লী ৰাধাকৃষ্ণণ, সুনীতি কুমাৰ চট্টোপাধ্যায়, কপিলা বাৎসায়ন আদি প্ৰধান। আচাৰ্য বিনোৱা ভাৱেই শঙ্কৰদেৱ তথা নৱবৈষ্ণৱ ধৰ্মৰ বিষয়ে এনেদৰে কৈছে — "মই বহুতো ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছোঁ, কিন্তু শঙ্কৰদেৱৰ ধৰ্মৰ নিচিনা উদাৰ ধৰ্ম এই পৰ্যন্ত ক'তো দেখা নাই।" আকৌ মহাত্মা গান্ধীয়েও ১৯২২ চনত 'ইয়ং ইণ্ডিয়া' কাকতত শঙ্কৰদেৱ তথা বৈষ্ণৱ আন্দোলন সম্পৰ্কে এনেদৰে কৈছে — "ষোড়শ শতিকাত শঙ্কৰদেৱৰ নেতৃত্বত হোৱা বিৰাট বৈষ্ণৱ পুনৰুত্থানে অসমীয়া লোকক নম্ৰ, সহিষ্ণু আৰু মানৱ প্ৰেমী কৰি তুলিছিল।" বিশিষ্ট হিন্দী সাহিত্যিক, সমালোচক কৃষ্ণ নাৰায়ণ প্ৰসাদ মাগধে এনেদৰে কৈছে— "কেইবাটাও দিশৰ পৰা বিশ্লেষণ কৰি চাই এইবুলি নিঃসংকোচে ক'ব পাৰি যে মহাপুৰুষ শঙ্কৰদেৱৰ ব্যক্তিত্ব অন্যান্য অনেক মহাপুৰুষৰ তুলনাত অধিক পৰিমানে গতিশীল আৰু অগ্ৰগনী আছিল। নামদেৱ আৰু কবীৰে শঙ্কৰদেৱতকৈ আগতে জনভাষাৰ প্ৰয়োগ কৰিছিল যদিও; সংস্কৃতিৰ পৰিৱৰ্তে জনভাষাৰ ব্যাপক ধৰাতলত সাহিত্যক প্ৰতিষ্ঠিত কৰাৰ উপৰিও সংগীত আৰু সৌন্দৰ্যৰে জন ভাষাৰ সাহিত্যক পৰিপুষ্ট কৰোঁতা হিচাপে প্ৰকৃততে শঙ্কৰদেৱ আন সকলোতকৈ বেছি আগবঢ়া আছিল।"

**শঙ্কৰদেৱ আৰু বিশ্বজনীনতা ঃ** যোৱা শতিকাৰ আশী দশকমানৰ পৰা শংকৰদেৱ, শঙ্কৰদেৱৰ আদৰ্শ, সাহিত্য, ব্যক্তিত্ব বিশ্বৰ বিভিন্ন স্থানত প্ৰচাৰ হৈছিল। শঙ্কৰদেৱৰ জন্মোৎসৱ, মৃত্যুতিথি পালনৰ যোগেদিয়ে হওঁক বা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ, কৰ্মশালাৰ জৰিয়তেই হওক, বহু পণ্ডিত, উদ্যমী ব্যক্তিৰ সহায়ত শঙ্কৰদেৱ, শঙ্কৰদেৱৰ সাহিত্য আৰু প্ৰতিভা বিশ্বমুখী হৈছিল। বহু শিল্পী, সাহিত্যিকে বিদেশত শঙ্কৰী কলা কৃষ্টি প্ৰদৰ্শন কৰাৰ উপৰিও শঙ্কৰদেৱ বিষয়ক গৱেষণা কৰি শঙ্কৰদেৱক আন্তঃৰাষ্ট্ৰীয় পৰ্য্যয়লৈ লৈ যাবলৈ প্ৰয়াস কৰিছিল। কেৱল ভাৰতীয় নহয় আন্তঃৰাষ্ট্ৰীয় বিদেশী গৱেষকে শঙ্কৰদেৱ, শঙ্কৰী সাহিত্য বিষয়ক গৱেষণা কৰিছে। তাৰে ভিতৰত

(১৪ পৃষ্ঠাৰ পৰা)

(৭ পৃষ্ঠাৰ পৰা)

# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

এটি সীমাত পকা দেৱালৰ নিৰ্মাণৰ পৰিকল্পনা পৰিচালনা সমিতিয়ে অহাবৰ্যত সমাপ্ত কৰাৰ চিন্তা কৰি কামত আগবাঢ়ি আছে।

৩১। **অসম শঙ্কৰ মিচন (কঢ়ালি) ঃ** নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ বিশিষ্ট দাতা কেশৱ বৰুৱাদেৱে ৰমাকান্ত মুক্তিয়াৰ আতাক ১৮ বিঘা মাটি দানসূত্ৰে আগবঢ়াই এই মিচন স্থাপনৰ অৰিহণা যোগায়। বৰ্তমান এই স্থানত এখন প্ৰাথমিক বিদ্যালয়, নামঘৰ মণিকূট, কাৰ্যালয় আদি স্থাপন কৰি পূৰ্বাঞ্চলিক শাখাৰ ভকতৰ সহযোগত মিচন পৰিচালনা সমিতিয়ে তদাৰক কৰি আছে। চলিত বৰ্ষত এই সমিতিয়ে কেইটিমান সৰুসুৰা নিৰ্মাণ আৰু মেৰামতিৰ কাম কৰিবলৈ সমৰ্থ হৈছে।

৩২। **মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ জন্মস্থান পৰিচালনা সমিতি ঃ** লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ ৰঙাজান (উজীৰৰ টোল)ৰ শ্ৰীশ্ৰীমাধৱদেৱ জন্মস্থানৰ ঐতিহ্য ৰক্ষা, সৌন্দৰ্যবৰ্দ্ধন আৰু উন্নয়নৰ বাবে এখনি পৰিচালনা সমিতি গঠন কৰি কাম-কাজ পৰিচালনা কৰা হয়। ইতিমধ্যে এই বৰ্ষত মূলৰ পুঁজিৰ পৰা এক লাখ টকাৰ আঁচনি ধৰা হয় যদিও স্থানীয় বিধায়ক শ্ৰীযুত ভূপেন কুমাৰ বৰা ডাঙৰীয়াৰ বিধায়ক পুঁজিৰ পৰা ১৫ লাখ টকা অনুদান হিচাপে আগবঢ়ায়। তাৰে ৫ লাখ টকা ইতিমধ্যে মোকলাই দিয়াৰ প্ৰক্ৰিয়া শেষ হৈছে। ইয়াৰ উপৰিও অসমৰ মাননীয় পৰ্যটক মন্ত্ৰী শ্ৰীযুত চন্দন ব্ৰহ্ম ডাঙৰীয়াই জন্মস্থানটি পৰ্যটকৰ থলী হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে পাঁচ কোটি টকা আবণ্টন দিছে। বৰ্তমান প্ৰাক্কলন প্ৰস্তুত কৰি চৰকাৰী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়া সকললৈ প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

৩৩। **ৰূপনগৰ শাখা কাৰ্যালয়, অতিথিশালা আৰু নামঘৰ পৰিচালনা সমিতি ঃ** গুৱাহাটীৰ ৰূপনগৰস্থিত শাখা কাৰ্যালয়টো শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এটি অন্যতম আৰু গুৰুত্বপূৰ্ণ শাখা কাৰ্যালয়। এই শাখা কাৰ্যালয়ৰ লগত সংলগ্ন হৈ আছে এটি নামঘৰ, সাংস্কৃতিক গৱেষণা কেন্দ্ৰ, অতিথিশালা, পুথিভঁৰাল আৰু সত্যসন্ধা প্ৰেছ। নামনি অসমৰ প্ৰায়সমূহ জিলাশাখাৰ যোগাযোগৰ স্থলীস্বৰূপ এই শাখা কাৰ্যালয়টি উন্নয়নৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি বিশেষ পুঁজি চৰকাৰীভাৱে বা মূলৰ তৰফৰ পৰা যোগান ধৰিব পৰা হোৱা নাই যদিও এইবেলি কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ৰ তৰফৰ পৰা ৯.৫ কোটি টকাৰ এটি চৰকাৰী আবণ্টন ইতিমধ্যে পোৱা হৈছে। আশা কৰা হৈছে আগন্তুক বৰ্ষটিত এই কাৰ্যালয়ে এক নতুন ৰূপ পৰিগ্ৰহণ কৰিব। ইতিমধ্যে সত্যসন্ধা প্ৰেছটি পূৰ্ণাংগ ৰূপত গঢ়ি তুলিবৰ বাবে সত্যসন্ধা প্ৰেছ পৰিচালনা সমিতি আৰু চৰকাৰী প্ৰেছৰ অভিজ্ঞ ব্যক্তিৰ দ্বাৰা গঠিত সমিতিখনিয়ে প্ৰায় ৮ লাখ টকা ব্যয় সাপেক্ষে প্ৰেছটি গঢ়ি তোলাৰ সিদ্ধান্ত লৈ কামত আগবাঢ়িছে। অতিথিশালা আৰু নামঘৰ পৰিচালনাৰ লগতে প্ৰেছ আৰু গ্ৰন্থ বিক্ৰীকেন্দ্ৰ সকলো পক্ষলৈ প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

৩৪। **পৰিকল্পনা আৰু যোগাযোগ উপসমিতি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰিকল্পনা আৰু যোগাযোগ উপসমিতিখনে বিভিন্ন বিষয়ত যোগাযোগ স্থাপন কৰি সঙ্ঘৰ কামকাজবোৰ আগুৱাই নিয়াত যথেষ্ট সহায় কৰিছে। যোৱা বৰ্ষটিত এই উপসমিতিখনে দুখন সভা অনুষ্ঠিত কৰি দিহা-পৰামৰ্শ আগবঢ়াইছে।

৩৫। **বিশ্ববিদ্যালয় পুঁজি সংগ্ৰহ ঃ** ২০১৩ খ্ৰী.ৰ জুলাই মাহত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বহু আকাঙ্খিত "মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়" সম্পৰ্কীয় বিধেয়কখন আইনত পৰিণত হোৱাৰ পিছত মূল কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তমৰ্মে বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ অৰ্থে যোৱা ১৫ ছেপ্তেম্বৰৰ পৰা এইবছৰ ১২ জানুৱাৰী পৰ্যন্ত সঙ্ঘৰ অন্তৰ্ভুক্ত ২৫ খন জিলাৰ জাগৰণ সভাসমূহ অনুষ্ঠিত কৰা হয়। ৩০ খন জিলাশাখাক সামৰি জাগৰণ সভা অনুষ্ঠিত কৰাৰ লক্ষ লোৱা হৈছিল যদিও অন্যান্য কাৰ্যসূচী থকাৰ পৰিপ্ৰেক্ষিতত ৮ খন জিলাত পৰৱৰ্তী সময়ত সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। ১৫ ছেপ্তেম্বৰ ২০১৩ খ্ৰী.ত মৰিগাঁও জিলা শাখাত শুভাৰম্ভ কৰা জাগৰণ সভাসমূহৰ ১২ জানুৱাৰী ২০১৪ খ্ৰী.ত দক্ষিণ পশ্চিম কামৰূপ আৰু গোৱালপাৰা জিলাত সভা অনুষ্ঠিত কৰি সামৰণি মৰা হয়। এই জাগৰণ সভা সমূহত সঙ্ঘৰ পদাধিকাৰ, উপ-পদাধিকাৰ, প্ৰধান সম্পাদক, যুটীয়া সম্পাদককে প্ৰমুখ্য কৰি মূলৰ বিষয়ববীয়া সকল উপস্থিত থাকি জাগৰণ সভাসমূহ সাফল্যমণ্ডিত হোৱাত সহায় কৰিছে। এই চেগতে জাগৰণ সভা অনুষ্ঠিত হোৱা জিলাশাখাসমূহৰ সভাপতি, সম্পাদক আৰু বাপ-বান্ধৱ সকলোলৈকে আমি ধন্যবাদ জ্ঞাপন কৰিছো।

৩৬। **কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন ঃ** এই প্ৰতিবেদনভাগিৰ সামৰণিত জানি বা অজানিতভাৱে কৰা সমস্ত অপৰাধ মাৰ্জনাৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক সমিতিৰ সকলো বিষয়ববীয়া, সদস্য-সদস্যালৈ শতকোটি প্ৰণাম জনাইছো। আপোনাসৱৰ সুদিহা-পৰামৰ্শ, গভীৰ আন্তৰিকতাৰ বাবেই এইহেন সুবৃহৎ অনুষ্ঠানটি সুন্দৰভাৱে পৰিচালিত হৈ আহিছে। বিভিন্ন শাখা সমিতি, উপসমিতিৰ বিষয়ববীয়া কৰ্মকৰ্তা বাপ আইসকলৰ সহৃদয় আৰু ঐকান্তিক সহযেগিতা অবিহনে আমাৰ এই দায়িত্ব পালন কৰা তেনেই অসম্ভৱ। এইচেগতে মূল কাৰ্যালয় পৰিচালনা সমিতিৰ পূৰ্ণ সহযোগিতাৰ বাবে কাৰ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, সদস্য, সদস্যা বাপ আইসকলৰ আমি শলাগ লৈছো। শাখা কাৰ্যালয় ৰূপনগৰ, যোৰহাট, ডিব্ৰুগড় লক্ষীমপুৰ, দুমৰদহ (গৌৰীপুৰ) আদিৰ সমূহ বিষয়ববীয়া আৰু সদস্য-সদস্যা সকলোলৈকো কৃতজ্ঞতাৰ শলাগ যাচিছোঁ। শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ কামকাজসমূহ সঠিকভাৱে আগবঢ়াই নিয়াত বিশেষভাৱে সহায় কৰা শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেশ্যন এণ্ড চচিঅ' ইক'নমিক ডেভেলপমেণ্টৰ সভাপতি-সম্পাদক, সদস্য-সদস্যা আৰু নিৰ্মাণ সমিতিৰ সভাপতি-সম্পাদক বাপসকলৰ সহযোগিতাৰে বিশ্ববিদ্যালয় নিৰ্মাণ কাৰ্য (মূল কাৰ্যালয় চৌহদত) সমাধা কৰিব পৰা হৈছে তেওঁলোককৈ আমাৰ আন্তৰিক শলাগ জনালো। শেষত বিগত বৰ্ষটিত সঙ্ঘৰ কামকাজ নিয়াৰিকৈ আগবঢ়াই নিয়াৰ বাবে বিভিন্ন দিহা পৰামৰ্শৰে আমাক অনুপ্ৰাণিত কৰাৰ বাবে পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপ, উপপদাধিকাৰ শ্ৰীভবেন্দ্ৰ নাথ ডেকা বাপ, মুখ্য উপদেষ্টা শ্ৰীকৰুণাকান্ত কলিতা বাপ, উপদেষ্টা শ্ৰীমুখ্যেশ্বৰ শইকীয়া বাপক আমি শ্ৰদ্ধা নিবেদন কৰিছো। সঙ্ঘৰ কামকাজবোৰ সময়মতে আৰু নিয়াৰিকৈ কৰি যাব পৰাৰ জোখাৰে আমাক সোঁৱে-বাওঁৱে সদায় সহযোগিতা আগবঢ়োৱা বাবে যুটীয়া সম্পাদকদ্বয় শ্ৰীকুশল ঠাকুৰীয়া আৰু শ্ৰীআনন্দকুমাৰ বৰা বাপৰ লগতে পৰিকল্পনা আৰু যোগাযোগ উপসমিতিৰ সম্পাদক শ্ৰীমুনীন্দ্ৰ কুমাৰ দাস বাপৰো শলাগ লৈছো। কাৰ্যালয়ৰ সকলো কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগিতা আগবঢ়োৱা বাবে কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীও ধন্যবাদৰ পাত্ৰ। ইয়াৰোপৰি বাৰ্ষিক হিচাপ নিকাচখিনি নিয়াৰিকৈ পৰীক্ষা কৰি দিয়া বাবে হিচাপ পৰীক্ষক শ্ৰীজগদীশ তালুকদাৰ, শ্ৰীবাবুল কলিতা আৰু শ্ৰীলেনিন কাকতি বাপত্ৰয়লৈ আমাৰ শলাগ জনাইছো। পৰিশেষত আদৰণী সমিতিৰ গুৰু দায়িত্ব বহন কৰি তিনিচুকীয়া জিলা শাখাৰ সমূহ ভকত-বৈষ্ণৱ, আইমাতৃ, যুৱক-যুৱতী, ধৰ্মপ্ৰাণ ৰাইজ, ব্যৱসায়ী সকলোৱে অপৰিসীম ত্যাগ আৰু কায়-কষ্টৰে সেৱা আগবঢ়াই অধিৱেশনভাগি সাফল্যমণ্ডিত কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। তিনিচুকীয়া জিলা প্ৰশাসন, বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, সামাজিক সংগঠন, ছাত্ৰ সংগঠন প্ৰমুখ্যে তিনিচুকীয়া জিলাৰ সকলো পক্ষলৈ আমাৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। সদৌশেষত ৮৩ সংখ্যক অধিৱেশনলৈ অহা উত্তৰ-পূৱ ভাৰতৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি, দৰ্শক প্ৰতিনিধিসকললৈ আন্তৰিক সেৱা-ভক্তি নিবেদন কৰি মাধৱ পুৰুষৰ এজোকা ঘোষাৰে সামৰণি মাৰিলো।

জ্ঞানশূন্য আতি পশু-পক্ষী জাতি এ
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ
আমাক তোমাৰ তেজিতে উচিত নয়।।

সেৱাৰে—
শ্ৰীবাবুল বৰা
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# কেন্দ্ৰীয় প্ৰচাৰ শাখা সমিতিৰ বৈঠক

**নগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰচাৰ শাখা সমিতি ২০১৪ চনৰ প্ৰথম বৈঠক নগাঁও মূল কাৰ্যালয়ত প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকা বাপৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত ২০১৪-১৫ বৰ্ষৰ কৰ্ম-আঁচনি, কৰ্মপঞ্জী আৰু বাজেট গ্ৰহণ কৰা হয়। কৰ্ম-আঁচনিসমূহৰ ভিতৰত অহা ২৩ মাৰ্চ, ২০১৪ তাৰিখে জিলা প্ৰচাৰ শাখা সমিতিৰ সভাপতি-সম্পাদক সন্মিলন, অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী মিচিং, বড়ো, ৰাভা, তিৱা, ডিমাচা, কছাৰী, চাহ-মজদুৰ জনজাতি অধ্যুষিত অঞ্চলত একোখনি প্ৰচাৰমূলক ধৰ্মালোচনী সভা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘভুক্ত প্ৰতিষ্ঠিত বক্তাসকলৰ এখনি সন্মিলন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰতিখন জিলাত প্ৰচাৰ সভা পতা আৰু যিবোৰ জিলাত বক্তা, সাংবাদিক আৰু বিবাহ পৰিচালকৰ প্ৰশিক্ষণ কৰ্মশালা হোৱা নাছিল উক্ত জিলাসমূহত প্ৰশিক্ষণ কৰ্মশালা কৰিবলৈ সিদ্ধান্ত লয়।

কোচবিহাৰ জিলাৰ তুফানগঞ্জত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰচাৰ শাখা সমিতিৰ জৰিয়তে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ ১২ অক্টোবৰ, ২০১৪ তাৰিখত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। শ্ৰীশ্ৰীমাধৱদেৱৰ ৫২৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগি লখিমপুৰ জিলা শাখাৰ ৰঙাজানত পালন কৰা হ'ব।

মিচিং, বড়ো, ৰাভা, ইংৰাজী আৰু হিন্দী ভাষাত ২৫, ২৬ জুলাই, ২০১৪ তাৰিখত দুদিনীয়া এখনি প্ৰশিক্ষণ কৰ্মশালা ৰূপনগৰ, গুৱাহাটীত অনুষ্ঠিত হ'ব। বহিঃ প্ৰচাৰৰ ক্ষেত্ৰত অসমৰ বাহিৰত এখন বিশ্ববিদ্যালয়ত গুৰুজনাৰ ধৰ্মাদৰ্শৰ সম্পৰ্কীয় এভাগি বিদ্যায়তনিক আলোচনা-চক্ৰ পাতিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# প্ৰসঙ্গ-মাধুৰী-২ শ্ৰব্য কেছেট উন্মোচন

**যোৰহাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 'প্ৰসঙ্গ-প্ৰণালী' অনুসৰি প্ৰাতঃপ্ৰসঙ্গৰ লগতে দুটি বৰগীত, দুজোকা ঘোষা, দুটি দিহা ঘোষা আৰু পাঁচটি সৰ্বজনপ্ৰিয় কীৰ্ত্তনেৰে সমৃদ্ধ এটি শ্ৰব্য কেছেট যোৰহাট জিলাৰ কেইজনমান শিল্পীয়ে প্ৰস্তুত কৰি উলিয়াইছে। এই কেছেটটি যোৰহাট জিলাৰ জীৱেশ্বৰ বৰাবাপে সভাপতিত্ব কৰা এখনি গুৰুত্বপূৰ্ণ সভাত শৰণ সদস্য তুলসীনাথ বৰাবাপে উন্মোচন কৰে। 'শঙ্কৰী সঙ্গীত ৰত্ন' প্ৰয়াত গোলাপ মহন্তদেৱৰ সোঁৱৰণত প্ৰস্তুত কৰা শ্ৰব্য কেছেটটি 'শঙ্কৰী সঙ্গীত ৰত্ন' যোগেশ্বৰ বৰদলৈবাপে মুখ্য পৰিচালকৰ দায়িত্ব পালন কৰিছে। প্ৰযোজনা কৰিছে গায়ন বিশাৰদ খগেন্দ্ৰনাথ বৰাবাপে। শ্ৰৱণ-কীৰ্তনৰ লগতে প্ৰসঙ্গীয়া নামৰ প্ৰশিক্ষণৰ বাবে শ্ৰব্য কেছেটটি বিশেষ ভূমিকা আছে বুলি ভকতসকলে মতামত আগবঢ়াইছে।◆



# ডক্টৰেট উপাধি লাভ

**ডিব্ৰুগড় ঃ** যোৱা ২০১৩ বৰ্ষত নিমিষা দত্তই তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° মানবেন্দ্ৰ ভূএগ্ৰাৰ অধীনত 'Electronics and Communication Engineering' বিভাগৰ পৰা 'Noise Feature Analysis, System Identification and Modeling for Selection of Pulse Temperature Frequency of Mos gas Sensors' বিষয়ত ডক্টৰেট ডিগ্ৰী (পি.এই. ডি) লাভ কৰিছে। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ডিব্ৰুগড় জিলা শাখাৰ সাহিত্য শাখাৰ প্ৰাক্তন সভানেত্ৰী, ডিব্ৰুগড় জিলা শাখাৰ শিশু আই-মাতৃ কল্যাণ সমিতিৰ প্ৰাক্তন সম্পাদিকা শ্ৰীঅৰুণা দত্ত খাৰঘৰীয়া (শিক্ষয়িত্ৰী) আৰু শ্ৰীশ্ৰীদেৱ প্ৰাথমিক শাখাৰ সাধাৰণ সঙ্গী প্ৰয়াত তুলসী নাথ দত্তৰ একমাত্ৰ কন্যা।◆



**তেজপুৰ ঃ** 'Identity Politics is A.K. Ramanayan's Poety' শীৰ্ষক গৱেষণা গ্ৰন্থৰ কাৰণে ঢলাইবিলৰ শ্ৰীমানস প্ৰতীম বৰাক শিলচৰৰ অসম বিশ্ববিদ্যালয়ে ডক্টৰেট উপাধি প্ৰদান কৰিছে। শ্ৰীবৰাই উক্ত বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী প্ৰফেচৰ দীপাংকৰ পুৰকায়স্থৰ তত্বাৱধাত গৱেষণা কৰিছিল। তেওঁ তেজপুৰ জিলা শাখাৰ প্ৰাক্তন সভাপতি আৰু বৰ্তমান মূল শিক্ষা শাখা সমিতিৰ সদস্য শ্ৰীভুবন বৰা আৰু শ্ৰীবৰ্ণালী বৰাৰ কনিষ্ঠ পুত্ৰ।◆



# কৃতিত্ব

**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লখিমপুৰ জিলা শাখাৰ অন্তৰ্গত দক্ষিণ ধলপুৰ আঞ্চলিক শাখাৰ শ্ৰীশ্ৰীঅনিৰুদ্ধ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীহোমেন পেগু আৰু শ্ৰীৰশ্মি পেগুৰ পুত্ৰ শ্ৰীজ্যোতিষময় পেগু সদ্যঘোষিত ২০১৩ বৰ্ষৰ অসম অভিযান্ত্ৰিক আৰু চিকিৎসা বিজ্ঞানত যুটীয়াভাৱে Entrance (প্ৰৱেশ) বাচনি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰাথমিক শাখালৈ সুনাম কঢ়িয়াই আনে।



# শঙ্কৰদেৱৰ ভক্তিধৰ্মমত

(৫ পৃষ্ঠাৰ পৰা)

শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ মানৱতাবাদে কেৱল মানুহৰ বাবে নহয়, সকলো জীৱৰ বাবে সকলো প্ৰাণীৰ মঙ্গলৰ বাবে কাৰ্য কৰিছিল। সেয়েহে সেই সময়ত সমাজত নিৰ্বিবাদে চলি থকা বলি দিয়া প্ৰথাৰ (কোনো কোনো ঠাইত নৰবলি পৰ্যন্ত চলিছিল) বিৰুদ্ধে সৰৱ প্ৰতিবাদ তুলি সমাজৰ পৰা ইয়াৰ বিলুপ্তি সাধনত যথেষ্ট সফলো হৈছিল। তেৰেঁই সমাজত 'সাম্যবাদ' আৰু 'সমভাৱ' প্ৰতিষ্ঠা কৰি অসমীয়া সমাজৰ সকলোৰে মনত অহিংস, সহচৰ্যতা, সহযোগিতা, সহনশীলতা আৰু পাৰস্পৰিক বুজাবুজি আদি ভাববোৰ সিঁচি থৈ গৈছে। শঙ্কৰদেৱৰ মতে 'সমাজ সেৱা' এক মহান আৰ্দশ। গুৰুচৰিত পুথিত উল্লেখ থকাৰ পৰা জনা যায় যে এবাৰ তেওঁৰ শিষ্য ভকত এজন আন এজন অসুখী ভকতক শুশ্ৰূষা কৰাৰ বাবে 'হৰি প্ৰসংগ'ত অনুপস্থিত থাকোতে লগৰীয়া ভকতকেইজনমানে তেওঁৰ বিৰুদ্ধে প্ৰাৰ্থনাত অৱহেলা কৰা বুলি গুৰু শঙ্কৰদেৱৰ ওচৰত অভিযোগ আনোতে শঙ্কৰদেৱে উত্তৰত কৈছিল যে ভকতজনে শুদ্ধ কামেই কৰিছে, কোনো ভুল কৰা নাই। কাৰণ মানুহক সেৱা কৰাই ভগৱানক সেৱা কৰা বুজায়। সেয়েহে ভকতজনে সেৱা কাৰ্যই কৰিছে আৰু সকলো ভকতে তেওঁক অনুসৰণ কৰি মানৱ সেৱা তথা ভগৱানক সেৱা কৰা উচিত। এনে ধৰণৰ মানৱ হৈতৈষীবাদৰ অসংখ্য উত্তম উদাহৰণ গুৰু চৰিতসমূহত উল্লেখ আছে।

শঙ্কৰদেৱৰ মানৱ সমাজলৈ আন এক বলিষ্ঠ সাংগাঠনিক অৱদান হৈছে সত্ৰ আৰু নামঘৰ স্থাপন। এই অনুষ্ঠানবোৰ কেৱল ভক্তি ধৰ্মৰ বাবেই স্থাপন কৰা নাছিল, তেওঁৰ প্ৰধান উদ্দেশ্য আছিল শাসন আৰু পৰিচালনাৰ কামত যাতে সাধাৰণ শ্ৰেণীৰ পৰা সকলো স্তৰৰ লোকে নিজৰ মত আৰু কৰ্ম স্থাপন কৰা অধিকাৰ সমানে পাব পাৰে; সামাজিক বিচাৰ আৰু ন্যায় পাব বা দিব পাৰে; অথবা সকলো স্তৰৰ লোকে যাতে নিজৰ প্ৰতিভা বিকাশৰ সুবিধা পাব পাৰে। এই দৰে তেওঁ তেতিয়াই আমাৰ সমাজত গণতন্ত্ৰৰ বীজ সিঁচি থৈ গৈছে। এজন ভাষাবিদ হিচাপে সৰ্বসাধাৰণ মানুহেও যাতে শাস্ত্ৰ জ্ঞান আহৰণ কৰিব পাৰে তাৰ বাবে দুৰ্বোধ্য সংস্কৃত ভাষাৰ পৰা ব্ৰজাৱলী ভাষালৈ অনুবাদ কৰি সকলো স্তৰৰ মানুহক শিক্ষাৰে শিক্ষিত কৰাৰ আজিৰ 'সৰ্বশিক্ষা আঁচনি'ৰ দৰে পৰিকল্পনা কৰিছিল। বৰ্তমান যুগৰ গাঁও পঞ্চায়ত ৰাজ বা জনজাতি উন্নয়ন প্ৰকল্প আদিৰ পৰিকল্পনাও তেখেতে কৰিছিল। এইদৰে মানৱতাবাদৰ অৰ্থাৎ মানৱ কল্যাণৰ গোটেই দিশবোৰ সামৰি তেখেতে সাহিত্য, সমাজ, ধৰ্ম, সংস্কৃতি আদি সকলো ক্ষেত্ৰতে এক বৈপ্লৱিক পৰিৱৰ্তন আনে। সেয়েহে পৃথিৱীৰ শ্ৰেষ্ঠ মানৱতাবাদীসকলৰ ভিতৰত তেওঁও এক অন্যতম শ্ৰেষ্ঠ মানৱতাবাদী দাৰ্শনিক।

সামৰণিত ক'ব পাৰি যে শঙ্কৰদেৱৰ দৰ্শন হিচেতু ঈশ্বৰ দৰ্শন; তেওঁৰ মতে মানৱ সেৱাই ঈশ্বৰ সেৱা। তেওঁৰ সমস্ত চিন্তা চৰ্চা বা কৰ্মৰাজিয়ে মানৱতাবাদী আদৰ্শক জীৱনত সাৰোগত কৰি প্ৰকৃত জীৱন সফল কৰাৰ পথৰ নিৰ্দেশনা দি থৈ গৈছে। আজিৰ একবিংশ শতিকাৰ প্ৰাক্ মুহূৰ্তত ধ্বংসমুখী আৰু অশান্ত অস্থিৰ সন্ত্ৰাস জৰ্জৰিত মানৱ সমাজত এক আধ্যাত্মিক বিপ্লৱ সংগঠিত কৰি মানৱ জাতিৰ সৰ্বতো কল্যাণৰ অৰ্থে সত্য, ধৰ্ম, শান্তি, প্ৰেম, অহিংসা আদি মানৱীয় গুণৰাজিৰ পূৰ্ণবিকাশ তথা প্ৰয়োগৰ বাবে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ মানৱতাবাদ আদৰ্শক ৰূপায়িত কৰিব লাগিব; তেহে হয়তো এনে বিপ্লৱৰ জয়যাত্ৰা সফল হ'ব।◆

ফোন ঃ ৯৮৫৪০-৫৮৪৮৯

# বিশ্বজনীনতা

(১৩ পৃষ্ঠাৰ পৰা)

অষ্ট্ৰেলিয়াৰ ষ্টিফেন ফাকচ্, মেক্সিকো বিশ্ববিদ্যালয়ৰ ড° জুবান এম. ভি. মোৰা, আমেৰিকাৰ অধ্যাপক ফাৰ্লি ৰিচমণ্ড, ফ্ৰান্সৰ ড° খৃষ্টিয়ান লাভাৰিণ, ইংলেণ্ডৰ জে. এল. ব্ৰকিংটন, ড° ৰ'জমেৰি ক্ৰিল, ছুইডেনৰ ষ্টকহম বিশ্ববিদ্যালয়ৰ ড° ডব্লিউ. এল. স্মিথ আদি। এইসকল পণ্ডিত গৱেষকে শঙ্কৰদেৱ সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। "শংকৰদেৱ পৃথিৱীৰ ভিতৰত মুকলি মঞ্চ আৰু মুকলি অভিনয়ৰ জন্মদাতা"— এই মন্তব্য আমেৰিকাৰ মিছিগানা ষ্টেট বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ফাৰ্লি ৰিচমণ্ডৰ। আকৌ ড° জুৱান মিগুৱেল ডি মোৰাই এনেদৰে কৈছে — "শঙ্কৰদেৱ আছিল সংস্কৃতিবান আৰু বিচক্ষণ অসমীয়া। ভাৰতীয় আধ্যাত্মবাদী চিন্তাৰ উত্তৰণত শঙ্কৰদেৱৰ গুৰুত্ব অপৰিসীম। তেওঁ আছিল এনে এগৰাকী সাহিত্যিক যি গৰাকীয়ে ভাষাক এক উচ্চ পৰ্যায়ৰ সাহিত্য কৰ্মলৈ উত্তৰণ ঘটাইছিল।"

শঙ্কৰদেৱক বিশ্বমুখী কৰাত ড° স্মিথৰ ভূমিকা প্ৰশংসনীয়। সুদূৰ ছুইডেনৰ পৰা শঙ্কৰদেৱ বিষয়ক গৱেষণা কৰি শঙ্কৰদেৱক বৌদ্ধিক মহলত বিশ্বমুখী কৰি তোলাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ উদ্দেশ্য আছিল শঙ্কৰদেৱৰ সাহিত্য কৃতি, প্ৰতিভা আৰু অৱদানক বিশ্বমুখী কৰি তোলা।

সমগ্ৰ ইউৰোপ আৰু ইউৰোপৰ উপৰিও অন্যান্য ৰাষ্ট্ৰত প্ৰাচ্যতত্ববিদ আৰু ভাৰততত্ববিদ ৰূপে পৰিচিত ড° স্মিথ সংস্কৃত আৰু হিন্দী ভাষাৰ দখল থকা পণ্ডিত গৱেষক। ভাৰতীয় সংস্কৃতি আৰু ইতিহাস সম্পৰ্কে তেওঁৰ জ্ঞান আৰু ধাৰণা শুদ্ধ।

ড° স্মিথ শঙ্কৰদেৱৰ ধৰ্ম সাহিত্য আৰু দৰ্শনৰ অন্যতম গৱেষক পণ্ডিত। তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শঙ্কৰদেৱ বিষয়ৰ গৱেষণাৰ পৰিৱেশ গঢ়ি তুলিছিল। ভাৰতীয় সাহিত্য-সংস্কৃতি তথা ইতিহাস বিষয়ৰ বহু গ্ৰন্থ তেওঁৰ ৰচনা। তাৰে ভিতৰত 'Grammer of Sankardeva's Vrajavali', 'Patterns of Indian Hoglography' আদি প্ৰধান। ইয়াৰ উপৰিও বিভিন্ন আলোচনা চক্ৰত পঠিত গৱেষণা পত্ৰ, প্ৰবন্ধ আদি পোৱা যায়। তাৰে ভিতৰত 'A European Looks at Sankaradeva, 'what is Vrajavali', 'The Language of Sankaradeva's Rukmi Haran Nata, Brajabuli, Varajavali and Maitheli', Wordliest of Borgits' আদি প্ৰধান।

মুঠতে স্মিথকে আদি কৰি অনেক গৱেষক পণ্ডিতে শঙ্কৰদেৱক বিশ্বমুখী কৰি তোলাত অগ্ৰণী ভূমিকা লৈছিল।◆◆

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ
# বাৰ্ষিক কৰ্মপঞ্জী ঃ ২০১৪-১৫

| মাহ | তাৰিখ | বাৰ | কৰ্ম-আঁচনিৰ বিৱৰণ |
|---|---|---|---|
| ফেব্ৰুৱাৰী ঃ | | | |
| | ২৪ | সোম | ৰূপনগৰত শঙ্কৰদেৱৰ ভৱন আৰু অতিথি শালাৰ আধাৰশিলা স্থাপন |
| | ২৭ | বৃহস্পতি | কেন্দ্ৰীয় ব'হাগী উৎসৱৰ আদৰণী সমিতি গঠন, গোৱালপাৰা |
| মাৰ্চ ঃ | | | |
| | ২ | দেও | শাখাৰ বৈঠক, নগাঁও মূল কাৰ্যালয়, নগাঁও |
| | ৮ | শনি | শাখাৰ বৈঠক, নগাঁও মূল কাৰ্যালয়, নগাঁও |
| | ৯ | দেও | **প্ৰথম কাৰ্যনিৰ্বাহক, মূল কাৰ্যালয়, নগাঁও** |
| | ১১ | মঙ্গল | ৰমাকান্ত মুক্তিয়াৰ আতা জন্মোৎসৱ, পুৰণিগুদাম পাৰঘাট |
| | ১৬ | দেও | নাম সমাৰোহ, ধেমাজি<br>মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, ধেমাজি |
| | ১৭ | সোম | ৮৪ সংখ্যক মূল অধিৱেশনৰ আদৰণী সমিতি গঠন, ঢকুৱাখনা |
| | ২২ | শনি | সঞ্চালন সমিতি আৰু জিলাধিনায়কৰ যুটীয়া সন্মিলন, মূল কাৰ্যালয়<br>শিশু আইমাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী সম্পাদিকা সন্মিলন, মূল কাৰ্যালয় |
| | ২৩ | দেও | জিলা প্ৰচাৰ শাখাৰ সভাপতি-সম্পাদক সন্মিলন, নগাঁও |
| এপ্ৰিল ঃ | | | |
| | ৫ | শনি | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, কামপুৰ |
| | ৬ | দেও | কেন্দ্ৰীয় শিশু আইমাতৃ যুৱ সমাৰোহৰ আদৰণী সমিতি গঠন, হামৰেণ |
| | ২০ | দেও | জিলা সভাপতি-সম্পাদক সন্মিলন, মূল কাৰ্যালয়, নগাঁও |
| | ২৭ | দেও | কেন্দ্ৰীয় বহাগী উৎসৱ, গোৱালপাৰা, ধূপধৰা |
| মে' ঃ | | | |
| | ১ | বৃহস্পতি | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, তেজপুৰ |
| | ৪ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, বিশ্বনাথ, গহপুৰ |
| | ১০ | শনি | শিক্ষা সন্মিলন, মূল কাৰ্যালয়, নগাঁও |
| | ১১ | দেও | **দ্বিতীয় কাৰ্যনিৰ্বাহক সভা, মাজুলী** |
| | ১৪ | বুধ | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, গোলাঘাট, বোকাখাত |
| | ১৮ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, জোনাই |
| | ২৫ | দেও | সেৱাবাহিনী আৰু কেঃশিঃআইমাতৃ কল্যাণ সমিতিৰ যৌথ সন্মিলন, ঢকুৱাখনা |
| জুন ঃ | | | |
| | ১ | দেও | আৰ্থিক বিকাশ সমিতিৰ প্ৰতিষ্ঠা দিৱস, তেজপুৰ |
| | ৫ | বৃহস্পতি | কেন্দ্ৰীয় সেৱাবাহিনীৰ দ্বাৰা পাৰিপাৰ্শ্বিক দিৱস পালন |
| | ৮ | দেও | বৈষ্ণৱ পণ্ডিত প্ৰয়াত সোণাৰাম চুতীয়াৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ আৰম্ভণি |
| | ১৪ | শনি | মহাপুৰুষ মাধৱদেৱৰ কেন্দ্ৰীয় জন্মোৎসৱ উদ্‌যাপন, ৰঙাজান<br>বিশ্ব ৰক্তদান দিৱস, সেৱাবাহিনীৰ দ্বাৰা ৰক্তদান |
| | ১৫ | দেও | সেৱাবাহিনীৰ সাংগঠনিক সভা, বিশ্বনাথ জিলা<br>শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ ষষ্ঠ-বাৰ্ষিক সাধাৰণ সভা, নগাঁও |
| | ২২ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, শদিয়া |
| | ২৯ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, দৰং, ওদালগুৰি |
| জুলাই ঃ | | | |
| | ২-৮ | বুধ-মঙ্গল | শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় কৰ্মশালা, হোজাই |
| | ৫ | শনি | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, মাজুলি |
| | ৬ | দেও | ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ, যোৰহাট (কেঃশিঃআঃকঃ সমিতিৰ উদ্যোগত) |
| | ৭-১২ | সোম-শনি | শিক্ষক প্ৰশিক্ষণ কৰ্মশালা, মূলকাৰ্যালয়, নগাঁও (শিক্ষা শাখাৰ উদ্যোগত) |
| | ১০-১৬ | বৃহ-বৃহ | শঙ্কৰী সংস্কৃতি প্ৰশিক্ষণ সত্ৰ, কলিয়াবৰ (সংস্কৃতি শাখাৰ উদ্যোগত) |
| | ১৩ | দেও | কেন্দ্ৰীয় শিক্ষক দিৱসৰ আদৰণী সমিতি গঠন, হাওৰাঘাট, কাৰ্বি আংলং<br>মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, কাছাৰ |
| | ১৯-২০ | শনি-দেও | সঞ্চালন সমিতি আৰু জিলাধিনায়কৰ যুটীয়া সন্মিলন<br>সাংবাদিক আৰু লেখন কৰ্মশালা, কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত |
| | ২৫-২৬ | শনি-দেও | ইংৰাজী, হিন্দী আৰু বিভিন্ন ভাষাত কেন্দ্ৰীয় বক্তা প্ৰশিক্ষণ কৰ্মশালা, ৰূপনগৰ (প্ৰচাৰ শাখাৰ উদ্যোগত) |
| | ২৭ | দেও | **তৃতীয় কাৰ্যনিৰ্বাহক সভা, ৰূপনগৰ, গুৱাহাটী** |
| | ২৯ | মঙ্গল | গুৱাহাটী মহানগৰী জিলাত আৰ্থিক বিকাশ সমিতিৰ শাখা মুকলি |
| আগষ্ট ঃ | | | |
| | ৩ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, হোজাই<br>সেৱাবাহিনীৰ সাংগঠনিক সভা, হামৰেণ |
| | ১৫ | শুক্ৰ | স্বাধীনতা দিৱস |
| | ১৭ | দেও | কে. শি. আ. ক. সমিতিৰ দ্বাৰা কেন্দ্ৰীয় বক্তা প্ৰশিক্ষণ কৰ্মশালা, ডিব্ৰুগড় শাখা কাৰ্যালয়, নিজকদমণি |
| | ১৮ | সোম | শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, কেন্দ্ৰীয় শিশু কল্যাণ দিৱস উদ্‌যাপন, মৰিগাঁও (কেন্দ্ৰীয় শিশু আইমাতৃ কল্যাণ সমিতিৰ উদ্যোগত) |
| | ২৪ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, কোকৰাঝাৰ |
| ছেপ্তেম্বৰ ঃ | | | |
| | ৫ | শুক্ৰ | কেন্দ্ৰীয় শিক্ষক দিৱস, শিক্ষা শাখাৰ উদ্যোগত আৰু কেন্দ্ৰীয় সেৱাবাহিনীৰ সহযোগত, হাওৰাঘাটত উদ্‌যাপন, কাৰ্বি আংলং |
| | ৭ | দেও | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, বিজনী |
| | ১৪ | দেও | কেন্দ্ৰীয় গুৰু জয়ন্তীৰ আদৰণী সমিতি গঠন, বাক্সা |
| „ | ২৭ | শনি | **চতুৰ্থ কাৰ্যনিৰ্বাহক সভা, মূল কাৰ্যালয়, নগাঁও**<br>পদাধিকাৰ নিৰ্বাচনৰ তালিকা প্ৰস্তুত |
| অক্টোবৰ ঃ | | | |
| | ২ | বৃহস্পতি | (গান্ধী জয়ন্তী) কেন্দ্ৰীয় শান্তি দিৱস, হামৰেণ (কে. শি. আ. ক. স.ৰ উদ্যোগত) |
| | ৪ | শনি | শঙ্কৰদেৱৰ জন্মোৎসৱ (প্ৰাথমিক, আঞ্চলিক, জিলা) |
| | ৬ | সোম | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা, বাক্সা |
| | ৮ | বুধ | কেন্দ্ৰীয় সেৱাবাহিনীৰ প্ৰতিষ্ঠা দিৱস, ওদালগুৰি |
| | ১২ | দেও | কেন্দ্ৰীয় গুৰুজয়ন্তী, বাক্সা জিলা শাখাত |
| | ১৮-১৯ | শনি-দেও | শৰণ শিবিৰ আৰু তুফানগঞ্জ জিলা শাখা গঠন (নতুন) |
| | ২৫-২৭ | শনি-সোম | অঙ্কীয়া নাট সমাৰোহ, ৰঙিয়া |
| নৱেম্বৰ ঃ | | | |
| | ২-৪ | দেও-মঙ্গল | কেন্দ্ৰীয় শিশু আইমাতৃ আৰু যুৱ সমাৰোহ, হামৰেণ |
| | ৮ | শনি | **পঞ্চম কাৰ্যনিৰ্বাহক সভা, ঢকুৱাখনা** |
| | ৯ | দেও | ৮৪ সংখ্যক মূল অধিৱেশনৰ লাইখুটা স্থাপন, ঢকুৱাখনা |
| | ১৬ | দেও | শিক্ষা বিষয়ক আলোচনা চক্ৰ, শিৱসাগৰ (শিক্ষা শাখাৰ উদ্যোগত) |
| ডিচেম্বৰ ঃ | | | |
| | ১৫-২৩ | সোম-মঙ্গল | কেন্দ্ৰীয় শঙ্কৰী সঙ্গীতৰ প্ৰশিক্ষণ সত্ৰ, কামপুৰ |
| | ২১ | দেও | কে. শি. আ. ক. সমিতিৰ জিলা সভানেত্ৰী-সম্পাদিকা সন্মিলন, নগাঁও |
| | ২৫ | বৃহস্পতি | পদাধিকাৰ নিৰ্বাচনৰ ভোট গণনা আৰু ফলাফল ঘোষণা |
| জানুৱাৰী, ২০১৫ ঃ | | | |
| | ১৮ | দেও | **ষষ্ঠ মূল কাৰ্যনিৰ্বাহক সভা, মূল কাৰ্যালয়, নগাঁও** |
| ফেব্ৰুৱাৰী ২০১৫ ঃ | | | |
| | ৫-৮ | বৃহ-শনি | শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশন, ঢকুৱাখনা |

**(০৯-০৩-২০১৪ তাৰিখৰ মূল কাৰ্যনিৰ্বাহক সভাত গৃহীত)**

**শ্ৰীৰজনীকান্ত দত্ত**
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ

**শ্ৰীবাবুল বৰা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক কৰ্ম-আঁচনি

১. মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয় আন্তঃগাঠনি সম্পূৰ্ণকৰণ (অস্থায়ী গৃহ, মূল কাৰ্যালয়)

২. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়ৰ অস্থায়ী গৃহত ২০১৪ চনৰ জুন-জুলাই মাহত পাঠদান আৰম্ভ কৰা।

৩. গুৱাহাটীৰ ৰূপনগৰৰ অতিথিশালা (শঙ্কৰদেৱ ভৱন)ৰ কাম (নিৰ্মাণ) দ্ৰুতগতিত আগবঢ়োৱা।

৪. মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত আৰু শ্ৰীশ্ৰীমাধৱদেৱ বাক্যামৃত ইংৰাজীলৈ অনুবাদ কৰা।

৫. শিক্ষা শাখাৰ যোগেদি শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ প্ৰয়োজনীয় পাঠ্যপুথি যুগুত আৰু প্ৰণয়ন কৰা।

৬. শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় নোহোৱা জিলাসমূহত নতুনকৈ বিদ্যালয় স্থাপন কৰা আৰু স্থায়ী বিদ্যালয়সমূহক পৰ্যায়ক্ৰমে উচ্চতৰ শাখালৈ উন্নীত কৰা।

৭. শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে আবণ্টিত স্থায়ী ভূমিৰ উন্নীতকৰণ তথা চৌহদত বেৰ নিৰ্মাণ।

৮. শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ কল্যাণ প্ৰতিষ্ঠান যোৰহাটৰ পৰ্যায়ক্ৰমে কাম আৰম্ভ।

৯. বৈষ্ণৱ পণ্ডিত প্ৰয়াত সোণাৰাম চুতীয়া বাপৰ শতবাৰ্ষিকী মহোৎসৱ উদ্‌যাপন কৰা।

১০. সত্যসন্ধা প্ৰেছ (ছপাশাল) স্থাপনৰ কাম সম্পূৰ্ণ কৰা।

১১. ৫৬৬ সংখ্যক কেন্দ্ৰীয় গুৰুজয়ন্তী মহোৎসৱ উদ্‌যাপন/ কেন্দ্ৰীয়ভাৱে মহাপুৰুষ মাধৱদেৱৰ ৫২৬ জন্মোৎসৱ উদ্‌যাপন/ কেন্দ্ৰীয় শিশু, আইমাতৃ আৰু যুৱ সমাৰোহ উদ্‌যাপন।

১২. মূল কাৰ্যালয় চৌহদত কাৰ্যালয় তথা বিশ্ববিদ্যালয়ৰ সুবিধাৰ্থে জেনেৰেটৰ স্থাপন।

১৩. গৌৰীপুৰৰ দুমৰদহ প্ৰকল্পত স্থায়ী বিদ্যুৎ সংযোগ আৰু পানী যোগানৰ ব্যৱস্থাকৰণ।

১৪. শিশু কল্যাণ দিৱস, সেৱাবাহিনীৰ প্ৰতিষ্ঠা দিৱস, শিক্ষক দিৱস (৫ ছেপ্তেম্বৰ), ব'হাগী উৎসৱ (২৭ এপ্ৰিল), ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ আদি কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা।

১৫. সাহিত্য আৰু সংস্কৃতি শাখাৰ উদ্যোগত জিলা ভিত্তিত সাহিত্য আৰু সংস্কৃতি বিষয়ৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা।

১৬. সংস্কৃতি শাখাৰ জৰিয়তে অঙ্কীয়া নাট সমাৰোহ, শঙ্কৰী সঙ্গীতৰ প্ৰশিক্ষণ কৰ্মশালা আদি অনুষ্ঠিত কৰা।

১৭. প্ৰচাৰ শাখাৰ সহযোগত অসমৰ লগতে ওচৰ চুবুৰীয়া ৰাজ্য কেইখনৰ বিভিন্ন জাতি জনগোষ্ঠী বসতি প্ৰধান ধৰ্মান্তৰকৰণ প্ৰভাৱিত ঠাইসমূহত প্ৰচাৰ সভা, ধৰ্মসভা, জনজাগৰণ সভা আদি অনুষ্ঠিত কৰা।

১৮. শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম, নীতি আদৰ্শ, সন্নিবিষ্ট কৰি প্ৰচাৰৰ উপযোগীকৈ অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত সৰু সৰু প্ৰচাৰ পুস্তিকা প্ৰণয়ন কৰা।

১৯. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ নতুন শাখা স্থাপন কৰা।

২০. সংস্কৃতি শাখাৰ জৰিয়তে বিভিন্ন খিলঞ্জীয়া লোকৰ জনকৃষ্টি সংগ্ৰহালয় স্থাপনৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা।

২১. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হিচাপ সম্পৰ্কীয় সকলো নথিপত্ৰ আৰু গ্ৰন্থাদিৰ সম্পূৰ্ণ তথ্য 'কম্পিউটাৰ' যোগেদি সংৰক্ষণ কৰা।

২২. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈকে নেতৃত্ব প্ৰদান কৰা পদাধিকাৰ আৰু প্ৰধান সম্পাদকসকলৰ তৈলচিত্ৰ সংৰক্ষণ কৰা।

২৩. অসমৰ অন্যান্য সুবৃহৎ জাতীয় অনুষ্ঠানসমূহৰ লগত সমন্বয় সাধন কৰি সামূহিক কাৰ্যসূচী ৰূপায়ন কৰা।

২৪. সাহিত্য শাখা আৰু মণিকাঞ্চন বাৰ্তালোচনী প্ৰকাশন সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনা চক্ৰ অনুষ্ঠিত কৰা (গুৱাহাটী, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়)

২৫. মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় আৰু মূল কাৰ্যালয়ৰ স্থায়ী ফলক নিৰ্মাণ আৰু স্থাপন।

২৬. বিভিন্ন জিলা শাখাত বিশ্ববিদ্যালয় সম্পৰ্কীয় জাগৰণ সভা অনুষ্ঠিত কৰাৰ লগতে ক্ষীপ্ৰগতিত পুঁজি সংগ্ৰহৰ ব্যৱস্থা গ্ৰহণ।

২৭. ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশন অনুষ্ঠিতকৰণ, ঢকুৱাখানা।

২৮. মাধৱদেৱৰ জন্মস্থান, কঢ়ালি মিচন আদি ক্ষেত্ৰৰ উন্নীতকৰণ।

২৯. শিক্ষা শাখাৰ যোগেদি বাৰ্ষিক আলোচনী প্ৰকাশ।

০৯-০৩-২০১৪ তাৰিখৰ মূল কাৰ্যনিৰ্বাহক সভাত গৃহীত।

**শ্ৰীৰজনীকান্ত দত্ত**
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**শ্ৰীবাবুল বৰা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## জাননী

**সমূহ মণিকাঞ্চন বাৰ্তালোচনীৰ এজেণ্ট/ গ্ৰাহকসকলক জনোৱা হয় যে ইতিমধ্যে প্ৰেৰিত বকেয়াৰ ধন এপ্ৰিল মাহৰ ৩০ তাৰিখৰ ভিতৰত আদায় দিবলৈ সেৱা ধৰা হ'ল।**

সেৱাৰে—

*পৰিচালন সম্পাদক, মণিকাঞ্চন বাৰ্তালোচনী*

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত আৰু গোৱালপাৰা জিলা শাখাৰ আতিথ্যত

## দশম বাৰ্ষিক কেন্দ্ৰীয় ব'হাগী উৎসৱ

স্থান ঃ গোৱালপৰীয়া বিহুতলি (ধূপধৰা হাইস্কুল খেলপথাৰ)
ধূপধৰা ঃ গোৱালপাৰা ঃ অসম
দিনাঙ্ক ঃ ১৩ ব'হাগ ৫৬৫শঙ্কৰাব্দ, (২৭ এপ্ৰিল, ২০১৪ খ্ৰীষ্টাব্দ) দেওবাৰ

## -ঃ কাৰ্যক্ৰমণিকা ঃ-

**২৭ এপ্ৰিল, ২০১৪ খ্ৰীষ্টাব্দ ঃ ১৩ মাঘ, ৫৬৫ শঙ্কৰাব্দ (দেওবাৰ) ঃ**

| | |
|---|---|
| পুৱা ৭.৫০ বজাত ঃ | পৰিৱেশ নিকাকৰণ (জিলা সেৱাবাহিনীৰ দ্বাৰা) |
| পুৱা ৬.০০ বজাত ঃ | নাম-প্ৰসঙ্গ |
| পৰিচালনা ঃ | জিলা সেৱাবাহিনী |
| পুৱা ৮.০০ বজাত ঃ | বৃক্ষৰোপণ |
| ৰোপকসকল ঃ | শ্ৰীযুত অবেশ্বৰ কছাৰী, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ধূপধৰা হাইস্কুল<br>মঃ চহৰাব আলী, প্ৰধান শিক্ষক, ধূপধৰা ছোৱালী হাইস্কুল<br>শ্ৰীযুত চিবেন বড়ো, প্ৰধান আচাৰ্য, শঙ্কৰদেৱ শিশু/ বিদ্যা নিকেতন, ধূপধৰা।<br>শ্ৰীযুত মুকুট পাটগিৰী, প্ৰধান শিক্ষক, ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়, ধূপধৰা। |
| পুৱা ৯.০০ বজাত ঃ | পতাকা উত্তোলন |
| উত্তোলন ঃ | শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ |
| পুৱা ৯.৩০ বজাত ঃ | বঙাইগাঁও মণ্ডলৰ আই-মাতৃসকলৰ পিঠাপনা আৰু গামোচা প্ৰতিযোগিতা |
| উদ্বোধিকা ঃ | ড° মলিনা দেৱী ৰাভা, অধ্যক্ষা, বিকালী মহাবিদ্যালয়, ধূপধৰা |
| পুৱা ১০.০০ বজাত ঃ | স্মৃতিগ্ৰন্থ উন্মোচন |
| উন্মোচক ঃ | শ্ৰীযুত ভৱেন্দ্ৰনাথ ডেকা, উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ |
| পুৱা ১১.০০ বজাত ঃ | আলোচনা চক্ৰ |
| বিষয় ঃ | **'সাম্প্ৰতিক সময়ত অসমৰ জনজীৱনত ৰঙালী বিহুৰ প্ৰাসঙ্গিকতা'।** |
| উদ্বোধক ঃ | শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ |
| মুখ্য আলোচক ঃ | ড° অনিল শইকীয়া, বিহু গৱেষক, অধ্যক্ষ, মৰাণ মহাবিদ্যালয় |
| বিশিষ্ট অতিথি ঃ | শ্ৰীযুত টংকেশ্বৰ ৰাভা, মুখ্য কাৰ্যবাহী সদস্য, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ, দুধনৈ। |
| বিয়লি ২.৩০ বজাত ঃ | বিহু হুঁচৰি প্ৰতিযোগিতা |
| উদ্বোধক ঃ | শ্ৰীযুত পৰিত্ৰপ্ৰাণ বৰা, সম্পাদক, সংস্কৃতি শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ |

**পথ নিৰ্দেশনা ঃ**

১. উজনিৰ পৰা বাছেৰে অহা যাত্ৰীসকলে গুৱাহাটী বিশ্ববিদ্যালয় হৈ ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথেৰে আহি ধূপধৰা পাবহি।

২. ৰেলেৰে অহা যাত্ৰীসকলে ধূপধৰা ষ্টেচনত নামি ২ কিল'মিটাৰ দক্ষিণে আহিলে বিহুতলি পাবহি।

৩. নামনিৰ পৰা বাছেৰে অহা যাত্ৰীসকলে নৰনাৰায়ণ সেঁতু (পঞ্চৰত্ন) পাৰ হৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে গুৱাহাটী অভিমুখে আহি থাকিলে ধূপধৰা পাবহি।

## কেন্দ্ৰীয় সেৱাবাহিনীৰ যুটীয়া বৈঠক সম্পন্ন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় সেৱাবাহিনীৰ জিলাধিনায়ক আৰু সঞ্চালনা সমিতিৰ সদস্যসকলৰ এখনি যুটীয়া বৈঠক যোৱা ২২/০৩/২০১৪ তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নগাঁও মূল কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। আগন্তুক ৫৬৫-৫৬৭ শঙ্কৰাব্দৰ বাবে সেৱাবাহিনীৰ কৰ্ম-আঁচনি আৰু কৰ্মপঞ্জীখন যুগুত কৰাৰ লগতে যোৱা ৮৩ সংখ্যক অধিৱেশনখনিৰ এটি পৰ্যালোচনা কৰিবৰ বাবে বাবে আহ্বান কৰা সভাখনিত প্ৰায় ২০খন জিলা শাখাৰ জিলাধিনায়ক আৰু সঞ্চালনা সমিতিৰ সদস্যসকল উপস্থিত থাকে। মুখ্য সচিব বাবুল বৰাবাপে সভাখনিৰ বাট মুকলি কৰি কয় যে এখন সৰ্বাংগ সুন্দৰ অধিৱেশন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে সেৱাবাহিনীৰ সেৱক-সেৱিকাসকলে কৰ্মদক্ষতা, ত্যাগ আৰু কৰ্তব্যনিষ্ঠাৰে কাৰ্য সম্পাদন কৰি ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনি সফল কৰি তুলিলে তাৰ বাবে প্ৰতিজন সেৱক-সেৱিকাক ধন্যবাদ জনোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্য নিয়ন্ত্ৰক পদাধিকাৰ ৰজনীকান্ত দত্তবাপে এক নিৰ্দিষ্ট নীতি-নিৰ্দেশনা যুগুত কৰি জিলা শাখালৈ প্ৰেৰণ কৰিবৰ বাবে আহ্বান জনায়। সভাত সাংগঠনিকভাৱে দুৰ্বল হৈ পৰা জিলা শাখাসমূহত সেৱাবাহিনীৰ সংগঠন সবল কৰি তোলাৰ লগতে ২০১৪-১৫ বৰ্ষৰ বাবে সকলোৰে আলোচনা পৰামৰ্শ মৰ্মে এখনি কৰ্ম-আঁচনি গ্ৰহণ কৰা হয়। সভাত কেন্দ্ৰীয় সেৱাবাহিনীৰ সচিব, উপ-মুখ্যধিনায়ক দ্বয়ৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে। সভাৰ সিদ্ধান্তসমূহ জিলাধিনায়ক বাপসকললৈ প্ৰেৰণ কৰা হৈছে বুলি সচিব দীপজ্যোতি চহৰীয়াবাপে জনাইছে।◆

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভৱেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ ৰূপসজ্জা-অক্ষৰ বিন্যাস— ৰমেন মেধি সম্পাদক —খগেন্দ্ৰনাথ তালুকদাৰ (ফোন নং— ৯৪০১৬-৫৯৫০৯), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ ফণ্ট্ৰিয়াৰ পাব্লিকেছন্ প্ৰাঃ লিঃ, গুৱাহাটী ৭৮১০১৬ত মুদ্ৰিত। সম্পাদক ঃ খগেন্দ্ৰনাথ তালুকদাৰ, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২